www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো বস্তুৰে কেঁচামাল হ'ল সময়। সময়ৰ সহায়েৰে সকলো সম্ভৱ, সময়ৰ অবিহনে একোৱেই সম্ভৱ নহয়। — আৰ্ণল্ড বেনেট

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা-৩২৫ | শনিবাৰ | ০৩ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 325 | Saturday | 03rd October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8



## অৰণ্য মানৱ' যাদৱ পায়েং অসুস্থ

### যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ আইচিইউত ভৰ্তি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** প্ৰকৃতি সংৰক্ষণৰ বাবে জীৱন উছৰ্গা কৰা আৰু মুলাই ফৰেষ্টৰ গঢ়োতা হিচাপে পৰিচিত 'অৰণ্য মানৱ' তথা পদ্মশ্ৰী যাদৱ পায়েং অসুস্থ হৈ পৰিছে। বৃহস্পতিবাৰে তেওঁক ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। পৰিয়ালৰ লোকে জনোৱা মতে, প্ৰথম অৱস্থাত যাদৱ পায়েংৰ জ্বৰ আৰু কাহ আৰম্ভ ❑ ৬ পৃষ্ঠাত

### ৫ টকাত চাৰ্জ কৰি চলাব পাৰৱ ৫০ কিলোমিটাৰ

## গান্ধী জয়ন্তীত বাঁহৰ চাইকেল উন্মোচন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২ অক্টোবৰ ঃ** দেশজুৰি ১৫৭ সংখ্যক গান্ধী জয়ন্তী পালন কৰা হৈছে। এই বিশেষ দিনটোতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত নিৰ্মিত বাঁহৰ চাইকেল- 'বেম্বো চাইকেল'- আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মহানগৰী গুৱাহাটীৰ সতী ৰাধিকা শান্তি উদ্যানত শুকুৰবাৰে এই চাইকেল উন্মোচন কৰা ❑ ৬ পৃষ্ঠাত

### ■ জন্মদিনৰ দিনাই দেশবাসীক সোণৰ পদক উপহাৰ ■

# এছিয়ান গেমছত স্বৰ্ণ জয় লাভলীনাৰ



### মেৰীকমৰ পিছত এছিয়ান গেমছত বক্সিঙত স্বৰ্ণ পদক জয় কৰা দ্বিতীয় ভাৰতীয় মহিলা লাভলীনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** অসমৰ জীয়ৰী লাভলীনা বৰগোঁহায়ে শুকুৰবাৰে এছিয়ান গেমছত মহিলাৰ ৭৫ কেজি শাখাৰ বক্সিঙত স্বৰ্ণ পদক জয় কৰি ইতিহাস ৰচনা কৰে। এই জয়ৰ লগে লগে ভাৰতৰ বক্সিঙত ১২ বছৰৰ সোণৰ খৰাঙৰ অন্ত পৰে। ২০১৪ চনৰ ইঞ্চিয়ন এছিয়ান গেমছৰ পিছত এছিয়ান গেমছত ভাৰতীয় মহিলা বক্সাৰ এগৰাকীয়ে সোণৰ পদক লাভ কৰা নাছিল। মেৰীকমৰ পিছত লাভলীনা এছিয়ান গেমছত বক্সিঙত স্বৰ্ণ পদক লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় মহিলা হিচাপে পৰিগণিত হয়। লাভলীনাৰ বাবে এই জয় বিশেষ তাৎপৰ্যপূৰ্ণ। কাৰণ শুকুৰবাৰে তেওঁৰ ২৯ সংখ্যক জন্মদিন আছিল। জন্মদিনৰ দিনটোতে তেওঁ নিজকে সোণৰ পদক উপহাৰ দিয়াৰ দৰে এক কৃতিত্ব অৰ্জন কৰে। এই স্বৰ্ণজয়ে তেওঁৰ জন্মদিনটো স্মৰণীয় কৰি তুলিছে। স্বৰ্ণ পদক জয়ৰ পিছত লাভলীনাই কয়, "মোৰ মনটো বহুত ভাল লাগিছে। আজি মোৰ জন্মদিন আৰু মই মোৰ জন্মদিনত নিজকে সোণৰ পদক উপহাৰ দিছোঁ। এয়া মোৰ বাবে বহুত ডাঙৰ কথা।" তেওঁ আৰু কয় যে প্ৰতিযোগিতাৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী এতিয়া সলনি হৈছে। আগতে তেওঁ ফলাফলৰ ❑ ৬ পৃষ্ঠাত

### সমাগত নগাঁৱৰ উপ-নিৰ্বাচন; বিজেপি প্ৰাৰ্থীক তীব্ৰ সমালোচনা ছলমান খুৰশ্বিদৰ

## দেৱাশিস শৰ্মা জিলা আয়ুক্ত হৈ থাকোঁতে ভাৰতীয় নাগৰিকক বিদেশী বুলি খেদি পঠোৱা হৈছিল ঃ ছলমান খুৰশ্বিদ




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ৰাজনৈতিক পৰিৱেশ তপত হৈ উঠিছে। শুকুৰবাৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত প্ৰাক্তন ❑ ৬ পৃষ্ঠাত

## গান্ধী জয়ন্তীত জাতিৰ পিতালৈ দেশজুৰি শ্ৰদ্ধাঞ্জলি

### ৰাষ্ট্ৰপতিৰ ৰাজঘাটত সৰ্বধৰ্ম প্ৰাৰ্থনা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২ অক্টোবৰ ঃ** প্ৰতি বছৰৰ দৰে এইবাৰো সমগ্ৰ দেশজুৰি গান্ধী জয়ন্তী পালন কৰা হৈছে। ১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত জন্মগ্ৰহণ কৰা মোহনদাস কৰমচান্দ গান্ধীয়ে ইংৰাজ শাসনৰ বিৰুদ্ধে অহিংসা আন্দোলনৰ জৰিয়তে ভাৰতৰ স্বাধীনতা সংগ্ৰামক এক নতুন দিশ দিছিল। তেওঁৰ অৱদানৰ বাবেই তেওঁক মহাত্মা আৰু জাতিৰ পিতা হিচাপে সন্মান জনোৱা হয়। এইবাৰ মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জন্মজয়ন্তী। গান্ধী জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পুৱাই দিল্লীৰ ❑ ৬ পৃষ্ঠাত

### দুৰ্গা পূজা শৃংখলাবদ্ধ আৰু নিৰাপদ কৰাৰ লক্ষ্যৰে আৰক্ষী-পূজা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

## অনুমতি, শব্দ নিয়ন্ত্ৰণ, CCTV, অগ্নি সুৰক্ষা আৰু স্বেচ্ছাসেৱক ব্যৱস্থাক লৈ কঠোৰ নিয়ম



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২ অক্টোবৰ ঃ** আগন্তুক দুৰ্গা পূজা সুচাৰুৰূপে, শৃংখলাবদ্ধভাৱে আৰু নিৰাপদ পৰিৱেশত উদযাপন কৰাৰ উদ্দেশ্যে গুৱাহাটী মহানগৰীৰ পূজা সমিতিসমূহৰ সৈতে আৰক্ষী প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে। মহানগৰীৰ জিলা পুথিভঁৰালত অনুষ্ঠিত এই বৈঠকত মহানগৰ ❑ ৬ পৃষ্ঠাত



## অৰুণাচল প্ৰদেশত আলফাৰ(স্বাধীন) দুই সদস্য আটক

### সেনা বাহিনীৰ ওপৰত আইইডি বিস্ফোৰণেৰে আক্ৰমণৰ পৰিকল্পনা কৰাৰ সন্দেহ

**অসম বাৰ্তা বিশেষ, জাগুন, ২ অক্টোবৰ ঃ** বৃহস্পতি বাৰে ভাৰতীয় সেনা বাহিনীৰ অসম ৰাইফলছৈ অৰুণাচল আৰু অসম আৰক্ষীৰ যৌথ সহযোগত অৰুণাচল প্ৰদেশত আলফাৰ(স্বাধীন) দুজন সদস্যক আটক কৰে। দুয়োগৰাকী সদস্য অৰুণাচলৰ ম্যাও- ❑ ৬ পৃষ্ঠাত

## নগাঁৱত গান্ধী জয়ন্তীত কংগ্ৰেছৰ বাইক ৰেলী

### শিৱামনি বৰাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ

**অসম বাৰ্তা, নগাঁও, ২ অক্টোবৰ ঃ** মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে আজি নগাঁও গান্ধী মন্দপত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে নগাঁও লোকসভা ❑ ৬ পৃষ্ঠাত

### ■ ধ্বংসাৱশেষত পোত গ'ল দুখন বাহন ■

## যোৰাবাটত ভয়ংকৰ ভূমিস্খলনত পেট্ৰ'ল পাম্প বিধ্বস্ত



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** যোৰাবাটত এক ভয়ংকৰ ভূমিস্খলন সংঘটিত হৈছে। ১০ মাইল এলেকাত অৱস্থিত ইউনিভাৰ্চিটি অৱ ছায়েন্স এণ্ড টেকন'লজি, মেঘালয় (USTM)ৰ সমীপৱৰ্তী এটা পেট্ৰ'ল পাম্পত এই ভূমিস্খলন হয়। ঘটনাত পেট্ৰ'ল পাম্পটোৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে ধ্বংসাৱশেষৰ তলত দুখনকৈ বাহন পোত যায়। অৱশ্যে এই ঘটনাত কোনো লোক আহত বা নিহত হোৱা নাই বুলি জানিব পৰা গৈছে। ভূমিস্খলনৰ ফলত অঞ্চলটোত ❑ ৬ পৃষ্ঠাত

### ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহৰ শুভাৰম্ভ বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ

## ৰাজ্যিক চিৰিয়াখানাক বিশ্বমানৰ বন্যপ্ৰাণী কেন্দ্ৰলৈ গঢ়াৰ লক্ষ্য



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২ অক্টোবৰ ঃ** অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানখনক বিশ্বমানৰ বন্যপ্ৰাণী কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বৃহৎ পৰিকল্পনা হাতত লৈছে। চৰকাৰে প্ৰায় ৩৪০ কোটি টকাৰ প্ৰকল্পৰ জৰিয়তে চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানখনৰ আন্তঃগাঁথনি তথা অন্যান্য সুবিধা উন্নীত কৰাৰ কাম আৰম্ভ কৰিছে। ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহ উপলক্ষে শুকুৰবাৰে পুৱা অসম ৰাজ্যিক চিৰিয়াখানা চৌহদত আয়োজিত অনুষ্ঠানত পৰিৱেশ আৰু ❑ ৬ পৃষ্ঠাত

### দিল্লীৰ যন্তৰ-মন্তৰত আপ, এছএফআই, এনএছইউআইসহ ছাত্ৰ সংগঠনৰ বিক্ষোভ

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত মুম্বাইৰ শিৱাজী পাৰ্কত ককৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত শুকুৰবাৰে দিল্লী আৰু মুম্বাইত তীব্ৰ প্ৰতিবাদ সংঘটিত হয়। ককৰোচ্ছ জনতা পাৰ্টী (চিজেপি) আৰু আপৰ কৰ্মী-নেতাসকলে ক্ৰমে মুম্বাইৰ শিৱাজী পাৰ্ক আৰু দিল্লীৰ যন্তৰ-মন্তৰত বিক্ষোভ প্ৰদৰ্শন কৰে। মুম্বাইৰ শিৱাজী পাৰ্কত অনুষ্ঠিত প্ৰতিবাদত অভিজিৎ দীপকৰ নেতৃত্বত ককৰোচ্ছ জনতা পাৰ্টীৰ সদস্যসকলে অংশ গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে কয় যে দেশত গণতন্ত্ৰ আৰু ❑ ৬ পৃষ্ঠাত

### উত্তেজনাৰ মাজতে শান্তি-শৃংখলা ৰক্ষাৰ আহ্বান আৰক্ষীৰ

## চিয়াঙত SUMPৰ বিৰোধিৰে বিধায়কৰ বাহনত অগ্নিসংযোগ, বাসগৃহৰ প্ৰৱেশদ্বাৰ লণ্ডভণ্ড

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** প্ৰস্তাৱিত চিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰজেক্ট (SUMP)ৰ বিৰোধিতাৰে অৰুণাচল প্ৰদেশৰ চিয়াং জিলাত প্ৰতিবাদ আৰু উত্তেজনা অব্যাহত থকাৰ মাজতে চিয়াং জিলা আৰক্ষীয়ে ৰাইজক শান্তি-শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনাইছে। চিয়াং জিলাৰ আৰক্ষী অধীক্ষক কামদাম ছিকমে প্ৰতিবাদকাৰী, বিভিন্ন জনগোষ্ঠীয় সংগঠন, সমাজৰ জ্যেষ্ঠ ব্যক্তি আৰু সাধাৰণ ৰাইজক





এই আহ্বান জনান। শেহতীয়াকৈ SUMPক লৈ সৃষ্টি হোৱা উত্তেজনাৰ মাজতে একাংশ প্ৰতিবাদকাৰীয়ে টুটিং-ইয়িংকিয়ং সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ উপদেষ্টা❑ ৬ পৃষ্ঠাত

## জিলাখনৰ ১০৩খন গাঁও সামৰি অনুমোদন

### কোকৰাঝাৰত বন অধিকাৰ পট্টা বিতৰণৰ বিশেষ অভিযান

**অসম বাৰ্তা, কোকৰাঝাৰ, ২ অক্টোবৰ ঃ** বন অধিকাৰ আইন, ২০০৬ ৰ অধীনত ব্যক্তিগত বন অধিকাৰ আৰু সামূহিক বন অধিকাৰ স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে কোকৰাঝাৰত আজি এক বিশেষ অভিযানৰ অংশ হিচাপে বন অধিকাৰ পট্টা বিতৰণৰ এক আনুষ্ঠানিক অনুষ্ঠান অনুষ্ঠিত হয়। কোকৰাঝাৰৰ বড়োলেণ্ড প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয় (BASC)ত ❑ ৬ পৃষ্ঠাত

### অসমত, ভাৰতবৰ্ষত পৰ্যটকে যিবোৰ দেখা নাপায়, বিটিচি আৰু মানাহত দেখা পায় ঃ হাগ্ৰামা মহিলাৰী

## পৰ্যটকৰ বাবে মুকলি হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যান

**অসম বাৰ্তা, শালবাৰী, ২ অক্টোবৰ ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান ২০২৬-২৭ পৰ্যটন বৰ্ষৰ পৰ্যটকৰ বাবে আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উল্লেখ্য যে- মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য প্ৰৱেশদ্বাৰ বাস্কাৰ বাহবাৰী ৰেঞ্জত অগণন প্ৰকৃতিপ্ৰেমী ৰাইজ, দেশী-বিদেশী পৰ্যটকৰ উপস্থিতত বিহু, থিয়নাম, চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্য, বাগুৰুম্বা আদি পৰম্পৰাগ সংস্কৃতি পৰিৱেশনেৰে এক ❑ ৬ পৃষ্ঠাত



### ২০২৮ লছ এঞ্জেলছ অলিম্পিকৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জন

## ৪৪ বছৰৰ পাছত চীনক পৰাস্ত কৰি এছিয়ান গেমছৰ স্বৰ্ণজয় ভাৰতীয় মহিলা হকী দলৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** চলিত এছিয়ান গেমছৰ মহিলা হকী ফাইনেলত ভাৰতীয় মহিলা দলে চীনক ১-০ গ'লত পৰাস্ত কৰি ঐতিহাসিক স্বৰ্ণ পদক জয় কৰিছে। শুকুৰবাৰে (২ অক্টোবৰ) কাকামিগাহাৰাৰ গিফু প্ৰিফেকচাৰেল গ্ৰীণ ষ্টেডিয়ামত অনুষ্ঠিত এই ৰোমাঞ্চকৰ ফাইনেলত ভাৰতীয় দলে ইতিহাস ৰচনা কৰে। এই জয়ৰ জৰিয়তে ৪৪ বছৰৰ পাছত এছিয়ান গেমছত মহিলা হকীত ভাৰতে স্বৰ্ণ পদক লাভ কৰিলে। লগতে ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকৰ বাবেও ভাৰতীয় দলে যোগ্যতা অৰ্জন কৰে। ভাৰতৰ হৈ একমাত্ৰ গ'লটো কৰে লালৰেমছিয়ামীয়ে। খেলৰ ১০ মিনিটত তেওঁ ৰিভাৰ্ছ-হিটৰ জৰিয়তে বল জালত প্ৰেৰণ কৰি ভাৰতক অগ্ৰগতি দিয়ে। ইয়াৰ পূৰ্বে চালিমা টেটে আৰু সাক্ষীৰ সুন্দৰ খেল প্ৰদৰ্শনে ভাৰতৰ আক্ৰমণক শক্তিশালী কৰি তোলে। খেলৰ প্ৰথম কোৱাৰ্টাৰত ভাৰতীয় দলে আধিপত্য বিস্তাৰ কৰে। এই সময়ছোৱাত ভাৰতে একাধিকবাৰ চীনৰ গ'লৰ সন্মুখত চাপ সৃষ্টি কৰে। লালৰেমছিয়ামীৰ ৰিভাৰ্ছ-হিটৰ পৰা অহা গ'লটোৱে ভাৰতক আত্মবিশ্বাস যোগায়। খেলৰ এটা ❑ ৬ পৃষ্ঠাত



## জে'লৰ কয়দীয়ে ভোট নিদিয়ে, ভোট দিব মানুহে ঃ মুখ্যমন্ত্ৰী

### নগাঁৱত দেৱাশিস শৰ্মাৰ সমৰ্থনত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী সভা

**অসম বাৰ্তা, নগাঁও, ২ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি এন ডি এৰ মনোনীত প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰিছে দলটোৱে। শুকুৰবাৰে নগাঁৱত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত ডচন স্কুল খেলপথাৰ, অৰ্থাৎ গৰু ফিল্ডত অনুষ্ঠিত বিশাল জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এন ডি এৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত ৰাইজক ভোটদানৰ আহ্বান জনায়। সভাত অসমৰ বক্সিং তাৰকা লাভলীনা বৰগোহাঁইৰ সাফল্যৰ কথাও উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ❑ ৬ পৃষ্ঠাত



# আইতাকৰ মৃত্যুত ব্ৰতত থকা হেলেমৰ যুৱকৰ ম'বাইললৈ হেলমেট নিপিন্ধাৰ জৰিমনাৰ মেচেজ

## যোৰহাটৰ পথত বাইক চলোৱাৰ অভিযোগ, জৰিমনাৰ লিংকত আকৌ দেখা গ'ল ৰয়েল এনফিল্ডৰ ছবি

### ● বিশ্বনাথ জিলাৰ সচেতন ৰাইজৰ তদন্তৰ দাবী ●

**অসম বাৰ্তা, গহপুৰ, ২ অক্টোবৰ** ঃ আইতাকৰ মৃত্যুত ব্ৰতত থাকি ঘৰতে আবদ্ধ হৈ থকা এজন যুৱকৰ ম'বাইল ফোনলৈ বাইক চলাওঁতে হেলমেট পৰিধান নকৰাৰ অভিযোগত জৰিমনা বিহাৰ মেচেজ অহাক কেন্দ্ৰ কৰি হেলেমত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। অনলাইনযোগে যান-বাহনৰ জৰিমনা সংগ্ৰহৰ ব্যৱস্থাক লৈ এই ঘটনাই একাংশ সচেতন লোকৰ মাজত উত্থাপন কৰিছে গুৰুত্বপূৰ্ণ প্ৰশ্ন। ঘটনাটো বিশ্বনাথ জিলাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত টকৌবাৰী ৰঙাজান গাঁৱৰ। গাঁওখনৰ তুলশীৰাম খড়েলৰ পুত্ৰ ভুৱন খড়েলৰ ম'বাইল ফোনলৈ যোৱা ১৬ ছেপ্টেম্বৰত অহা এটা টেস্ট মেচেজক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছে এই বিতৰ্ক। ভুৱন খড়েলে জানিবলৈ দিয়া মতে, ১৬ ছেপ্টেম্বৰৰ বিয়লি তেওঁৰ ম'বাইললৈ অহা মেচেজটোত উল্লেখ কৰা হৈছিল যে এএছ ৩২ ৫৪৪৯ পঞ্জীয়ন নম্বৰৰ মটৰচাইকেলখন যোৰহাটৰ এটি ৰোডত দিনৰ ১ বাজি ৩৭ মিনিট ১০ ছেকেণ্ডত হেলমেট পৰিধান নকৰাকৈ চলোৱা হৈছিল। এই অভিযোগত ১, ০০০ টকাৰ জৰিমনা বিহা হোৱা বুলি মেচেজটোত উল্লেখ আছিল। ভুৱন খড়েলৰ দাবী অনুসৰি, মেচেজটোত উল্লেখ কৰা পঞ্জীয়ন নম্বৰটো তেওঁৰ নামত পঞ্জীয়নভুক্ত মটৰ চাইকেলৰ হয়। তদুপৰি উক্ত পঞ্জীয়ন নম্বৰৰ বাহনখন এখন বাজাজ পালছাৰ বাইক। আচৰিত কথা এয়ে যে আজি অনলাইনযোগে জৰিমনাৰ তথ্য পৰীক্ষা কৰিবলৈ মেচেজত থকা লিংকটো খুলি চোৱাত এখন ৰয়েল এনফিল্ড বুলেট মটৰচাইকেলৰ ছবি দেখা যায়। ছবিখনত হেলমেট পৰিধান কৰা এজন যুৱক আৰু তেওঁৰ পিছফালে হেলমেট পৰিধান নকৰাকৈ জিনছ আৰু হালধীয়া টি-ছাৰ্ট পৰিহিত এগৰাকী মহিলা বহি থকা দেখা যায় বুলি ভুৱন খড়েলে জানিবলৈ দিয়ে। ইয়াতেই অধিক ৰহস্যৰ সৃষ্টি হৈছে। কিয়নো ভুৱন খড়েলৰ দাবী অনুসৰি তেওঁৰ উক্ত পঞ্জীয়ন নম্বৰৰ বাহনখন বাজাজ পালছাৰ, কিন্তু জৰিমনাৰ অনলাইন লিংকত দেখা গৈছে ৰয়েল এনফিল্ড বুলেটৰ ছবি। কেৱল সেয়াই নহয়, যি সময়ত তেওঁ যোৰহাটৰ পথত বাইক চলাই হেলমেট নিপিন্ধাৰ অভিযোগ উত্থাপিত হৈছে, সেই সময়ত তেওঁ বৰতীয়া সাজত ঘৰতে আবদ্ধ হৈ আছিল। ভুৱন খড়েলে জানিবলৈ দিয়া মতে অলপতে তেওঁৰ আইতাকৰ মৃত্যু হৈছিল। সেইবাবে তেওঁ ব্ৰতত থাকি ঘৰতে আছিল আৰু উক্ত দিনা তেওঁ বাইক লৈ যোৰহাটলৈ নোযোৱাৰ লগতে আজিলৈকে বাইক লৈ ঘৰৰ পৰা প্ৰায় ৪০০ কিলোমিটাৰ দূৰৈৰ যোৰহাটলৈ গৈ পোৱা নাই। তেনে পৰিস্থিতিত তেওঁৰ নামত পঞ্জীয়নভুক্ত বাহনৰ বিৰুদ্ধে যোৰহাটত হেলমেট নিপিন্ধাৰ অভিযোগত জৰিমনা কেনেকৈ বিহা হ'ল, তাক লৈ তেওঁ নিজেই বিস্ময় প্ৰকাশ কৰিছে। এই বিষয়টোৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই তথ্য-প্ৰমাণ পৰীক্ষা কৰি স্পষ্টীকৰণ দিয়াটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। বিশেষকৈ জৰিমনা বিহাৰ সময়ৰ ই-চালান তথ্য, স্থান, সময়, বাহনৰ ফটো, পঞ্জীয়ন নম্বৰ আৰু সংশ্লিষ্ট কেমেৰাৰ তথ্য পৰীক্ষা কৰিলে প্ৰকৃত ঘটনা পোহৰলৈ অহাৰ সম্ভাৱনা আছে। ইপিনে, ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ দাবী তুলিছে বিশ্বনাথ জিলাৰ সচেতন নাগৰিকে। তেওঁলোকৰ মতে, অনলাইন ব্যৱস্থাৰ জৰিয়তে যান-বাহনৰ বিৰুদ্ধে জৰিমনা বিহা প্ৰক্ৰিয়াত কোনো ভুল-ত্ৰুটি থাকিলে তাৰ ফল ভোগ কৰিবলগীয়া হ'ব পাৰে নিৰ্দোষ বাহন মালিকে। সেয়ে কোনো ব্যক্তিৰ বিৰুদ্ধে জৰিমনা আৰোপ কৰাৰ পূৰ্বে বাহনৰ পঞ্জীয়ন নম্বৰ, বাহনৰ মডেল, ফটো, স্থান আৰু সময় আদি তথ্যৰ মাজত সামঞ্জস্য নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয়। অৱশ্যে, এই সমগ্ৰ ঘটনাটোত প্ৰকৃততে কাৰিকৰী ত্ৰুটি, তথ্য নথিভুক্ত কৰাৰ ভুল, নে আন কোনো কাৰণ জড়িত আছে, সেয়া তদন্তৰ পাছতহে স্পষ্ট হ'ব। সেয়ে ঘটনাটোক লৈ বিভিন্ন মহলত উত্থাপিত প্ৰশ্নসমূহৰ সত্যতা নিৰপেক্ষ তদন্তৰ জৰিয়তে নিৰ্ণয় কৰাৰ দাবী জনাইছে সচেতন ৰাইজে।

# গান্ধী জয়ন্তী উপলক্ষে ওদালগুৰিত 'দ্য এণ্ট'ৰ দ্বাৰা চাফাই অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ অক্টোবৰ** ঃ গান্ধী জয়ন্তী আৰু স্বচ্ছ ভাৰত দিৱসৰ দিনটোত 'দ্য এণ্ট' (the ant)-য়ে ওদালগুৰি পৌৰসভাৰ সহযোগত ওদালগুৰি চহৰত চাফাই অভিযান আয়োজন কৰে। 'দ্য এণ্ট', ওদালগুৰিৰ উদ্যোগত আৰু সদৌ গাৰো ছাত্ৰ সন্থাওদালগুৰি জিলা সমিতি, সদৌ সান্তালী ছাত্ৰ সন্থা, ওদালগুৰি জিলা সমিতি আৰু ওদালগুৰিৰ অস্কলিয়াম কলেজৰ সহযোগত চাফাই অভিযানটো পৰিচালনা কৰা হয়। ওদালগুৰিত পৰিচ্ছন্নতা, নাগৰিক দায়িত্ববোধ আৰু ৰাইজৰ অংশগ্ৰহণ বৃদ্ধিৰ উদ্দেশ্য লৈ গ'লমা চকত পৰা ওদালগুৰি থানালৈকে এই অভিযান চলোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে পুৱা ৮: ০০ বজাত 'দ্য এণ্ট', ওদালগুৰিৰ টিম লীডে আদৰণী ভাষণ প্ৰদান কৰে। তেওঁ এখন পৰিচ্ছন্ন আৰু স্বাস্থ্যসন্মত চহৰ বলাই ৰখাত আমাৰ সকলোৰে যে সমূহিত দায়িত্ব আছে, সেই বিষয়ে আলোকপাত কৰে। লগতে, তেওঁ ওদালগুৰিৰ চাফাই তথা নাগৰিক সজাগতামূলক কাম-কাজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ যুৱক-যুৱতী আৰু ৰাইজক উৎসাহিত কৰে। অনুষ্ঠানটোৰ এটি বিশেষ আকৰ্ষণ আছিল ওদালগুৰি পৌৰসভাৰ চাফাই কৰ্মীসকলক সম্বৰ্ধনা জনোৱা পৰ্ব। ওদালগুৰি চহৰখন প্ৰতিদিনে চাফ-চিকুণ কৰি ৰখাত তেওঁলোকে আগবঢ়োৱা নিৰালস্য আৰু অমূল্য অৱদানৰ স্বীকৃতিস্বৰূপে এই চাফাই কৰ্মীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ওদালগুৰিত চাফাই, স্বাস্থ্যবিধি আৰু ৰাজহুৱা স্থানসমূহ সুন্দৰকৈ বলাই ৰখাত এই কৰ্মীসকলে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা 'দ্য এণ্ট'-য়ে স্বীকাৰ কৰে। এই চাফাই অভিযানত প্ৰায় ৭০ গৰাকী স্বেচ্ছাসেৱকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। স্বেচ্ছাসেৱকসকলৰ ভিতৰত আছিল ওদালগুৰিৰ অকচিলিয়াম কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু এজন শিক্ষক, সদৌ গাৰো ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকল, সদৌ সান্তালী ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকল আৰু ওদালগুৰিৰ অন্যান্য নাগৰিকসকল। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, বিভিন্ন সংগঠন আৰু ৰাইজৰ এই উৎসাহজনক অংশগ্ৰহণে ওদালগুৰিক পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত এক সবল সমূহিত দায়িত্ববোধৰ পৰিচয় দাঙি ধৰে। স্বেচ্ছাসেৱকসকলে গ'লমা চকৰ পৰা আৰম্ভ কৰি ওদালগুৰি থানালৈকে ৰাস্তাৰ কাষৰ স্থানসমূহ চাফা কৰাৰ লগতে আৱৰ্জনা সঠিকভাৱে পেলোৱা আৰু ৰাজহুৱা স্থানৰ পৰিচ্ছন্নতা ৰক্ষা কৰাৰ বিষয়েও সজাগতা সৃষ্টি কৰে। অনুষ্ঠানৰ জৰিয়তে 'দ্য এণ্ট', ওদালগুৰিয়ে এই কথাটোৰেই আলোকপাত কৰিব বিচাৰিছে যে পৰিচ্ছন্নতা হৈছে আমাৰ সকলোৰে উমৈহতীয়া দায়িত্ব; আৰু যেতিয়া যুৱপ্ৰজন্ম, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সামাজিক সংগঠন আৰু নাগৰিকসকল একত্ৰিত হৈ কাম কৰে, তেখনই স্থায়ী পৰিৱৰ্তন অনাটো সম্ভৱ হয়। অভিযানে ওদালগুৰি পৌৰসভাৰ চাফাই কৰ্মীসকলৰ দৈনিক প্ৰচেষ্টাক স্বীকৃতি দিয়াৰো এটা সুন্দৰ সুযোগ কৰি দিলে, যাৰ অবিৰত পৰিশ্ৰমে ওদালগুৰি চহৰখন পৰিচ্ছন্ন আৰু স্বাস্থ্যসন্মত কৰি ৰখাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। 'দ্য এণ্ট' য়ে ওদালগুৰি পৌৰসভা, পৌৰসভাৰ চাফাই কৰ্মীসকল, অকচিলিয়াম কলেজ, সদৌ গাৰো ছাত্ৰ সন্থা, সদৌ সান্তালী ছাত্ৰ সন্থা, স্বেচ্ছাসেৱক, ছাত্ৰ-ছাত্ৰী, শিক্ষকসকল আৰু ওদালগুৰিৰ ৰাইজক তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। 'দ্য এণ্ট'-য়ে লগতে এই গুৰুত্বও আৰোপ কৰে যে গান্ধী জয়ন্তীৰ দিনটোতে সীমাবদ্ধ নাথাকি, স্বচ্ছ ভাৰতৰ এই আদৰ্শ আৰু স্পৃহা সদায় বকাই ৰখা উচিত; আৰু ওদালগুৰিৰ নাগৰিক সকলে এখন পৰিচ্ছন্ন, স্বাস্থ্যসন্মত তথা স্থায়ী চহৰ গঢ়ি তোলাৰ বাবে নিজৰ সমূহিত দায়িত্ব পালন কৰা উচিত।

## পূৱ মঙ্গলদৈ উন্নয়ন খণ্ডত অনুষ্ঠিত হ'ল 'সেৱা সংকল্প অভিযান'ৰ প্ৰথমটো সেৱা শিবিৰ

# দৰং জিলাত সেৱা সেতু অভিযানৰ শুভাৰম্ভণি



**অসম বাৰ্তা, মঙলদৈ, ২ অক্টোবৰ** ঃ জনসাধাৰণৰ কাষলৈ চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা সহজ, সুলভ আৰু ফলপ্ৰসূভাৱে লৈ যোৱাৰ উদ্দেশ্যে ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰ, ২০২৬লৈ ৰাজ্যজুৰি অনুষ্ঠিত হৈ থকা 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে সেৱা সেতু অভিযানৰ অধীনত দেশ তথা ৰাজ্যৰ অন্য প্ৰন্তৰ লগতে দৰং জিলাতো বিভিন্ন উন্নয়ন খণ্ডসমূহত সেৱা শিবিৰৰ আয়োজন কৰা হৈছে। আজিৰে পৰা দৰং জিলাত আৰম্ভ হোৱা সেৱা সেতু অভিযানৰ প্ৰথমটো সেৱা শিবিৰ অনুষ্ঠিত হ'ল পূৱ মঙ্গলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত ধূলা স্থিত ব্লক কেম্পাছত থকা কমিউনিটি হলত। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নিলিমা দেৱীয়ে জিলা আয়ুক্ত আয়ুষী জৈনৰ সংগত বিষয়া-কৰ্মচাৰী তথা অন্যান্য সংশি-ষ্টসকলৰ উপস্থিতিত এই সেৱা শিবিৰৰ ফিতা কাটি শুভ উদ্বোধন কৰে। এই শিবিৰ স্থলীত মুঠ ১০টা কাউণ্টাৰ স্থাপন কৰা হৈছে। প্ৰতিটো কাউণ্টাৰত বিভিন্ন বিভাগৰ অধীনষ্ঠ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ নিৰ্ধাৰিত মুঠ ৪৬ এটা আঁচনি সম্বন্ধিত যিকোনো বিষয় নিষ্পত্তিৰ ব্যৱস্থা থাকিব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা কাউণ্টাৰত SVAMITVA (Survey & Mapping), ভূমি পট্টা, নামজাৰী, ভূমি বিক্ৰীৰ অনুমতি আৰু বিবাহ প্ৰমাণপত্ৰ; আয়ুক্ত কাৰ্যালয় (বিত্ত) কাউণ্টাৰত PM Jan Dhan Yojana, PM Jeevan Jyoti Bima Yojana, PM Suraksha Bima Yojana, Atal Pension Yojana, Orunodoi আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পেঞ্চন; গ্ৰামোন্নয়ন কাউণ্টাৰত VB-G RAM G (MGNREGA); কৃষি কাউণ্টাৰত PM Kisan Samman Nidhi আৰু Kisan Credit Card (KCC); APDCL কাউণ্টাৰত PM Surya Ghar: Muft Bijli Yojana; উচ্চ শিক্ষা কাউণ্টাৰত Nijut Moina আৰু Nijut Babu; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ কাউণ্টাৰত Ayushman Bharat—PM-JAY আৰু জন্ম-মৃত্যু প্ৰমাণপত্ৰ; খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাউণ্টাৰত PM Garib Kalyan Anna Yojana, ৰেচন কাৰ্ড আৰু One Nation One Ration Card (ONORC); DOHUA কাউণ্টাৰত PM SVANidhi আৰু সেৱা সেতু কাউণ্টাৰত ওপৰত উল্লেখ নথকা অন্যান্য চৰকাৰী সেৱা আৰু বিষয়সমূহৰ পঞ্জীয়ন তথা সংশ্লিষ্ট ব্যৱস্থালৈ প্ৰেৰণৰ সুবিধা থাকিব।

## মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী

# মাজুলীৰ বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত সাহিত্য সন্মিলন আৰু গান্ধী জয়ন্তী

## মুখপত্ৰ ত্ৰিবেণী আৰু ছয়খন গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, মাজুলী, ২ অক্টোবৰ** ঃ মাজুলী জিলাৰ বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত পূব মাজুলী মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে সাহিত্য সন্মিলন আৰু গান্ধী জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে পুৱা পূব মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্যসকলে পৰিৱেশ নিকাকৰণ কৰাৰ পিছতেই ৯বজাত গছপুলি ৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাই আৰু ৯.১৫ বজাৰ পৰা আজীৱন সদস্য সকলৰ পঞ্জীয়ন আৰম্ভ হয়। ৯.৩০বজাত পাতাকা উত্তোলন কৰে বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সভাপতি ডঃ অৰূপ কুমাৰ বৰাই, ১০ বজাত স্মৃতি তৰ্পন কৰে বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি ত্ৰিদীপ হাজৰিকা আৰু মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ৰুবী শইকীয়াই। ১০.১৫বজাৰ পৰা গান্ধী জয়ন্তী উদযাপন কৰা হয়। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰাই আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে উপেন বৰা, ৰবিন চন্দ্ৰ শইকীয়া, দিলীপ শইকীয়া আৰু প্ৰাক্তন সম্পাদক শান্তিৰাম বৰাই। ১১বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সদস্যা সকলৰ "চিৰ চেনেহী মোৰ ভাষা জননী" সাহিত্য সভাৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সাহিত্য সন্মিলনত পৌৰোহিত্য কৰে বনগাঁও ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সভাপতি ড° অৰূপ কুমাৰ বৰাই আৰু আতধৰে পূব মাজুলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক দিজেন কুমাৰ শইকীয়াই। সাহিত্য সন্মিলন উদ্বোধন কৰি মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাই মাজুলীৰ সাহিত্য সংস্কৃতিৰ ঐতিহ্য আৰু মাজুলী জিলা সাহিত্য সভাৰ এক চমু ইতিহাসৰ ওপৰত এক মনোজ্ঞ বক্তব্য প্ৰদান কৰে। সভাত বৰ্ণীতা ভূঞাৰ বৰগীত আৰু অঞ্চলতোৰ মহিলা সকলে দিহানাম পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য অতিথিৰ আসন পৰা মাজুলীৰ ঐতিহ্য বৰ্ননা কৰাৰ লগতে সাহিত্য সংস্কৃতিৰ পীঠস্থান মাজুলীক ভূয়সী প্ৰশংসা কৰে। বনগাঁও শতদল শাখাৰ উদ্যোগক শলাগ লৈ বৰ্তমান সমাজত সামাজিক মাধ্যমৰ লগত জড়িত হৈ এটা প্ৰজন্মৰ অধ্যয়ন স্পৃহা নোহোৱা হৈ পৰাটো অতি উদ্বেগজনক বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত অভিভাৱক তথা সভাত উপস্থিত আজীৱন সদস্য সকলক মাজুলীত এক পঢ়াৰ পৰিৱেশ সৃষ্টি কৰিবলৈ অনুৰোধ জনায়। অসম সাহিত্য সভাই এতিয়ালৈকে ১০৫খন গ্ৰন্থ প্ৰকাশ কৰিছে আৰু বহু কেইখন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰাৰ উদ্যোগ লৈছে বুলি উল্লেখ কৰে। সুধাকণ্ঠ ড ভূপেন হাজৰিকাৰ গীত সমূহ ভাৰতৰ ১৪টা ভাষাত আৰু জুবিন গাৰ্গৰ ১০০টা গীত ইংৰাজী ভাষালৈ অনুবাদ কৰাৰ কাম চলি আছে। বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ থলি অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ বাবে অসম সাহিত্য সভাই উদ্যোগ লৈছে অসমৰ জনগোষ্ঠীয় সাহিত্য সংস্কৃতিৰ ওপৰত অসম সাহিত্য সভাই ইতিবাচক দিশত কাম কৰি আছে। মেৰাপানীত নাগা সকলৰ লগত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। ২ বছৰ আগলৈকে শিলচৰত অসমীয়া ভাষাৰ বেনাৰ ফালি পেলোৱা হৈছিল। বৰ্তমান সাহিত্য সভাৰ উদ্যোগত নিৰাময় হৈছে। শিলচৰ বিশ্ববিদ্যালয়ত নতুনকৈ অসমীয়া ভাষাৰ বিষয় অন্তৰ্ভুক্ত হৈছে। সভাপতি গৰাকীয়ে মাজুলীলৈ আহি ধন্য হোৱা বুলি সদৰি কৰে। মাজুলীৰ প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ আকৰ। মানুহে প্ৰকৃতিৰ ব্যাকৰণ গ্ৰহণ কৰিলেহে জীৱনটোত সফল হ'ব পাৰে। সভাত আকাশীতৰা নেওগৰ ৪খন গ্ৰন্থ, পুলক শইকীয়াৰ' অকনিৰ গীতি সাধু' আৰু অনুপ কুমাৰ বৰা আৰু বুদ্ধিন বৰাৰ সম্পাদনাত পূৱ মাজুলী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা প্ৰকাশিত "Issues and trends ofSociety, Politics and Culture" উন্মোচন কৰে ক্ৰমে ড° দেৱজিৎ শইকীয়া, ড° অৰূপ কুমাৰ বৰা, ৰাম সাগৰ নাথ, ৰঞ্জিৎ কুমাৰ ভূঞা, উপেন বৰা আৰু যুগল হাজৰিকাই। ত্ৰিবেণী শতদল শাখাৰ মুখপত্ৰ "ত্ৰিবেণী" উন্মোচন কৰি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক, বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ ড° জ্যোতিৰেখা হাজৰিকাই অঞ্চলতোৰ সাহিত্য সংস্কৃতিৰ ঐতিহ্য বিষয়ে আলোচনা কৰি মাজুলী জিলা সাহিত্য সভাৰ পৰিসৰ বৃদ্ধিৰ বাবে প্ৰতিখন মহাবিদ্যালয়ত একোখন শাখা স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট অতিথিৰ আসনৰ পৰা মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে প্ৰভাত বৰা বুঢ়া ভকত আৰু ৰাম সাগৰ নাথ, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকাই ভাষণ প্ৰদান কৰে। সভাত মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক মনোজ্যোতি ৰেগন, মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি খগেন হাজৰিকা, মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা, মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা বৰা, প্ৰভাত দাস, ৰুবী গায়ন, ৰবীন শইকীয়া, আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শেষত অসম সংগীতেৰে সভাৰ ভংগ কৰা হয়।

# গোলাঘাট কলেজ তিনিআলিৰ মাৰপিট কাণ্ড

## অভিযুক্তৰ সৈতে কোনো সম্পৰ্ক নাই'- অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২ অক্টোবৰ** ঃ যোৱা ২৭ ছেপ্টেম্বৰৰ নিশা গোলাঘাট কলেজ তিনিআলিত সংঘটিত ঘটনাক অসম ছাত্ৰ পৰিষদ গোলাঘাট জিলা সমিতিয়ে গৰিহণা প্ৰকাশ কৰিছে। কিন্তু উক্ত ঘটনাৰ সৈতে একাংশ স্বাৰ্থান্বেষী ব্যক্তি আৰু সংগঠনে অসম ছাত্ৰ পৰিষদক জড়িত কৰি অপপ্ৰচাৰ চলাই অহাৰ লগতে গোলাঘাটৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ঐতিহ্য আৰু সুনামত আঘাত হানিব বিচৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে। আজি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সভাপতি আৰ্শিষ জ্যোতি পৰাশৰ আৰু সম্পাদক ৰাচিম চৌধুৰীয়ে লগতে কয় সেই দিনা নিশা সংঘটিত ঘটনাটো গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ নিৰ্বাচনকেন্দ্ৰিক ঘটনা নহয়। ঘটনাৰ লগত জড়িত দুয়োজন বাণিজ্য মহাবিদ্যালয়ৰ বাহিৰৰ ব্যক্তি। বিবৃতিটোত তেওঁলোকে কয় অসম ছাত্ৰ পৰিষদ গণতান্ত্ৰিক পৰম্পৰাত বিশ্বাসী। অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰীক উন্নয়ন আৰু আঞ্চলিক চিন্তা চেতনাৰে পৰিচালিত ছাত্ৰ সংগঠ।।অসম ছাত্ৰ পৰিষদে কেতিয়াও হিংসাক প্ৰশ্ৰয় দিয়া নাই। কিছুমান অপশক্তিয়ে এনেবোৰ দুষ্কাৰ্যৰ সৈতে ছাত্ৰ-পৰিষদক জড়িত কৰি অপ-প্ৰচাৰ চলাই আহিছে। তেনে ব্যক্তি আৰু সংগঠনক এনে কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিয়ে। বিবৃতিটোত অসম ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিয়ে এই কথাও উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীসকলৰ আমাৰ প্ৰতি থকা বিশ্বাসৰ বাবেই গোলাঘাটৰ ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয়, হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ লগতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়, কমাৰবন্ধা মহাবিদ্যালয় আৰু ফৰকাটিং মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সমূহত অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীসকল বিপুল ভোটতজয় লাভ কৰিবলৈ সক্ষম হৈছে। গতিকে এনে ঘটনাৰ লগত ছাত্ৰ পৰিষদক জড়িত কৰিব বিচৰাতো জনমানসত হেয় প্ৰতিপন্ন কৰাৰ এক অপচেষ্টাহে বুলি বিবৃতিটোত উল্লেখ কৰে।

NAME CORRECTION

Sworn before Notary Public at Dhubri, dated on 14.09.2026, that my actual and correct name is ABDUL KARIM SARKAR, S/O: SADER UDDIN SARKAR, as recorded in my Aadhaar Card No. 6945 2590 6413 and Farmer ID No. 18_285_6015_280868_005077. But due to bonafide mistake, my name has been written as ABDUL KARIM and my father's name as SADER ALI in my land documents, i.e. Periodic Khiraj Patta vide Patta No. 445, 139 and 57. Both names ABDUL KARIM SARKAR and ABDUL KARIM indicate one and the same person, i.e. myself. Likewise, SADER UDDIN SARKAR and SADER ALI indicate one and the same person, i.e. my father.

AB-186/2026

NAME CORRECTION

Sworn before Notary Public at Sivasagar, dated on 29/09/2016, that my actual and correct name is DEBAKANTA BORAH, S/O: Late Rupeswar Borah, R/O: Lunpuria Gaon, Deopani, Lunpuria, Dist.: Sivasagar, Assam, as recorded in my Voter ID Card No. CXH0023606 and PAN Card No. FKJPB7311D. But in my Aadhaar Card No. 2928 7372 1543, my name has been wrongly recorded as DEBAJIT BORAH. Both DEBAKANTA BORAH and DEBAJIT BORAH are the same and one person, i.e. myself.

AB-185/2026

# মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীত গোলাঘাটত এআইএছএফৰ স্মাৰকপত্ৰ প্ৰদান

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২ অক্টোবৰ** ঃ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত আজি নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন (AISF), গোলাঘাট জিলা পৰিষদে গোলাঘাট জিলাৰ আয়ুক্তৰ যোগেদি ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে উল্লেখ কৰিছে যে ২০২৬ চনৰ ২৩ ছেপ্টেম্বৰত 'The Indian Express'ত প্ৰকাশিত এক অনুসন্ধানী প্ৰতিবেদন অনুসৰি, নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সান্ধু আৰু বিবেক যোশীয়ে ১০ মাহত অন্ততঃ ১৪ বাৰ লিখিতভাৱে আপত্তি দৰ্শাইছে। আপত্তিবোৰ নতুন ভোটাৰ পঞ্জীয়ন, নাম বাদ দিয়া আৰু পুনৰ্বাহাল কৰা, আপীল আৰু ভোটাৰ তথ্যভাণ্ডাৰৰ সুৰক্ষা সম্পৰ্কীয়। প্ৰতিবেদন অনুসৰি আয়ুক্ত দুজনৰ অভিযোগ, এই সিদ্ধান্তবোৰ তেওঁলোকৰ অজ্ঞাতে লোৱা হৈছিল আৰু তেওঁলোকে এনে পদক্ষেপক 'অনুমোদিত আৰু অবৈধ' বুলিও কৈছে। প্ৰতিবেদনত আৰু উল্লেখ আছে যে পশ্চিমবংগত প্ৰায় ১৬ লাখ আপীল কাৰ অনুমোদনত দাখিল হ'ল সেয়া স্পষ্ট নহয়, আৰু গোৱাত ৯৭জন যোগ্য ভোটাৰক চফটৱেৰৰ ত্ৰুটিৰ কাৰণে চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল। এআইএছএফৰ মতে নিৰ্বাচন আয়োগৰ নিৰপেক্ষতা আৰু স্বচ্ছতাৰ ওপৰত জনসাধাৰণৰ বিশ্বাস গণতন্ত্ৰৰ মূল ভিত্তি। এই পৰিপ্ৰেক্ষিততে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰক অথবা সংবিধানসন্মত প্ৰক্ৰিয়াৰে তেওঁক অপসাৰণ কৰা হওক, প্ৰতিবেদনত উল্লিখিত আপত্তি আৰু সিদ্ধান্তবোৰৰ নিৰপেক্ষ তদন্ত কৰা হওক আৰু তথ্য জনসাধাৰণৰ সমুখত প্ৰকাশ কৰা হওক, ভোটাৰ তালিকাৰ পৰা বাদ পৰা প্ৰকৃত ভোটাৰৰ বাবে এটা কাৰ্যক্ষম আপীল ব্যৱস্থা নিশ্চিত কৰা হওক এই তিনিটা দাবীৰে এআইএছএফৰ জিলা সভাপতি অভিলাষ নেওগ আৰু সম্পাদক যদু বৰাৰ স্বাক্ষৰিত স্মাৰক পত্ৰখন প্ৰদান কৰে।

# কচুগাঁও ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ পথ দুৰ্ঘটনা; সংকটজনক দুই বাইক আৰোহী

**অসম বাৰ্তা, গোসাঁইগাঁও,** কোকৰাঝাৰ জিলাৰ কচুগাঁও ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন যুৱক গুৰুতৰভাৱে আহত হয়। গুৱাহাটী অভিমুখে গৈ থকা WB57F1048 নম্বৰৰ এখন ট্ৰাকে পিছফালৰ পৰা AS16P6785 নম্বৰৰ এখন মটৰচাইকেলত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত মটৰচাইকেলখনত থকা দুজন আৰোহী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটো প্ৰত্যক্ষ কৰি ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা ভাৰতীয় সেনা বাহিনীৰ জোৱানসকলে তৎপৰতাৰে আহত দুয়োকে সেনা বাহিনীৰ বাহনত উঠাই কচুগাঁও চিকিৎসালয়লৈ লৈ যায়। চিকিৎসকে দুয়োৰে অৱস্থা সংকটজনক হোৱাৰ বাবে উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। ইফালে, ঘটনাৰ খবৰ লাভ কৰি কচুগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকসহ চালকজনক কচুগাঁও থানালৈ লৈ যায়। আহত বাইক আৰোহী দুজনক টুলুঙা বসুমতাৰী (২৬) আৰু সানলাই বসুমতাৰী(২৭) বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। বাতৰি সংগ্ৰহ কৰাৰ মুহূৰ্তলৈকে যুৱকদ্বয় সংকটজনক অৱস্থাত চিকিৎসাধীন হোৱা বুলি জানিব পৰা গৈছে।

# নিজ বিহালী গাঁও পঞ্চায়তৰ গাঁও সভা অনুষ্ঠিত

**অসম বাৰ্তা, জিনজিয়া, ২ অক্টোবৰ** ঃ বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত নিজবিহালী গাঁও পঞ্চায়তত আজি ২০২৬-২০২৭ বৰ্ষৰ গাঁও সভা অনুষ্ঠিত হয়। নিজ বিহালী গাঁও পঞ্চায়তৰ সচিব অভিষেক দেৱে আতধৰা সভাত পঞ্চায়তৰ সভানেত্ৰী কবিতা হাজৰিকাই সভাপতিত্বত কৰে। এই সভাত চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা অহা কৰ্মচাৰী সকল উপস্থিত থাকি বিভাগীয় আচনিৰ ওপৰত উপস্থিত ৰাইজক অৱগত কৰে। পশুচিকিৎসা বিভাগৰ হৈ যাদৱ ঘিমিৰে, শিক্ষা বিভাগৰ হৈ সঞ্জীৱ হাজৰিকা, ৰাজহ বিভাগৰ হৈ গাঁও প্ৰধান ক্ৰমে যদু কৈৰালা, শৰৎ হাজৰিকা আৰু অনুপ পোখ্ৰেল, স্বাস্থ্যবিভাগৰ হৈ ৰঞ্জু দাস, সমাজ কল্যাণ বিভাগৰ হৈ অৱণী হাজৰিকা, কৃষি বিভাগৰ পৰা অহা পংকজ শৰ্মাই আৰুএন আৰ এম এলৰ অহা কৰ্মচাৰী সকলে নিজৰ নিজৰ বিভাগত চলি থকা আচনি আৰু জনসাধাৰণৰ সুবিধাৰ ওপৰত উল্লেখ কৰে। তেওঁলোকে জনসাধাৰণক চৰকাৰে গ্ৰহণ কৰা কল্যাণ মুলক আচনি পঞ্চায়তৰ যোগেদি গ্ৰহণ কৰিবৰ বাবে আহ্বান জনায়। আনহাতে আজি দুই অক্টোবৰ গান্ধীজয়ন্তী আৰু গান্ধী জয়ন্তীৰ দিনাই স্বচ্ছাতাৰ ওপৰত সাংবাদিক খগেন মটকে বক্তব্য প্ৰদান কৰে।

## বামুণীৰ কঠালগুৰিত প্ৰকাণ্ড অজগৰ উদ্ধাৰ

**অসম বাৰ্তা, নগাঁও, ২ অক্টোবৰ** ঃ নগাঁও জিলাৰ বড়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণীৰ কঠালগুৰিত যোৱা নিশা উদ্ধাৰ কৰা হয় এডাল প্ৰকাণ্ড অজগৰ সাপ। স্থানীয় লোকে কঠালগুৰি অঞ্চলত অজগৰটো প্ৰত্যক্ষ কৰাৰ পিছতে অৰণ্য সুৰক্ষা সমিতিৰ বিষয়ববীয়া উত্তম চাংমাক খবৰ দিয়ে। খবৰ লাভ কৰি ঘটনাস্থলীত উপস্থিত হৈ উত্তম চাংমাই অজগৰটো সুৰক্ষিতভাৱে উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত চাপানলা বন খণ্ড বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মীসকলৰ সহযোগত উদ্ধাৰ কৰা অজগৰটো আজি চাপানলা বনাঞ্চলত নিৰাপদে মুকলি কৰি দিয়া হয়।

অৱসৰৰ ২৪ ঘণ্টাৰ ভিতৰতে ১২ গৰাকী শিক্ষক-কৰ্মচাৰীক প্ৰভিজনেল পেঞ্চন প্ৰদান

## ওদালগুৰিৰ শিক্ষা বিভাগৰ প্ৰশংসনীয় পদক্ষেপ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা,** অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ পেঞ্চন প্ৰদানৰ ক্ষেত্ৰত ওদালগুৰি জিলাৰ শিক্ষা বিভাগে গ্ৰহণ কৰিছে এক প্ৰশংসনীয় পদক্ষেপ। অৱসৰ গ্ৰহণৰ ২৪ ঘণ্টাৰ ভিতৰতে প্ৰভিজনেল পেঞ্চন প্ৰদানৰ ব্যৱস্থাৰে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক সকাহ প্ৰদানৰ প্ৰয়াস কৰিছে ওদালগুৰি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে। শৈক্ষিক খণ্ডলৈ দীৰ্ঘদিন ধৰি আগবঢ়াই অহা সেৱাৰ অন্তত অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকল যাতে পেঞ্চনৰ বাবে দীঘলীয়া সময় অপেক্ষা কৰিব লগীয়া নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে অৱসৰৰ সময়তে শিক্ষক-কৰ্মচাৰীসকলে তেওঁলোকৰ প্ৰভিজনেল পেঞ্চনৰ নথি লাভ কৰাৰ সুবিধা লাভ কৰিছে। ইয়াৰ অংশ হিচাপে আজি ওদালগুৰিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় এক বিশেষ অনুষ্ঠান। অনুষ্ঠানত মুঠ ১২ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক প্ৰভিজনেল পেঞ্চনৰ ফাইল আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক আৰনাইৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতে ওদালগুৰিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৰেন দেউৰীয়ে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলৰ হাতত প্ৰভিজনেল পেঞ্চনৰ ফাইল তুলি দিয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৰেন দেউৰীয়ে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া সেৱা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ শলাগ লয়। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলৰ ভৱিষ্যৎ জীৱনৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে, অৱসৰৰ ২৪ ঘণ্টাৰ ভিতৰতে প্ৰভিজনেল পেঞ্চনৰ ফাইল লাভ কৰি সন্তুষ্টি প্ৰকাশ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলে। পেঞ্চনৰ বাবে সাধাৰণতে অপেক্ষা কৰিবলগীয়া পৰিস্থিতিৰ বিপৰীতে অৱসৰৰ সময়তে এই সুবিধা লাভ কৰাত তেওঁলোকে শিক্ষা বিভাগৰ পদক্ষেপক আদৰণি জনায়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলে কয় যে, চাকৰি জীৱনৰ অন্তিম সময়ত বিভাগীয়ভাৱে সন্মান জনোৱাৰ লগতে অৱসৰৰ ২৪ ঘণ্টাৰ ভিতৰতে প্ৰভিজনেল পেঞ্চনৰ ব্যৱস্থা কৰাটো তেওঁলোকৰ বাবে এক আনন্দৰ বিষয় বুলি উল্লেখ কৰে। ইয়াৰ বাবে শিক্ষা বিভাগ আৰু চৰকাৰক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে পেঞ্চনৰ নথি প্ৰস্তুত আৰু প্ৰদানৰ কাম সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী সকলকো প্ৰশংসা কৰে। বিশেষকৈ অৱসৰ গ্ৰহণৰ সময়তে পেঞ্চনৰ নথি লাভ কৰাৰ ফলত অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰীসকলে ভৱিষ্যৎ জীৱনৰ আৰ্থিক পৰিকল্পনা অধিক সহজে কৰিব পাৰিব বুলি অৱসৰী শিক্ষক সকলে আশা প্ৰকাশ কৰে। অনুষ্ঠানত ওদালগুৰিৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক ভৰেন দেউৰী, উপ-পৰিদৰ্শক পিটাৰ চৌধুৰী, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সনামাইনাও বড়োৰ লগতে শিক্ষা বিভাগৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

সভাপতি-সাধাৰণ সম্পাদকসহ ৯টা পদত UDSF সমৰ্থিত প্ৰাৰ্থীৰ জয়, বিজয়ীসকলক আজমলৰ শুভেচ্ছা

## হাজী আনফৰ আলী কলেজত ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

**অসম বাৰ্তা, ডবকা, ২ অক্টোবৰ** ঃডবকাৰ হাজী আনফৰ আলী কলেজত ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আজি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পিছত দিনৰ ১ বজাৰ পৰা ভোটগণনা আৰম্ভ হয়। সন্ধিয়া প্ৰায় ৫:৩০ বজাত কলেজ কৰ্তৃপক্ষই নিৰ্বাচনৰ ফলাফল ঘোষণা কৰে। ফলাফল ঘোষণাৰ পিছতে কলেজ চৌহদত ছাত্ৰ-ছাত্ৰীৰ মাজত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। ঘোষিত ফলাফল অনুসৰি, AIUDFৰ ভাতৃ সংগঠন UDSFৰ সমৰ্থিত প্ৰাৰ্থীয়ে সভাপতি আৰু সাধাৰণ সম্পাদককে ধৰি মুঠ ৯টা পদত জয়লাভ কৰে। সভাপতি পদত ওৱাৰিছ আহমেদ আৰু সাধাৰণ সম্পাদক পদত মুজাইদুল ইছলাম নিৰ্বাচিত হয়। আনহাতে, তিনিটা পদত ABVPৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে এটা পদত ACPৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। মুঠ ১৩টা পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনত বিজয়ী প্ৰাৰ্থীসকল হৈছে— সভাপতি ওৱাৰিছ আহমেদ, উপ-সভাপতি দ্বিপজ্যোতি বৰ্ধন, সাধাৰণ সম্পাদক মুজাইদুল ইছলাম, সহঃ সাধাৰণ সম্পাদক মেহফুজ আহমেদ চৌধুৰী, সাংস্কৃতিক পৰিক্ৰমা সম্পাদক ইকৰাম হুছেইন, সহকাৰী সাংস্কৃতিক পৰিক্ৰমা সম্পাদিকা ছিমৰণ ঘোষ, ক্ৰীড়া সম্পাদক আয়ুব আনছাৰ, সহকাৰী ক্ৰীড়া সম্পাদক জাহিৰ আলম, তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকা অংকিতা দাস, সমাজ সেৱা আৰু ছাত্ৰ-ছাত্ৰীৰ কল্যাণ সম্পাদিকা আবিদা বেগম, ছোৱালীৰ জিৰণি কোঠালী সম্পাদিকা হাবিবা বেগম, ল'ৰাৰ জিৰণি কোঠা সম্পাদক ছাদিকুল ইছলাম আৰু কলেজ আলোচনী সম্পাদক ছাহিদ আলম। নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত বিজয়ী প্ৰাৰ্থীসকলৰ সমৰ্থকসকলৰ মাজত উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। ইপিনে, কলেজখনৰ ছাত্ৰ সংগঠন UDSFৰ সমৰ্থিত ৯ গৰাকী প্ৰাৰ্থীয়ে সভাপতি, সাধাৰণ সম্পাদককে ধৰি বিভিন্ন পদত জয়লাভ কৰাত AIUDFৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে ভিডিঅ' কলযোগে বিজয়ী প্ৰাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি প্ৰতিগৰাকীকে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।

## হাজোত জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, হাজো, ২ অক্টোবৰ** ঃ জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চ, হাজোৰ উদ্যোগত আজি হাজো ওঁজাটোলাস্থিত জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ কাৰ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে 'আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস' উদ্‌যাপন কৰা হয়। সমাজত জ্যেষ্ঠ নাগৰিকসকলৰ বৰঙনি, তেওঁলোকৰ অধিকাৰ আৰু তেওঁলোকে মুখামুখি হোৱা বিভিন্ন সমস্যাৰ প্ৰতি ৰাইজক সচেতন কৰাৰ উদ্দেশ্যে হাজোত আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ আয়োজন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস উপলক্ষে পুৱাৰ ভাগত সংস্থাৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চ হাজোৰ সভাপতি হাঁহিৰাম কলিতাই। ইয়াৰ পিছতে সমাজৰ প্ৰয়াত জ্যেষ্ঠ নাগৰিকসকলৰ স্মৰণত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰী বন বিষয়া মোহন চন্দ্ৰ মালাকাৰে। পৰৱৰ্তী সময়ত হাঁহিৰাম কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৃপেন কুমাৰ ভাগৱতীয়ে নিজৰ ভাষণত কয় যে, বৰ্তমানৰ ক্ষিপ্ৰ পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত জ্যেষ্ঠ নাগৰিকসকল প্ৰায়ে অৱহেলাৰ স্বীকাৰ হয়। গতিকে, পৰিয়াল আৰু সমাজত তেওঁলোকৰ নিৰাপত্তা, স্বাস্থ্যসেৱা আৰু সন্মান নিশ্চিত কৰাটো অতি জৰুৰী। আধুনিক প্ৰজন্মই বয়োজ্যেষ্ঠসকলৰ অভিজ্ঞতা আৰু জ্ঞানৰ পৰা শিক্ষা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰা হয় মুকলি সভাত। আনহাতে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ প্ৰাক্তন উপ অধিবক্তা প্ৰভাত চন্দ্ৰ মালাকৰ। অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ স্বীকৃতিপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ হাজোৰ সম্পাদক কৃষ্ণকান্ত ঠাকুৰীয়াসহিতে সমিতিৰ বিষয়ববীয়াসকলে আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ কাৰ্যসূচীত উপস্থিত থকা প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকক আদৰণি জনায় সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু হোৱাৰ কামনা কৰি সকলোকে জ্যেষ্ঠ নাগৰিক আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে।

দুজন আহত, এজন অৱস্থা সংকটজনক

## চেলেংহাটত সুৰাৰ ৰাগীত হোৱা পাৰিবাৰিক কন্দলৰ ভয়ঙ্কৰ পৰিণতি

**অসম বাৰ্তা, চেলেংহাট, ২ অক্টোবৰ** ঃ যোৰহাট জিলাৰ চেলেংহাটত পাৰিবাৰিক কন্দলৰ পৰা সৃষ্টি হোৱা এক ৰক্তাক্ত সংঘৰ্ষত দুজন লোক গুৰুতৰভাৱে আহত হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটো যোৱা নিশা সংঘটিত হয়। ঘটনাৰ বিৱৰণী অনুসৰি, চেলেংহাট কুকুৰাচোৱা গাঁৱৰ সঞ্জয় বৰাই নিশা সুৰাৰ ৰাগীত নিজ পত্নীৰ সৈতে বাক-বিতণ্ডাত লিপ্ত হৈছিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সম্বন্ধীয় ভাতৃ চিৰঞ্জীৱ বৰাই সঞ্জয়ক বুজাবলৈ চেষ্টা কৰিছিল। কিন্তু এই প্ৰচেষ্টাই শেষত অধিক উত্তেজনাময় পৰিস্থিতিৰ ৰূপ লয়। অভিযোগ অনুসৰি, সেই সময়তে সঞ্জয় বৰাৰ আন দুই ভাতৃ কৃষ্ণ বৰা আৰু ৰাজু বৰাই চিৰঞ্জীৱ বৰাক আক্ৰমণ কৰে। ইয়াৰ পিছত দুয়ো পক্ষৰ মাজত তীব্ৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ আৰম্ভ হয় আৰু পৰিস্থিতি ৰক্তাক্ত ৰূপ ধাৰণ কৰে। সংঘৰ্ষত কৃষ্ণ বৰা আৰু চিৰঞ্জীৱ বৰা গুৰুতৰভাৱে আহত হয়। স্থানীয় লোকৰ তৎপৰতাত আহত দুয়োজনকে নিশাই টীয়ক এফ.আৰ.ইউ.লৈ নিয়া হয়। প্ৰাথমিক স্বাস্থ্য পৰীক্ষাৰ পিছত কৃষ্ণ বৰাৰ অৱস্থা সংকটজনক হোৱাত তেওঁক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। চিৰঞ্জীৱ বৰাৰো চিকিৎসা চলি আছে বুলি জানিব পৰা গৈছে। ঘটনাটোৱে স্থানীয় ৰাইজৰ মাজত উদ্বেগ সৃষ্টি কৰিছে। ঘটনাৰ প্ৰকৃত কাৰণ আৰু সংঘৰ্ষৰ আঁৰৰ পৰিস্থিতি সম্পৰ্কে অধিক তথ্য এতিয়াও পোহৰলৈ অহা নাই।

## নাজিৰাত গান্ধী জয়ন্তী উদ্‌যাপন আৰু গাঁও সভা অনুষ্ঠিত

**অসম বাৰ্তা, গেলেকী, ২ অক্টোবৰ** ঃ সমগ্ৰ দেশৰ লগতে নাজিৰা সমজিলাৰ অন্তৰ্গত নাজিৰা গাঁও পঞ্চায়তো মঙলবাৰে গান্ধী জয়ন্তী উলহ-মালহেৰে উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানৰ শুভাৰম্ভণি কৰে পঞ্চায়তৰ সভানেত্ৰী ৰূপা মহন্তই। পুৱা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিৰ ৰাজহুৱা প্ৰতিচ্ছবিৰ সমুখত বন্তিপ্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে পঞ্চায়তৰ সভানেত্ৰী গৰাকীৰ লগতে উপস্থিত অন্যান্য গণ্য-মান্য ব্যক্তিসকলেও। পুৱাৰ বন্তি প্ৰজ্বলন অনুষ্ঠানৰ পিছতেই নাজিৰা পঞ্চায়ত প্ৰেক্ষাগৃহত এখন বিশেষ গাঁও সভা অনুষ্ঠিত হয়। নাজিৰা গাঁও পঞ্চায়তৰ সচিব দিপাঞ্জল চুতীয়াই আঁতধৰা আৰু সভানেত্ৰী ৰূপা মহন্তৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বিভিন্ন চৰকাৰী বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে। বিশেষকৈ জনস্বাস্থ্য কাৰিকৰী বিভাগ, পশু চিকিৎসা বিভাগ, কৃষি বিভাগ আৰু জলসম্পদ বিভাগৰ বিষয়াসকলে নিজ নিজ বিভাগীয় আঁচনিসমূহ আৰু ইয়াৰ কাৰ্যপন্থাৰ বিষয়ে বিশদভাৱে অৱগত কৰাৰ লগতে উপস্থিত ৰাইজৰ সৈতে মত বিনিময় কৰে। উক্ত সভাত আঞ্চলিক পঞ্চায়তৰ সদস্যা ভাগ্যশ্ৰী সন্দিকৈ, নাজিৰা গাঁও পঞ্চায়তৰ উপ-সভাপতি পবিত্ৰ গগৈৰ লগতে বিভিন্ন ৱাৰ্ডৰ সদস্যাসকল, পঞ্চায়তৰ কৰ্মচাৰী আৰু বহুসংখ্যক স্থানীয় ৰাইজ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। গাঁও সভাত ৰাইজৰ বিভিন্ন সমস্যাৰ কথা মনোযোগসহকাৰে শুনি সমাধানৰ বাবে আলোচনা কৰাৰ উপৰি আগন্তুক দিনৰ নিৰ্ধাৰিত উন্নয়নমূলক আঁচনিসমূহৰ বিষয়েও ৰাইজক অৱগত কৰা হয়। অনুষ্ঠানৰ শেষৰ পৰ্যায়ত উপস্থিত সকলোকে স্বচ্ছতাৰ ওপৰত বিশেষ শপত বাক্য পাঠ কৰোৱা হয়। অনুষ্ঠানৰ শেষত সমবেতভাৱে অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে কাৰ্যসূচীৰ অন্ত পৰে।

অসমৰ ভিতৰত লক্ষ্য সম্পূৰ্ণ কৰা দ্বিতীয়খন জিলা হিচাপে ৰাজ্যিক পৰ্যায়ত গোলাঘাট স্বাস্থ্য বিভাগলৈ সন্মান

## এইচ পি ভি টিকাকৰণত গোলাঘাটৰ ১০০ শতাংশ সাফল্য

**অসম বাৰ্তা, নুমলীগড়, ২ অক্টোবৰ** ঃ ছোৱালীসকলক জৰায়ুমুখৰ (Cervical) কৰ্কট ৰোগৰ পৰা সুৰক্ষিত কৰাৰ লক্ষ্যৰে চলোৱা এইচ পি ভি (Human Papillomavirus) টিকাকৰণ অভিযানত গোলাঘাট জিলাই ১০০ শতাংশ লক্ষ্য পূৰণ কৰি ৰাজ্যখনৰ ভিতৰত এক উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ)ৰ দ্বাৰা নিৰ্ধাৰিত লক্ষ্য সম্পূৰ্ণ কৰি গোলাঘাটে অসমৰ ভিতৰত ১০০ শতাংশ এইচপিভি টিকাকৰণ সম্পূৰ্ণ কৰা দ্বিতীয়খন জিলা হিচাপে স্বীকৃতি লাভ কৰিছে। এই সাফল্যৰ স্বীকৃতি হিচাপে ২৯ ছেপ্টেম্বৰত গুৱাহাটীৰ ৰেডিছন ব্লু হোটেলত অনুষ্ঠিত এইচপিভি টিকাকৰণ অভিযান আৰু নিয়মীয়া প্ৰতিষেধন সন্দৰ্ভত দুদিনীয়া ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা তথা অভিমুখীকৰণ সভাত গোলাঘাট স্বাস্থ্য বিভাগক পুৰস্কৃত কৰা হয়। দুদিনীয়া ৰাজ্যিক কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত অসমৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংঘলে গোলাঘাট জিলাৰ প্ৰতিষেধন বিষয়া ডা. কবিতা উজীৰ, জিলা আঁচনি প্ৰবন্ধক অনুষ্কা বৰা আৰু ভেকচিন লজিষ্টিক তথা ক'ল্ড চেইন মেনেজাৰ কে. ৰেংমাকক বঁটা আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, ১৮ জুলাই, ২০২৬ তাৰিখে স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ)ৰ দ্বাৰা নিৰ্ধাৰিত লক্ষ্যৰ ১০০ শতাংশ এইচপিভি টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ সক্ষম হয় গোলাঘাট জিলাই। ৰাজ্যিক পৰ্যায়ৰ পৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত এই লক্ষ্যত উপনীত হৈ জিলাখনে টিকাকৰণ অভিযানৰ ক্ষেত্ৰত উল্লেখযোগ্য দক্ষতা প্ৰদৰ্শন কৰে। এইচপিভি হৈছে মানৱদেহত সংক্ৰমণ ঘটাব পৰা এটা ভাইৰাছ, যাৰ কিছুমান প্ৰকাৰ জৰায়ুমুখৰ কৰ্কট ৰোগৰ সৈতে সম্পৰ্কিত। সেয়ে উপযুক্ত বয়সত এইচপিভি টিকাকৰণে ভৱিষ্যতে ছোৱালীসকলক জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গোলাঘাট জিলাৰ ১০০ শতাংশ লক্ষ্য পূৰণে ছোৱালীসকলৰ ভৱিষ্যৎ স্বাস্থ্য সুৰক্ষাৰ দিশত এক উল্লেখযোগ্য অগ্ৰগতি হিচাপে বিবেচিত হৈছে। এই সফলতাৰ আঁৰত জিলাখনৰ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আঁচনি পৰিচালনা গোট, প্ৰতিষেধন কাৰ্যসূচীৰ সৈতে জড়িত কৰ্মী, তৃণমূল পৰ্যায়ৰ স্বাস্থ্যকৰ্মী আৰু অন্যান্য




সংশ্লিষ্ট কৰ্মীৰ সমন্বিত প্ৰচেষ্টাক বিশেষভাৱে কৃতিত্ব দিয়া হৈছে। বিশেষকৈ জিলাখনৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰ আৰু তৃণমূল পৰ্যায়ত টিকাকৰণৰ লক্ষ্য নিৰ্ধাৰণ, যোগ্য হিতাধিকাৰী চিনাক্তকৰণ, টিকাৰ যোগান আৰু সংৰক্ষণ, ক'ল্ড-চেইন ব্যৱস্থাপনা, টিকাকৰণৰ তথ্য সংৰক্ষণ তথা অনুসৰণ আদিৰ ক্ষেত্ৰত স্বাস্থ্যকৰ্মীসকলে পালন কৰা দায়িত্বই এই সফলতাত সহায় কৰিছে। গুৱাহাটীত অনুষ্ঠিত দুদিনীয়া ৰাজ্যিক পৰ্যায়ৰ সভাখনত এইচপিভি টিকাকৰণ অভিযানৰ অগ্ৰগতিৰ লগতে নিয়মীয়া প্ৰতিষেধন কাৰ্যসূচীৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়। ৰাজ্যখনৰ বিভিন্ন জিলাৰ প্ৰতিষেধন কাৰ্যসূচীৰ অগ্ৰগতি, লক্ষ্য পূৰণ, লজিষ্টিক ব্যৱস্থাপনা আৰু ক'ল্ড-চেইন ব্যৱস্থাৰ ওপৰতো আলোচনা কৰা হয়। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালক, স্বাস্থ্য সেৱা সঞ্চালক (পৰিয়াল কল্যাণ), অসমৰ লগতে স্বাস্থ্য বিভাগৰ অন্যান্য জ্যেষ্ঠ প্ৰশাসনিক আৰু চিকিৎসা বিষয়াসকল উপস্থিত থাকে। গোলাঘাট স্বাস্থ্য বিভাগে লাভ কৰা এই ৰাজ্যিক স্বীকৃতিয়ে জিলাখনৰ প্ৰতিষেধন ব্যৱস্থাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলক অধিক উৎসাহিত কৰাৰ লগতে ছোৱালীসকলৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত ভৱিষ্যতেও এনে জনস্বাস্থ্য অভিযান অধিক সফলতাৰে ৰূপায়ণ কৰাৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে।

## তেজপুৰত ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস উদ্‌যাপন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ অক্টোবৰ** ঃ আজি ১ অক্টোবৰ, ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস। ১৯৭৫ চনৰ পৰা ভাৰতবৰ্ষত এই দিৱস পালন কৰি অহা হৈছে। আজি এই দিৱস উপলক্ষে তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস উপলক্ষে এক সজাগতা ৰেলীৰ আয়োজন কৰা হয়। শোণিতপুৰ জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকে সজাগতা ৰেলীখন আনুষ্ঠানিকভাৱে মুকলি কৰে। এই ৰেলীত কনকলতা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ আৰ চি গোস্বামী, চিকিৎসালয়খনৰ নাৰ্চ, স্বাস্থ্যকৰ্মী তথা এছ এছ বিৰ জোৱানসকলে অংশগ্ৰহণ কৰে। ইয়াৰ সমান্তৰালভাৱে কনকলতা অসামৰিক চিকিৎসালয়ৰ ব্লাড চেণ্টাৰত এক ৰক্তদান শিবিৰো আয়োজন কৰা হয়। এই ৰক্তদান শিবিৰত সুস্থ আৰু ৰক্তদানৰ বাবে উপযুক্ত প্ৰতিগৰাকী লোককে স্বেচ্ছাই ৰক্তদান কৰি এই মহান কাৰ্যসূচী সফল কৰি তুলিবলৈ আহ্বান জনায় শোণিতপুৰ জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকে।

## হাউলীত আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস পালন

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২ অক্টোবৰ** ঃ বৃহত্তৰ হাউলী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত আজি হাউলীত আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱস পালন কৰা হয়। সমাজৰ জ্যেষ্ঠ নাগৰিকসকলৰ অৱদানৰ প্ৰতি সন্মান, তেওঁলোকৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰা তথা জীৱনৰ অভিজ্ঞতাৰে সমৃদ্ধ এইসকল ব্যক্তিৰ প্ৰতি সামাজিক দায়বদ্ধতা জাগ্ৰত কৰাৰ উদ্দেশ্যে দিৱসটো পালন কৰা হয়। উল্লেখ্য যে, জ্যেষ্ঠ নাগৰিকসকল এখন সমাজৰ অভিজ্ঞতা, ঐতিহ্য আৰু মূল্যবোধৰ অন্যতম বাহক। তেওঁলোকৰ জীৱনজোৱা অভিজ্ঞতা আৰু ত্যাগে নতুন প্ৰজন্মক সঠিক পথৰ সন্ধান দিয়াৰ লগতে সমাজ গঠনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে তেওঁলোকৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন, নিৰাপত্তা নিশ্চিত কৰা আৰু সুস্থ-সন্মানজনক জীৱন যাপনৰ পৰিৱেশ সৃষ্টি কৰাটো প্ৰতিগৰাকী নাগৰিকৰ নৈতিক দায়িত্ব। আন্তঃৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ তাৎপৰ্য কেৱল এদিনীয়া উদ্‌যাপনতে সীমাবদ্ধ নহয়; বৰং জ্যেষ্ঠ নাগৰিকসকলৰ সমস্যা, অধিকাৰ, স্বাস্থ্য, সামাজিক সুৰক্ষা আৰু মানসিক সুস্থতাৰ প্ৰতি সমাজৰ দৃষ্টি আকৰ্ষণ কৰাটোহে এই দিৱসৰ মূল উদ্দেশ্য। বৃহত্তৰ হাউলী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এই পদক্ষেপে সমাজত জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি সন্মান, সহমৰ্মিতা আৰু দায়িত্ববোধৰ পৰিৱেশ অধিক শক্তিশালী কৰাত ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## বটিয়ামাৰী মজলীয়া বিদ্যালয় প্ৰধান শিক্ষক কপিলমুণি হুমগাইৰ বিদায় সভা



**অসম বাৰ্তা, জিনজিয়া, ২ অক্টোবৰ** ঃ বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ বটিয়ামাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক কপিলমুণি হুমগাইৰ কালি ৩০ চেপ্তেম্বৰ তাৰিখে বিদায় সম্বৰ্ধনা সভা বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰামকৃষ্ণ কট্টেলৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে বিদ্যালয়ৰ জেষ্ঠ শিক্ষক গজেন শৰ্মাই। সভাত বিদ্যালয় খনৰ প্ৰাক্তন প্ৰধান শিক্ষক কমল অধিকাৰী, টঙ্ক উপাধ্যায়, হাতীবন্ধা মজলীয়া বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক সোমনাথ পোখ্ৰেল, জয়মতী হাইস্কুলৰ শিক্ষক নাৰায়ণ আচাৰ্য, কাশীনাথ উপাধ্যায়, অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী তৃপ্তি চৰকাৰ, বিহালী শিক্ষা খণ্ডৰ বটিয়ামাৰী সমল কেন্দ্ৰৰ সম্বয়ক পুতুল দাস, অঞ্চলটোৰ প্ৰায় সংখ্যক বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী, সদ্য বিদায়ী শিক্ষক গৰাকীৰ পৰিয়ালবৰ্গ আৰু ভালে সংখ্যক স্থানীয় লোকে অংশগ্ৰহণ কৰে। ১৯৯২ চনত গহপুৰত বিজ্ঞান শিক্ষক হিচাপে নিযুক্তি লাভ কৰি বদলিকৰণৰ জৰিয়তে জয়মতী হাইস্কুল আৰু ১৯৯৭ চনৰ পৰা ৩০ চেপ্তেম্বৰ অৱসৰকালিন সময়লৈকে বটিয়ামাৰী মজলীয়া বিদ্যালয়ত সহকাৰী শিক্ষক আৰু ২০১৯ চনৰ পৰা প্ৰধান শিক্ষক হিচাপে কৰ্তব্যৰত আছিল। সভাত বিভিন্ন জনে তেখেতৰ গুণৰাজী উপস্থাপন কৰি বক্তব্য প্ৰদান কৰে। শেষত অৱসৰি শিক্ষক গৰাকীয়ে বিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি আবেগ সম্বলিত বক্তব্য প্ৰদান কৰে। সভাত বটিয়ামাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী গোট, পৰিচালনা সমিতি, নেপালীবৰী টি ফেক্টৰীৰ স্বত্বাধীকাৰী, বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী আৰু অভিভাৱক সকলে শিক্ষক কপিলমণি হুমগাইক সম্বৰ্ধনা পত্ৰ, গামোচা, ছাতি, লাঠী, শৰাই, কিতাপৰ টোপোলা, ফুলৰ থোপা আদি বিভিন্ন উপহাৰেৰে সম্বৰ্ধনা জনায়।

গহপুৰত মানৱতাৰ অনন্য নিদৰ্শন - আৰ্তজনৰ কাষত তেলিয়াচুকৰ মানৱদৰদী যুৱক

## জহি-খহি যোৱা ঘৰলৈ আশাৰ পোহৰ

### চকুপানীৰে ভৰা জীৱনলৈ হাঁহি কঢ়িয়াই আনিলে বৰঙাবাৰীৰ প্ৰণৱজ্যোতি ভূঞাই

**অসম বাৰ্তা, গহপুৰ, ২ অক্টোবৰ** ঃ এখন জহি-খহি যোৱা ঘৰ। বৰষুণ আহিলেই ভয়, ধুমুহা আহিলেই আতংক। মূৰ গুঁজিবলৈ আছিল যদিও সেই ঘৰখনেই যেন প্ৰতিটো মুহূৰ্ততে কঢ়িয়াই আনিছিল বিপদৰ আশংকা। অভাৱ-অনাটন আৰু অসহায়ত্বৰ মাজত দিন পাৰ কৰি অহা এগৰাকী মানুহৰ বাবে এখন নিৰাপদ চালি যেন হৈ পৰিছিল এক অলীক সপোন। কিন্তু কেতিয়াবা কোনোবাই সেই সপোনক বাস্তৱৰ ৰূপ দিয়ে। কেতিয়াবা আনৰ চকুৰ পানী নিজৰ চকুৰ পানী বুলি অনুভৱ কৰা কোনো এজন মানুহ আগবাঢ়ি আহে। তেনে এক মানৱীয়তাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিলে গহপুৰ সমজিলাৰ বৰঙাবাৰীৰ তেলিয়াচুকৰ যুৱক প্ৰণৱজ্যোতি ভূঞাই। ছয়দুৱাৰ উন্নয়ন খণ্ডৰ উত্তৰ ঘাঁহিগাঁৱৰ অসহায় লোক লোকেশ্বৰ সন্দিকৈৰ জীৱনলৈ নামি অহা দুৰ্দশাৰ এখন কৰুণ ছবি শেহতীয়াকৈ পোহৰলৈ আহিছিল সামাজিক মাধ্যম যোগে। জীৱনৰ বাটত সংগ্ৰাম কৰি কৰি ভাগৰি পৰা লোকেশ্বৰ সন্দিকৈৰ বাবে নিজৰ ঘৰখনেই হৈ পৰিছিল এক অনিশ্চিত আশ্ৰয়। জহি-খহি যোৱা গৃহটোৰ অৱস্থা ইমানেই শোচনীয় আছিল যে প্ৰতিকূল বতৰত তাত থকাটোও হৈ পৰিছিল বিপজ্জনক। দুৰ্দশাৰ সেই ছবিখন হয়তো বহুজনেই দেখিছিল। কিন্তু সেই ছবিখনৰ আঁৰত লুকাই থকা মানুহজনৰ অসহায় চকুযুৰিয়ে যেন গভীৰভাৱে স্পৰ্শ কৰিলে মানৱদৰদী যুৱক প্ৰণৱজ্যোতি ভূঞাক। সামাজিক দায়বদ্ধতা আৰু মানৱতাৰ সেই আহ্বানক সঁহাৰি জনাই প্ৰণৱজ্যোতি ভূঞাই লোকেশ্বৰ সন্দিকৈৰ কাষত থিয় দিলে। নিজৰ উদ্যোগ আৰু সামৰ্থ্যৰে জৰাজীৰ্ণ ঘৰটোৰ মেৰামতিৰ কাম হাতত ল'লে। ধ্বংসৰ দিশে গতি কৰা ঘৰখনক পুনৰ বাসোপযোগী কৰি তোলাৰ প্ৰচেষ্টাৰে তেওঁ যেন এগৰাকী অসহায় মানুহৰ জীৱনলৈ নতুনকৈ আশাৰ দুৱাৰ মুকলি কৰিলে। এয়া কেৱল এখন ঘৰ মেৰামতিৰ কাহিনী নহয়। এয়া এগৰাকী মানুহৰ জীৱনলৈ নিৰাপত্তা ঘূৰাই অনাৰ কাহিনী। এয়া এগৰাকী অসহায় ব্যক্তিৰ চকুপানীৰ বিপৰীতে এখন সহায়ৰ হাত আগবঢ়োৱাৰ কাহিনী। এয়া মানুহৰ প্ৰতি মানুহৰ দায়বদ্ধতাৰ কাহিনী। এসময়ত যিখন ঘৰৰ চালিৰ তলত বৰষুণৰ টোপাল গণি নিশা পাৰ কৰিবলগীয়া হৈছিল, সেই ঘৰখনতে এতিয়া কিছু হ'লেও নিৰাপদে মূৰ গুঁজিব পাৰিব লোকেশ্বৰ সন্দিকৈ। জীৱনৰ সকলো সমস্যাৰ সমাধান হয়তো এই সহায়ে কৰিব নোৱাৰে, কিন্তু তেওঁৰ মনত যে নতুনকৈ আশাৰ জন্ম দিছে, সেয়া নিশ্চিত। প্ৰণৱজ্যোতি ভূঞাৰ এই পদক্ষেপে ইতিমধ্যে অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত প্ৰশংসা লাভ কৰিছে। আজিৰ ব্যস্ত আৰু আত্মকেন্দ্ৰিক সমাজতো যে আনৰ দুখত দুখী হোৱা মানুহ আছে, আনৰ বিপদত নিজৰ সামৰ্থ্য অনুসৰি আগবাঢ়ি অহা মানুহ আছে—এই ঘটনাই যেন তাকেই পুনৰবাৰ সোঁৱৰাই দিলে। এখন ভগ্নপ্ৰায় ঘৰ মেৰামতি কৰি দিয়াৰ মাজেৰে প্ৰণৱজ্যোতি ভূঞাই হয়তো এটা পৰিয়ালৰ জীৱন সম্পূৰ্ণৰূপে সলনি কৰি দিয়া নাই। কিন্তু তেওঁ এটা গুৰুত্বপূৰ্ণ কাম কৰিছে—এজন অসহায় মানুহক অনুভৱ কৰাইছে যে তেওঁ অকলশৰীয়া নহয়। সমাজত ডাঙৰ ডাঙৰ কামৰ চৰ্চা হয়, সফলতাৰ কাহিনী লিখা হয়। কিন্তু কোনোবাই নীৰৱে আন এজনৰ চকুপানী মচি দিয়াৰ কাহিনীবোৰেই হয়তো মানৱতাৰ প্ৰকৃত সৌন্দৰ্য বহন কৰে। লোকেশ্বৰ সন্দিকৈৰ জৰাজীৰ্ণ ঘৰখনলৈ অহা এই নতুন ৰূপটোৱে সেয়ে যেন কেৱল এটা ঘৰৰ পৰিৱৰ্তন নকৰে—ই সমাজৰ মানুহৰ মনলৈও এক প্ৰশ্ন এৰি যায়। প্ৰণৱজ্যোতি ভূঞাৰ এই নিঃস্বাৰ্থ পদক্ষেপে সেই প্ৰশ্নৰ এটা সুন্দৰ উত্তৰ দি গ'ল। মানুহৰ বাবে মানুহ—ইয়াতকৈ ডাঙৰ পৰিচয় আৰু কি হ'ব পাৰে? আৰ্তজনৰ চকুপানী মচি, ভগ্ন আশ্ৰয়লৈ নিৰাপত্তা ঘূৰাই দি আৰু এটা অসহায় জীৱনলৈ আশাৰ পোহৰ কঢ়িয়াই আনি প্ৰণৱজ্যোতি ভূঞাই যেন আকৌ এবাৰ সোঁৱৰাই দিলে— "মানৱসেৱাই হৈছে সৰ্বোত্তম সেৱা, আৰু মানুহৰ কাষত থিয় দিয়াটোৱেই প্ৰকৃত মানৱতা।"

# দৰং জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী জয়ন্তী তথা আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দেওমৰনৈ, ২ অক্টোবৰ ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত আজি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্মজয়ন্তী তথা আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস বিভিন্ন কাৰ্যসূচীৰে মৰ্যাদাপূৰ্ণভাৱে উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীত মহাত্মা গান্ধীৰ সত্য, অহিংসা, শান্তি আৰু সহিষ্ণুতাৰ আদৰ্শক স্মৰণ কৰি এই মূল্যবোধসমূহ সমাজত অধিক শক্তিশালী কৰাৰ বাবে সংকল্প গ্ৰহণ কৰা হয়। দিনটোৰ মূল কাৰ্যসূচী গান্ধী স্মৃতি উদ্যানত অনুষ্ঠিত হয়। অনুষ্ঠানত অসম চৰকাৰৰ পশুপালন আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, দৰং জিলাৰ জিলা আয়ুক্ত আয়ুষী জৈন, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে গান্ধী বেদীত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত মন্ত্ৰী নিলীমা দেৱীয়ে ভাষণত মহাত্মা গান্ধীয়ে ভাৰতীয় সমাজ খনত আগবঢ়োৱা অতুলনীয় অৱদানক স্মৰণ কৰি তেখেতৰ আদৰ্শৰ বিষয়ে কয়। তেওঁ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্মক গান্ধীৰ আদৰ্শ তথা কৰ্মৰাজি শিকাই লব পাৰিলে এদিন মহাত্মা গান্ধীয়ে বিচৰা সমাজখন পাম বুলি মন্তব্য কৰে। তেওঁ মনটো সকলোৰে পৰিষ্কাৰ হোৱাৰ দৰকাৰ লগতে অহিংসাৰ ভাৱেৰে আমি সকলোৱে আগবাঢ়িব লাগিব বুলি কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰাক্তন বিধায়ক তথা অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ মহাত্মা গান্ধীৰ আদৰ্শ তথা স্বচ্ছতাৰ বিষয়ে কয়। বিশিষ্ট সাহিত্যিক তথা সমাজসেৱক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে মহাত্মা গান্ধীৰ আদৰ্শ আৰু কৰ্মৰাজিৰ বিষয়ে সাৱলীল ভাষণ প্ৰদান কৰে। তেওঁ মহাত্মা গান্ধীয়ে স্বাধীনতা সংগ্ৰামত কেনেকৈ অহিংসাৰে প্ৰত্যুত্তৰ দিছিল সেই বিষয়ে উল্লেখ কৰে। মহাত্মা গান্ধীৰ দেশখনত এটা শান্তিপূৰ্ণ জাতি হ'বলৈ তেওঁ সকলোকে আহ্বান জনায়। জিলা আয়ুক্ত আয়ুষী জৈনে ভাষণত মহাত্মা গান্ধীয়ে বিচৰা সমাজখনৰ বিষয়ে উল্লেখ কৰি আমি গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ কেনেকৈ আগবাঢ়িব লাগে সেই বিষয়ে কয়। অনুষ্ঠানত জেষ্ঠ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱা, জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগণত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত জিলা আয়ুক্ত আয়ুষী জৈনে বন্তি প্ৰজ্বলন কৰি মাল্যাৰ্পণ কৰে। উক্ত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্তসকল আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত ভজন আৰু ভক্তিমূলক গীত পৰিৱেশন কৰা হয়। পৰৱৰ্তী সময়ত গান্ধী স্মৃতি উদ্যানত অহিংসাৰ শপত গ্ৰহণ কৰা হয়। দিনটোৰ কাৰ্যসূচীৰ সামৰণিত সন্ধিয়া গান্ধী স্মৃতি উদ্যান আৰু জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগণত বন্তি প্ৰজ্বলন কৰা হয়। উল্লেখ্য যে, মহাত্মা গান্ধীৰ জন্মদিন ২ অক্টোবৰ দিনটো ভাৰতত গান্ধী জয়ন্তী হিচাপে পালন কৰাৰ লগতে সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে পালন কৰা হয়। গান্ধীজীৰ সত্য আৰু অহিংসাৰ আদৰ্শক আধাৰ কৰি পালন কৰা এই দিৱসে শান্তি, সম্প্ৰীতি, সহিষুণ্তা আৰু অহিংসাপূৰ্ণ সহাৱস্থানৰ প্ৰতি সমাজৰ দায়বদ্ধতা পুনৰ সোঁৱৰাই দিয়ে।

# ডিব্ৰুগড়ৰ বৰবৰুৱাত তিনি লাখ টকাৰ ব্যয় সাপেক্ষে ১২ টাকৈ সৌৰশক্তি চালিত বিজুলী বাতিয়ে পোহৰালে সমগ্ৰ অঞ্চল

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ উপকণ্ঠ বৰবৰুৱা অঞ্চলৰ বজাৰ এলেকাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত পূৰ্বতে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে জ্বলোৱা বৈদ্যুতিন লাইট আছিল যদিও সদ্যহতে বিভিন্ন কাৰণত সেই লাইট নজ্বলা হৈ পৰি থাকে। তাৰ পৰিৱৰ্তে অঞ্চলটোৰ কিছু কিছু ব্যস্ততাপূৰ্ণ ঠাইত একো একোটা সৌৰশক্তি চালিত লাইট লগোৱাৰ আঁচনি হাতত লয় বৰবৰুৱা আঞ্চলিক পঞ্চায়তৰ সদস্যা সান্তনা কোঁৱৰে। ২০২৪-২৫ বৰ্ষৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা এলেকা উন্নয়ন পুঁজিৰ প্ৰথমাৱস্থাত প্ৰায় তিনি লাখ টকা ব্যয়েৰে বৰবৰুৱা বজাৰ এলেকাৰ বাহিৰেও এলেকাটোৰ অন্তৰ্গত বাটৰ কাষত মুঠ ১২ টাকৈ সৌৰশক্তি চালিত বিদ্যুৎ লাইট স্থাপন কৰে। নিজ এলেকাৰ অন্তৰ্গত কেইখনমান গাঁৱৰ বিশেষ বিশেষ গুৰুত্বপূৰ্ণ ঠাইৰ বাটৰ কাষত একোটাকৈ তেনে সৌৰশক্তি চালিত লাইট স্থাপন কৰাৰ উপৰিও বৰবৰুৱা বজাৰ এলেকাৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষত, বৰবৰুৱা ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ এটা স্পীডব্ৰেকাৰ থকা ঠাইত, বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য আৰু চিকিৎসা কেন্দ্ৰৰ মূল প্ৰৱেশ পথত, বৰবৰুৱা বজাৰৰ মাজৰ বাটৰ কাষত একোটাকৈ তেনে লাইট স্থাপন কৰে। আঞ্চলিক পঞ্চায়তৰ সদস্যা হিচাপে প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈয়ে সান্তনা কোঁৱৰে প্ৰথমে হাতত লোৱা এনে জনহিতকৰ কামৰ বাবে ৰাইজে সদস্যা গৰাকীক শলাগ লয়।

# মঙলদৈ পুলিচ ৰিজাৰ্ভত অসম আৰক্ষী দিৱস উদ্‌যাপন দৰং আৰক্ষীৰ

**অসম বাৰ্তা, মঙলদৈ, ২ অক্টোবৰ ঃ** দৰং আৰক্ষী সংৰক্ষিত বাহিনীত পুলিচ ৰিৰ্জাভত যথাযোগ্য মৰ্যাদা আৰু উৎসাহ-উদ্দীপনাৰে অসম আৰক্ষী দিৱস উদযাপন কৰা হয়। ৰাজ্যখনত আইন-শৃংখলা ৰক্ষা, জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ সাহস, নিষ্ঠা, শৃংখলা আৰু আত্মনিবেদিত সেৱাক সোঁৱৰাই এই দিৱস পালন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে এক বৰ্ণাঢ্য পেৰেডৰ আয়োজন কৰা হয়। পেৰেডত আৰক্ষী জোৱানসকলৰ শৃংখলাবদ্ধতা, পেছাদাৰী মনোভাৱ আৰু কৰ্তব্যনিষ্ঠাৰ মনোমোহা প্ৰদৰ্শন দেখা যায়। অনুষ্ঠানত উপস্থিত থাকে জ্যেষ্ঠ আৰক্ষী বিষয়া শৰ্মিষ্ঠা বৰুৱা, আৰক্ষী কৰ্মচাৰী আৰু অন্যান্য আমন্ত্ৰিত অতিথিসকল। এই উপলক্ষে ৰাজ্যৰ সেৱাত নিজকে উৎসৰ্গা কৰা আৰক্ষী কৰ্মীসকলৰ ত্যাগ, অৱদান আৰু গৌৰৱময় কৰ্মজীৱনক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। অনুষ্ঠানত জনসেৱা, সততা, শৃংখলা, পেছাদাৰিত্ব আৰু জনমুখী আৰক্ষী ব্যৱস্থাৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হয়। লগতে দৰং আৰক্ষীয়ে শান্তি-শৃংখলা বজাই ৰখা, অপৰাধ প্ৰতিৰোধ, নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰা আৰু জনসাধাৰণৰ আস্থা অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা পুনৰ দৃঢ়ভাৱে ব্যক্ত কৰে। অনুষ্ঠানৰ অন্তত দৰং আৰক্ষীৰ সকলো পদমৰ্যাদাৰ বিষয়া আৰু কৰ্মচাৰীয়ে অসমবাসী ৰাইজৰ সেৱাত সৰ্বোচ্চ কৰ্তব্যনিষ্ঠা, সমৰ্পণ আৰু দায়িত্ববোধেৰে কাম কৰি যোৱাৰ শপত গ্ৰহণ কৰে।

## কৰ্ণিকা ডেকাৰ উদ্যোগত যুৱক-যুৱতীৰ বাবে আন্তঃৰাষ্ট্ৰীয় সুযোগৰ নতুন দিশ উন্মোচন

# জাপানত কৰ্মসংস্থান আৰু কেৰিয়াৰৰ সম্ভাৱনাৰ সন্ধানত ডিব্ৰুগড়ত উপস্থিত জাপানী প্ৰতিনিধি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২ অক্টোবৰ ঃ** অসমৰ যুৱক-যুৱতীসকলক বিশ্বজুৰি কৰ্মসংস্থান আৰু কেৰিয়াৰৰ উন্নত সুযোগৰ সৈতে সংযুক্ত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ পদক্ষেপৰ অংশ হিচাপে কালি জাপানৰ এটা প্ৰতিনিধি দলে ডিব্ৰুগড়স্থিত মহেন্দ্ৰ ইনষ্টিটিউট পৰিদৰ্শন কৰে বুলি ডুমডুমাৰ জীয়ৰী তথা ইনষ্টিটিউটটোৰ স্বত্বাধিকাৰ কৰ্ণিকা ডেকাই জনাইছে। এই ভ্ৰমণৰ আৰম্ভণিতে জাপানী দলটোক ইনষ্টিটিউটটোৰ তৰফৰ পৰা উষ্ণ আদৰণি জনোৱা হয়। জাপানত কৰ্মসংস্থানৰ সম্ভাৱনা, কেৰিয়াৰৰ বিভিন্ন বিকল্প আৰু দক্ষতা বিকাশৰ জৰিয়তে যুৱক-যুৱতীসকলৰ বাবে নতুন সুযোগ সৃষ্টি কৰা আদি বিষয়ত দলটোৰ লগত আলোচনা কৰা হয় বুলি সঞ্চালিকা কৰ্ণিকাই কয়। প্ৰতিনিধি দলৰ সদস্যসকলৰ সৈতে হোৱা মত-বিনিময়ত ইনষ্টিটিউটটোৰ ছাত্ৰ-ছাত্ৰীসকলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপলব্ধ কেৰিয়াৰৰ বিভিন্ন সুযোগৰ বিষয়ে অৱগত কৰা হয় আৰু তেওঁলোকক প্ৰয়োজনীয় দক্ষতাৰে সমৃদ্ধ কৰাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে অসমৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলক দেশৰ সীমা অতিক্ৰম কৰি নিজৰ যোগ্যতা আৰু সামৰ্থ অনুসৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৰ্মসংস্থানৰ সুযোগ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। জাপানত কৰ্মসংস্থান আৰু কেৰিয়াৰৰ সম্ভাৱনাৰ বিষয়ে লাভ কৰা তথ্যই যুৱক-যুৱতীসকলক নিজৰ ভৱিষ্যৎ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিব বুলিও আশা কৰা হৈছে। কৰ্ণিকা ডেকাই জাপানৰ পৰা অহা প্ৰতিনিধি দলৰ সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি আশা ব্যক্ত কৰে যে এনে ধৰণৰ মত-বিনিময়ে অসমৰ যুৱক-যুৱতীসকলৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৰ্মসংস্থান আৰু দক্ষতা বিকাশৰ নতুন সুযোগৰ দুৱাৰ মুকলি কৰিব। কৰ্ণিকা ডুমডুমাৰ ৰূপাই চাইডিং লাচিত নগৰ নিবাসী জিতেন ডেকা আৰু অলি ডেকাৰ কন্যা।

## ১ ডিচেম্বৰৰ পৰা দিল্লীত দিৱা-নৈশ অৱস্থান ধৰ্মঘটৰ ঘোষণা

# অংগনবাড়ী কৰ্মী-সহায়িকাৰ সমস্যা সমাধানৰ দাবীৰে সংবাদমেল সম্বোধন

**অসম বাৰ্তা, মাজুলী, ২ অক্টোবৰ ঃ** অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ বিভিন্ন সমস্যা সমাধান, কেন্দ্ৰীয় বাজেট বৃদ্ধি আৰু সামাজিক সুৰক্ষা নিশ্চিত কৰাৰ দাবীত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে অসম ৰাজ্যিক অংগনবাড়ী কৰ্মী আৰু সহায়িকা সংস্থাই। গান্ধী জয়ন্তীৰ দিনাই সংবাদমেল সম্বোধন কৰি সংস্থাটোৱে অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ কথা উল্লেখ কৰে। দেশত সংহত শিশু বিকাশ আঁচনি অৰ্থাৎ ICDS আৰম্ভ হোৱাৰ ৫১ বছৰ অতিক্ৰম কৰাৰ পিছতো অংগনবাড়ী কেন্দ্ৰসমূহত আন্তঃগাঁথনি, খাদ্য, বিদ্যুৎ, পাৰিশ্ৰমিক আৰু সামাজিক সুৰক্ষাকে ধৰি বিভিন্ন সমস্যা অব্যাহত আছে। অসমত ৬২ হাজাৰ ১৫৩টা অংগনবাড়ী কেন্দ্ৰ থকা বুলি উল্লেখ কৰি কৰ্মীসকলে কয় যে বাস্তৱত প্ৰায় ৫৭ হাজাৰ কেন্দ্ৰত কৰ্মী-সহায়িকাই সেৱা আগবঢ়াই আছে। বিশেষভাৱে উল্লেখ কৰা সমস্যাসমূহৰ ভিতৰত আছে—মহিলা আৰু শিশু পুষ্টিহীনতা দূৰীকৰণৰ বাবে যোগান ধৰা নিম্নমান খাদ্য, অধিকাংশ অংগনবাড়ী কেন্দ্ৰৰ জৰাজীৰ্ণ গৃহ, বিশুদ্ধ খোৱাপানীৰ অভাৱ, বিদ্যুৎ সংযোগৰ সমস্যা আৰু কৰ্মী-সহায়িকাৰ তুলনামূলকভাৱে নিম্ন পাৰিশ্ৰমিক। ইয়াৰ উপৰি ৫১ বছৰ অতিক্ৰম কৰাৰ পিছতো নিয়মীয়া কৰ্মচাৰীৰ স্বীকৃতি নোপোৱা, সামাজিক সুৰক্ষামূলক আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত হোৱা আৰু কৰ্মৰত অৱস্থাত আঘাতপ্ৰাপ্ত হ'লেও পৰ্যাপ্ত চিকিৎসা সাহায্য নোপোৱাৰ অভিযোগ উত্থাপন কৰিছে কৰ্মীসকলে। এই সমস্যাসমূহ সমাধানৰ বাবে কেন্দ্ৰীয় বাজেট বৃদ্ধি কৰাৰ দাবীত অহা ১ ডিচেম্বৰ ২০২৬ৰ পৰা দিল্লীত দিৱা-নৈশ অৱস্থান ধৰ্মঘট পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি তেওঁলোকে সংবাদমেলত জানিবলৈ দিয়ে। লগতে অসমৰ প্ৰতিটো প্ৰকল্পৰ পৰা প্ৰতিনিধিত্বমূলকভাৱে অংগনবাড়ী কৰ্মী আৰু সহায়িকাক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে অসম ৰাজ্যিক অংগনবাড়ী কৰ্মী আৰু সহায়িকা সংস্থাই।

## সভাপতিৰ দায়িত্বত বিতোপন শইকীয়া, প্ৰশান্ত গগৈ মুখ্য সচিব

# বীৰ লাচিত সেনা, অসমৰ হালোৱাটিং আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, চেলেংহাট,** বীৰ লাচিত সেনা অসম শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত হালোৱাটিং আঞ্চলিক সমিতি আজি গঠন কৰা হয়। হালোৱাটিঙৰ অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত সভাত অনুপম চেতিয়াই উদ্দেশ্য ব্যাখ্যা কৰে আৰু শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি বিষ্ণু শইকীয়াই সভাপতিত্ব কৰে। শতাধিক যুৱকৰ উপস্থিতিত অনুষ্ঠিত সভাত বিতোপন শইকীয়াক সভাপতি, বিশ্বজিত হাজৰিকাক উপ-সভাপতি, প্ৰশান্ত গগৈক মুখ্য সচিব আৰু প্ৰজ্ঞান সন্দিকৈ তথা অভিমান গগৈক যুটীয়া সচিবৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাত জিলা সমিতিৰ মুখ্য সচিব অনুপম সন্দিকৈ, মুখ্য প্ৰশাসনিক সচিব উদয়াদিত্য বড়া, যুটীয়া সচিব পংকজ দাস, মুখ্য সাংগঠনিক সচিব প্ৰাণচিভ নেওগকে ধৰি কেইবাজনো জিলা বিষয়ববীয়া উপস্থিত থাকে। নৱনিৰ্বাচিত আঞ্চলিক সমিতিয়ে হালোৱাটিং অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ লগতে অসমৰ খিলঞ্জীয়াৰ স্বাৰ্থত জাতিৰ কাম কৰাৰ সংকল্প গ্ৰহণ কৰে।

# গোলকগঞ্জত ড্ৰাগছ আসক্তৰ সন্দেহত যুৱকক প্ৰহাৰ কৰা ৩জন গ্ৰেপ্তাৰ মৰেল

**অসম বাৰ্তা, গোলকগঞ্জ, ২ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত ড্ৰাগছ বিক্ৰী কৰা আৰু চোৰৰ সন্দেহত এজন যুৱকক প্ৰচণ্ড মাৰপিট কৰাৰ অভিযোগ। ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে তিনিজন লোকক আটক কৰিছে। আহত যুৱকজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। গোলকগঞ্জ চহৰত সংঘটিত হৈছে মৰেল পুলিচগিৰিৰ অভিযোগেৰে চাঞ্চল্যকৰ ঘটনা। গোলকগঞ্জ চহৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ মফিজুল হক ওৰফে কাউয়া নামৰ যুৱকজনক একাংশ লোকৰ সৈতে সাধাৰণ কথাক লৈ বাক-বিতণ্ডাৰ সৃষ্টি হয়। যুৱকজনক 'চোৰ' আৰু নিচাজাতীয় কেপচুল পেলায় আৰু দৌৱাৰ সন্দেহ কৰি একাংশ লোকে মাৰপিট আৰম্ভ কৰে। নিজকে ৰক্ষা কৰিবলৈ মফিজুল হকে গোলকগঞ্জ থানাৰ দিশে দৌৰ মাৰে যদিও অভিযোগ অনুসৰি পিণ্টু তাতেৰ, বাবুল ৰায় আৰু দীপজ্যোতি ৰায়সহ একাংশ লোকে তেওঁক আগচি ধৰি মাৰপিট কৰে। মাৰপিটৰ ফলত মফিজুল হক অচেতন হৈ পৰে। পিছত একাংশ লোকে আহত যুৱকজনক উদ্ধাৰ কৰি প্ৰথমে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আহত যুৱকজনৰ অৱস্থা সংকটজনক হোৱাত চিকিৎসকে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। অৱশ্যে পৰিয়ালৰ লোকে পিছত তেওঁক পশ্চিমবংগৰ এখন নাৰ্ছিং হোমত চিকিৎসাৰ বাবে লৈ যায় বুলি জানিব পৰা গৈছে। ইফালে, ঘটনা সন্দৰ্ভত গোলকগঞ্জ আৰক্ষীয়ে পিণ্টু তাতেৰ, বাবুল ৰায় আৰু দীপজ্যোতি ৰায়ক আটক কৰি তদন্ত অব্যাহত ৰাখিছে।

# কামৰূপ জিলাত বন অধিকাৰ আইন, ২০০৬ৰ অধীনত ভূমিৰ স্বত্ব বিতৰণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** বন অধিকাৰ আইন, ২০০৬ৰ অধীনত বনাঞ্চলত বসবাস কৰা যোগ্য জনজাতীয় পৰিয়ালসমূহক ভূমিৰ অধিকাৰ প্ৰদানৰ উদ্দেশ্যে আজি কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰাজু মেছ, হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস আৰু কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত হিতাধিকাৰীসকলৰ মাজত ভূমিৰ স্বত্ব আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বন অধিকাৰ আইন, ২০০৬-ৰ বিধান অনুসৰি যোগ্য হিতাধিকাৰীসকলৰ বন অধিকাৰ স্বীকৃতি আৰু স্বত্ব-পত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই বিশেষ অভিযানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানত শিংৰা বনাঞ্চলৰ অন্তৰ্গত তিনিখন বন অধিকাৰ সমিতি (Forest Rights Committee—FRC)ৰ যোগ্য হিতাধিকাৰীসকলৰ মাজত মুঠ ১৮খন স্বত্ব-পত্ৰ বিতৰণ কৰা হয়। বিতৰণ কৰা ১৮খন স্বত্ব-পত্ৰৰ ভিতৰত গোহালকোনা-বুৰাবুৰী এফআৰচিৰ অন্তৰ্গত ১০ গৰাকী, সিজুবাৰী এফআৰচিৰ অন্তৰ্গত ৫ গৰাকী আৰু ভোগদাবাৰী এফআৰচিৰ অন্তৰ্গত ৩ গৰাকী হিতাধিকাৰীয়ে বন অধিকাৰ স্বত্ব-পত্ৰ লাভ কৰে। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈ, প্ৰাঞ্জিত কুমাৰ দেৱ, বিশ্বজিৎ শইকীয়া আৰু দেৱাশিস গোস্বামী, কামৰূপ পশ্চিম বন সংমণ্ডলৰ বিভাগীয় বন বিষয়া তথা জিলা প্ৰশাসনৰ অন্যান্য বিষয়াবৰ্গ আৰু বন অধিকাৰ সমিতিসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

## উদ্বোধনী খেলত ৩-০ গ'লত জয়ী জৰেগাঁও কিৰণ সংঘ

# ছালাকাটিত ষষ্ঠ লক্ষ্মীনাথ ব্ৰহ্ম সোঁৱৰণী ফুটবল প্ৰতিযোগিতা আৰম্ভ

**অসম বাৰ্তা, বাসুগাঁও, ২ অক্টোবৰ ঃ** সাহিত্য অকাডেমি বঁটা প্ৰাপক, বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী প্ৰয়াত লক্ষ্মীনাথ ব্ৰহ্মৰ সোঁৱৰণত আয়োজিত ষষ্ঠ লক্ষ্মীনাথ ব্ৰহ্ম সোঁৱৰণী আন্তঃক্লাব ফুটবল প্ৰতিযোগিতা আজিৰে পৰা আৰম্ভ হৈছে। বিটিচিৰ ১২নং ছালাকাটি সমষ্টিৰ অন্তৰ্গত ছালাকাটিত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলত জয়লাভ কৰে জৰেগাঁও কিৰণ সংঘই। দলটোৱে কুকুৰমাৰী জেউতি সংঘক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। উদ্বোধনী খেলখন আনুষ্ঠানিকভাৱে মুকলি কৰে টি চি এল চি চিৰ অধ্যক্ষ নৃপেন চন্দ্ৰ ৰায়ে। তেওঁ দুয়োটা দলৰ খেলুৱৈক খেলুৱৈসুলভ মনোভাৱেৰে খেল প্ৰদৰ্শন কৰিবলৈ আহ্বান জনোৱাৰ লগতে কোনো ধৰণৰ পক্ষপাতিত্ব নকৰাকৈ সুকলমে খেল পৰিচালনা কৰিবলৈ ৰেফাৰীসকলক আহ্বান জনায়। ইফালে, একেদিনাই অনুষ্ঠিত দ্বিতীয়খন খেলত পাস্কলঝৰা মিলনজ্যোতি ক্লাবে ২-১ গ'লত বেণীবাৰী জ্যোতি ৰূপা সংঘক পৰাস্ত কৰি জয়লাভ কৰে। ছালাকাটি স্পৰ্টছ প্ৰমটৰ ছ'চাইটিৰ উদ্যোগত, কালীপুখুৰী ইউনাইটেড ক্লাব আৰু জৰেগাঁও কিৰণ সংঘৰ সহযোগত অনুষ্ঠিত হৈছে প্ৰতিযোগিতাখন। পুৱা ছালাকাটি স্পৰ্টছ প্ৰমটৰ ছ'চাইটিৰ পতাকা উত্তোলন কৰে সভাপতি ৰহেন ৰায়ে। কালীপুখুৰী ইউনাইটেড ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি প্ৰদীপ ৰায়ে আৰু জৰেগাঁও কিৰণ সংঘৰ পতাকা উত্তোলন কৰে সভাপতি ভৃগুমুনি ৰায়ে। গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি জাতিৰ পিতা মহাত্মা গান্ধী, প্ৰয়াত লক্ষ্মীনাথ ব্ৰহ্ম আৰু যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, মুঠ ৩০টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত প্ৰতিদিনে দুখনকৈ খেল অনুষ্ঠিত হ'ব।

# বৰপেটাৰ দাৱালীয়াপাৰাত দলঙৰ কাষত পলিথিনেৰে মেৰিয়াই থোৱা অৱস্থাত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২ অক্টোবৰ ঃ** বৰপেটা জিলাৰ দাৱালীয়াপাৰাত সংঘটিত এক মৰ্মান্তিক ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অঞ্চলটোৰ এখন দলঙৰ কাষত পলিথিনেৰে মেৰিয়াই থোৱা অৱস্থাত এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই মানৱীয়তা আৰু সামাজিক দায়বদ্ধতাক লৈ বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, দাৱালীয়াপাৰাৰ দলঙৰ কাষত পলিথিনেৰে মেৰিয়াই থোৱা অৱস্থাত নৱজাতকটিৰ মৃতদেহ প্ৰত্যক্ষ কৰাৰ পিছতে ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনাৰ খবৰ লাভ কৰি হাউলী আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু নৱজাতকটিৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাটোৰ প্ৰকৃত কাৰণ আৰু ইয়াৰ সৈতে কোন জড়িত, সেই সম্পৰ্কে বৰ্তমানলৈকে সবিশেষ জানিব পৰা হোৱা নাই। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ তদন্ত অব্যাহত ৰাখিছে। এটি নৱজাতকৰ এনে কৰুণ পৰিণতিয়ে সমাজৰ মানৱীয় মূল্যবোধ, সামাজিক সচেতনতা আৰু দায়িত্ববোধৰ প্ৰশ্ন পুনৰ উত্থাপন কৰিছে। অৱশ্যে, আৰক্ষীৰ তদন্ত সম্পূৰ্ণ নোহোৱালৈকে ঘটনাটোৰ আঁৰৰ কাৰণ বা ইয়াৰ সৈতে জড়িত ব্যক্তিৰ বিষয়ে কোনো সিদ্ধান্তত উপনীত হোৱা উচিত নহয়।

# বৰপেটা আৰক্ষীৰ বৃহৎ সফলতা

## ছেপ্টেম্বৰ মাহত উদ্ধাৰ ৩৩টা হেৰুৱা মোবাইল ফোন, প্ৰকৃত গৰাকীক হস্তান্তৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২ অক্টোবৰ ঃ** হেৰুৱা মোবাইল ফোন উদ্ধাৰৰ ক্ষেত্ৰত বৰপেটা আৰক্ষীয়ে লাভ কৰিছে উল্লেখযোগ্য সফলতা। ধাৰাবাহিক অভিযানৰ অংশস্বৰূপে ২০২৬ চনৰ ছেপ্টেম্বৰ মাহত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা আৰক্ষীয়ে মুঠ ৩৩টা হেৰুৱা মোবাইল ফোন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, উদ্ধাৰ কৰা মোবাইল ফোনসমূহ যাৱতীয় পৰীক্ষা-নিৰীক্ষা আৰু প্ৰয়োজনীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তত সেইবোৰৰ প্ৰকৃত গৰাকীক গতাই দিয়া হয়। আৰক্ষীৰ এই পদক্ষেপে হেৰুৱা মূল্যৱান সম্পত্তি পুনৰ লাভ কৰাৰ ক্ষেত্ৰত সাধাৰণ ৰাইজক সকাহ দিয়াৰ লগতে আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ বিশ্বাসৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, মোবাইল ফোন হেৰুওৱাৰ ফলত বহু লোক আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে ব্যক্তিগত তথ্যৰ সুৰক্ষাক লৈও উদ্বিগ্ন হৈ পৰে। এনে পৰিস্থিতিত হেৰুৱা মোবাইল ফোন উদ্ধাৰৰ বাবে আৰক্ষীয়ে চলোৱা ধাৰাবাহিক অভিযান যথেষ্ট তাৎপৰ্যপূৰ্ণ। বৰপেটা আৰক্ষীৰ এই সফলতাই হেৰুৱা সম্পত্তি উদ্ধাৰৰ ক্ষেত্ৰত আৰক্ষীৰ তৎপৰতা আৰু জনসেৱাৰ প্ৰতি দায়বদ্ধতাৰ এক ইতিবাচক দিশ প্ৰতিফলিত কৰিছে।

# বকোৰ দিলিঙা নৱ যুৱক সংঘৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে গান্ধী জয়ন্তী উদযাপন

**অসম বাৰ্তা, বকো, ২ অক্টোবৰ ঃ** আজি ২ অক্টোবৰ। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তী। সমগ্ৰ দেশৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে গান্ধী জয়ন্তী। ইয়াৰ সমান্তৰালভাৱে বকোৰ দিলিঙা নৱ যুৱক সংঘৰ উদ্যোগতো বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয় গান্ধী জয়ন্তী। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা হয় বিভিন্ন শিক্ষামূলক প্ৰতিযোগিতামূলক অনুষ্ঠান। দিলিঙা নৱ যুৱক সংঘৰ সভাপতি যোগেন দাস, সম্পাদক নয়ন কলিতা আৰু বিশ্বজিৎ ৰাভাৰ লগতে সমিতিৰ বিষয়ববীয়া সকলৰ উপস্থিতিত পুৱাৰ ভাগতে অনুষ্ঠিত হয় কাৰ্যসূচী। প্ৰথমে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলন কৰে দিলিঙা আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীনেশ চন্দ্ৰ দাসে। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে বড়ীপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ ৰয়, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সনাতন দাসৰ লগতে বহু কেইজন জ্যেষ্ঠ ব্যক্তি। ইয়াৰ পিছতে কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা হয় বিভিন্ন শিক্ষামূলক প্ৰতিযোগিতা আৰু মনোগ্ৰাহী অনুষ্ঠান। এনে পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে মহাত্মা গান্ধীৰ আদৰ্শ, অহিংসা আৰু সত্যৰ বাণী নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ কৰাৰ প্ৰয়াস কৰা হয়। দিলিঙা নৱ যুৱক সংঘৰ এনে পদক্ষেপে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৈক্ষিক আৰু সামাজিক সচেতনতা বৃদ্ধিত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে উদ্যোক্তাসকলে।

# নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভগ্নী দেৱাহুতি শৰ্মা

**অসম বাৰ্তা, মৈৰাবাৰী, ২ অক্টোবৰ ঃ** নগাঁও লোকসভা উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি সমষ্টিটোৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে। বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ এইবাৰ নিৰ্বাচনী প্ৰচাৰত নামিছে তেওঁৰ ভগ্নী দেৱাহুতি শৰ্মা। লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত মৈৰাবাৰীৰ নৈপৰীয়া অঞ্চলত উপস্থিত হৈ দেৱাহুতি শৰ্মাই স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰাৰ লগতে দলীয় প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়। অঞ্চলটোৰ বিভিন্ন ঠাইত ভোটাৰসকলৰ সৈতে কথা পাতি দেৱাশিস শৰ্মাৰ হৈ সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায় তেওঁ। নৈপৰীয়া অঞ্চলৰ স্থানীয় ৰাইজৰ সৈতে সহজে সংযোগ স্থাপনৰ উদ্দেশ্যে তেওঁ বাংলা ভাষাত ভাষণ প্ৰদান কৰে। বাংলাত দিয়া ভাষণৰ জৰিয়তে স্থানীয় ভোটাৰসকলৰ মন জয় কৰাৰ লগতে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত জনমত গঢ়াৰ চেষ্টা চলোৱা পৰিলক্ষিত হয়। নিৰ্বাচনী প্ৰচাৰৰ সময়ত দেৱাশিস শৰ্মাই স্থানীয় লোকসকলৰ বিভিন্ন কথা-বতৰা শুনাৰ লগতে দেৱাশিস শৰ্মাৰ হৈ ভোট বিচাৰে। তেওঁক সংগ দিয়ে বিজেপি নেতা ইজ্জত আলিয়ে। তেওঁৰ এই প্ৰচাৰ কাৰ্যসূচীক কেন্দ্ৰ কৰি অঞ্চলটোত বিজেপিৰ সমৰ্থক আৰু কৰ্মীসকলৰ মাজতো উৎসাহ দেখা যায়। নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ মাজতে প্ৰাৰ্থীৰ পৰিয়ালৰ সদস্যই এনেদৰে পোনপটীয়াকৈ ৰাইজৰ কাষ চাপি ভোট বিচৰাৰ ঘটনাই নিৰ্বাচনী পৰিৱেশক অধিক উত্তপ্ত কৰি তুলিছে।

# অমৰ শিল্পী লেৰেলা খনিকৰ সৃষ্ট কাঠৰ প্ৰতিমাৰ ঐতিহ্যৰে পুৰণিগুদামত ১৪২ তম্ দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ২ অক্টোবৰ ঃ** অসমৰ ঐতিহ্য, শিল্প আৰু ধৰ্মীয় পৰম্পৰাৰ এক অনন্য সমন্বয়ৰ প্ৰতীক নগাঁও জিলাৰ পুৰণিগুদামৰ ঐতিহাসিক দুৰ্গোৎসৱে এইবেলি গৰকিছে গৌৰৱোজ্জ্বল ১৪২ তম বৰ্ষ। ১৮৮৫ চনৰ পৰা নীৰৱচ্ছিন্নভাৱে উদযাপিত হৈ অহা এই দুৰ্গোৎসৱৰ অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে পুৰণিগুদামৰ অমৰ শিল্পী লেশধৰ শৰ্মা ওৰফে লেৰেলা খনিকৰে সৃষ্টি কৰা বেল কাঠৰ দুৰ্গা প্ৰতিমা। ১৯০১ চনৰ পৰা অস্থায়ী মৃণ্ময় প্ৰতিমাৰ পৰিৱৰ্তে লেশধৰ শৰ্মাৰ শিল্পীসত্তাৰ অনুপম নিদৰ্শন এই বেল কাঠৰ দুৰ্গা প্ৰতিমাতেই ক্ৰমাগতভাৱে পূজা-অৰ্চনা কৰি অহা হৈছে। বিগত ১২৪ বছৰে একেটি কাঠৰ প্ৰতিমাক কেন্দ্ৰ কৰি চলি অহা এই পূজা কেৱল পুৰণিগুদামৰে নহয়, সমগ্ৰ অসম তথা দেশৰ সাংস্কৃতিক ঐতিহ্যৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে পৰিগণিত হৈছে। লেশধৰ শৰ্মা ওৰফে লেৰেলা খনিকৰৰ সৃষ্টিশীল প্ৰতিভাৰ এই অমৰ সৃষ্টি আজিও ভক্ত আৰু পৰ্যটকৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। সময়ৰ সোঁতত বহু পৰিৱৰ্তন আহিলেও শতিকা অতিক্ৰম কৰা এই কাঠৰ প্ৰতিমাই পুৰণিগুদামৰ ঐতিহ্য, শিল্প-চেতনা আৰু ধৰ্মীয় বিশ্বাসৰ এক জীৱন্ত সাক্ষ্য বহন কৰি আহিছে। এই ঐতিহ্যক আগত ৰাখিয়েই বিগত বৰ্ষসমূহৰ দৰে এইবাৰো পুৰণিগুদামত অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ শ্ৰীশ্ৰী দুৰ্গাপূজা আৰু উৎসৱ লগতে ২৬ অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মীপূজা আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। দুৰ্গোৎসৱখনি উদযাপন কৰিবৰ বাবে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক মুখ্য উপদেষ্টা তথা পুলিন হাজৰিকা, দুৰ্লভ শৰ্মা, মিণ্টু শৰ্মা, প্ৰদীপ হাজৰিকা, দ্বীপেন বৈৰাগী, দীপক বৰঠাকুৰ আৰু মুকুল বেজবৰুৱাক উপদেষ্টা, যোগেন্দ্ৰ শৰ্মাক সভাপতি, প্ৰফুল্ল শইকীয়া, জ্যোতিৰ্ময় গোস্বামী আৰু ৰাজেন বেজবৰুৱাক উপ-সভাপতি, অতনু খাউণ্ডক সম্পাদক, ৰাতুল শৰ্মা, প্ৰাঞ্জল কটকী, গুণীন্দ্ৰ শৰ্মা, জ্যোতিস্মান শৰ্মা, যুগান্তৰ কাশ্যপ আৰু লাতু শইকীয়াক সহঃসম্পাদক আৰু ভূপাল চন্দ্ৰ বৰুৱা আৰু অনিল শৰ্মাক হিচাপ পৰীক্ষক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। শাৰদীয় দুৰ্গোৎসৱৰ কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰৰ পুৱা ৯ বজাৰ ভিতৰত শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ। সন্ধিয়া দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। ১৭ অক্টোবৰৰ পুৱা ৫ বজাত দেৱীৰ নৱপত্ৰিকাৰ প্ৰৱেশ, স্থাপন আৰু সপ্তমযাদি কল্পাৰম্ভ। সপ্তমী বিহিত পূজা আৰম্ভ। দুপৰীয়া ১ বজাৰ পৰা মহাভোগ বিতৰণ। ১৮ অক্টোবৰৰ পুৱা ৬ বজাৰ ভিতৰত দেৱীৰ সপ্তমী অধিক পূজা আৰম্ভ। দুপৰীয়া ১ বজাৰ পৰা মহাভোগ বিতৰণ। ১৯ অক্টোবৰৰ পুৱা ৭-০৫ বজাৰ পৰা মহাঅষ্টমী বিহিত পূজা আৰম্ভ। পুৱা ৭-২৬ ৰ পৰা সন্ধি পূজা, তাৰ পাছত ভাগ বিতৰণ আৰু সন্ধিয়ালৈ সাংস্কৃতিক অনুষ্ঠান। ২০ অক্টোবৰৰ পুৱা ৫-৪৫ বজাত মহানৱমী বিহিত পূজা আৰম্ভ। পুৱা ১১ বজাৰ পৰা দেৱীৰ হোম আৰু কুমাৰী পূজা। দুপৰীয়া ১ বজাৰ পৰা মহাভোগ বিতৰণ। ২১ অক্টোবৰৰ পুৱা ৮-৩১ বজাৰ ভিতৰত দশমী বিহিত পূজা, বিসৰ্জন, অপৰাজিতা পূজা, বলয় ধাৰণ, মহাশান্তি আৰু নিৰ্মালী প্ৰদান। পুৱা ১১-৩০ বজাৰ পৰা লঘু আহাৰ বিতৰণ। উল্লেখযোগ্য যে, ২৬ অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মী দেৱীৰ পূজা উদ্‌যাপন কৰা হ'ব। শাৰদীয় দুৰ্গোৎসৱৰ সমূহ কাৰ্যসূচীতেই ভক্তপ্ৰাণ ৰাইজৰ প্ৰত্যক্ষ সহায় সহযোগিতা আৰু উৎসাহ উদ্দীপনা পুৰণিগুদাম কাঠৰ প্ৰতিমাখ্যাত দুৰ্গোৎসৱ উদযাপন সমিতিয়ে একান্তভাৱে কামনা কৰিছে।

# কলিয়াবৰত যুৱ ছাত্ৰ পৰিষদৰ হুংকাৰতো গা নলৰিল আৰক্ষীৰ; নিৰুপায় গঞা ৰাইজ

## গৰু চোৰৰ উপদ্ৰৱত অতিষ্ঠ কলিয়াবৰ ৰাইজৰ তৎপৰতাত ব্যৰ্থ হ'ল চুৰিৰ প্ৰয়াস, অঞ্চলটোত বিৰাজ কৰিছে উত্তেজনা

**অসম বাৰ্তা, কলিয়াবৰ, ২ অক্টোবৰ ঃ** কলিয়াবৰৰ বিভিন্ন প্ৰান্তত দিনক-দিনে বৃদ্ধি পোৱা গৰু চুৰিৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰাৰ সময়তে যোৱা নিশা কলিয়াবৰৰ নলতলীত অনুৰূপ এক দুৰ্ধৰ্ষ চুৰিকাণ্ড সংঘটিত হোৱাৰ পৰা ৰক্ষা পৰিল অঞ্চলটো। জানিব পৰা মতে, নিশাৰ শেষ ভাগত নলতলিৰ সমল দাস নামৰ এজন গো-পালকৰ গোহালিত চোৰৰ এটা দল প্ৰৱেশ কৰে। চোৰৰ দলটোৱে এজনী পূৰ্ণবয়স্ক চেউৰী আৰু এটা দমৰা গৰু চুৰি কৰিবলৈ চেষ্টা কৰাৰ সময়তে গৃহস্থই প্ৰত্যক্ষ কৰি চিঞৰ-বাখৰ কৰাত চোৰে গৰু দুটা তাতেই এৰি থৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। একে নিশাই চোৰৰ দলটোৱে অঞ্চলটোৰ আন দুগৰাকী গো-পালকৰ গোহালিৰ তলা ভাঙিবলৈও চেষ্টা চলায়; কিন্তু গৃহস্থই সময়মতে উমান পোৱাত অপৰাধীৰ দলটোৱে মটৰচাইকেলেৰে পলায়ন কৰে। ভুক্তভোগী গো-পালকসকলৰ মতে, চোৰ কৰা গৰু কঢ়িয়াবৰ বাবে ওচৰতে ৰৈ থকা এখন বিলাসী বাহনে চোৰকেইটাক উঠাই লৈ তীব্ৰ গতিত বাইক সহ আঁতৰি যায়। ইফালে গাঁৱৰ এই অভ্যন্তৰীণ পথছোৱাক এতিয়া একাংশ চালকে ৰাষ্ট্ৰীয় ঘাইপথৰ ফৰলেনৰ টল ট্যা' ফাকি দি ধন ৰাহি কৰাৰ উদ্দেশ্যে বিকল্প পথ হিচাপে ব্যৱহাৰ কৰিছে। ইয়াৰ সুবাদতে দিনে-নিশাই যধে-মধে গধুৰ আৰু পাতল যান-বাহন প্ৰৱেশ কৰাৰ বাবে গাঁৱৰ সুন্দৰ বাট-পথসমূহ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। স্থানীয় ৰাইজৰ সন্দেহ— টলগেট ফাকি দিয়াৰ নামত অহা এই অপৰিচিত গাড়ীসমূহৰ আঁৰতেই আন্তঃজিলা গৰু চোৰৰ চক্ৰ সক্ৰিয় হৈ আছে। দিনৰ ভাগত সন্দেহজনক বাহনে গাঁৱত প্ৰৱেশ কৰি কোনখন ঘৰত গোহালি ক'ত আছে, তাৰ স্থলগত অনুসন্ধান বা প্ৰাথমিক বুজ লয় আৰু নিশাৰ অন্ধকাৰৰ সুযোগ লৈ চুৰি কাৰ্য কৰে। সৰ্বত্ৰ আৰক্ষীৰ টহল থকাৰ পাছতো অবাধে চলা এই কাণ্ডই গাখীৰ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰা ভুক্তভোগী পৰিয়ালসমূহক মৰ্মান্তিক মানসিক যন্ত্ৰণা আৰু উজাগৰী নিশা কটাবলৈ বাধ্য কৰিছে। আৰক্ষীৰ নিষ্ক্ৰিয়তা আৰু যুৱ-ছাত্ৰ পৰিষদৰ হুংকাৰ: এনে ধাৰাবাহিক অপৰাধৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কলিয়াবৰ জিলা সমিতিয়ে যোৱা ২৯ ছেপ্টেম্বৰত কলিয়াবৰৰ সমজিলা আয়ুক্তৰ জৰিয়তে কলিয়াবৰ, উলুবনী, জখলাবন্ধা, চুলুং, মিছা, বাগৰী, আমবাগান আৰু শিলঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। পৰিষদৰ কলিয়াবৰ জিলা সমিতিৰ সম্পাদক মৃগাংক বৰাই অতিশীঘ্ৰে এই চুৰি চক্ৰক কৰায়ত্ত নকৰিলে ৰাইজক লগত লৈ এক বৃহৎ গণ-আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। ৰাইজৰ কাতৰ মিনতিৰ পিছতো আৰক্ষীয়ে ৰহস্যজনকভাৱে নিষ্ক্ৰিয় ভূমিকা পালন কৰাত অঞ্চলটোত আইন-শৃংখলাজনিত পৰিস্থিতি অধিক অৱনতি ঘটাৰ আশংকাই দেখা দিছে। বৰ্তমান নলতলীবাসী তথা সমগ্ৰ কলিয়াবৰবাসীয়ে এই সক্ৰিয় গৰু চোৰৰ চক্ৰটো অতি শীঘ্ৰে উৎখাত কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰদাৰ দাবী জনাইছে। ইফালে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ সমান্তৰালভাৱে কলিয়াবৰ মহকুমাটো বৰ্তমান গৰু চুৰিৰ উপদ্ৰৱে এক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কলিয়াবৰ জিলা সমিতিয়ে। এই জ্বলন্ত সমস্যাটোৰ আশু আৰু ফলপ্ৰসূ সমাধানৰ দাবী জনাই সংগঠনটোৰ তৰফৰ পৰা কলিয়াবৰৰ সমজিলা আয়ুক্ত তথা সংশ্লিষ্ট কৰ্তৃপক্ষলৈ কালি এক স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। স্মাৰক পত্ৰখনত উল্লেখ কৰা অনুসৰি, কলিয়াবৰ অঞ্চলৰ সৰহসংখ্যক লোক কৃষিকৰ্ম আৰু পশুপালনৰ ওপৰত নিৰ্ভৰ কৰি জীৱন-নিৰ্বাহ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত সাম্প্ৰতিক সময়ে পৰম্পৰাগত কৃষিকাৰ্যৰ প্ৰতি অনিহা বৃদ্ধি পোৱাৰ বিপৰীতে কলিয়াবৰৰ সৰলপ্ৰাণ ৰাইজে কৃষিক এতিয়াও প্ৰধান সম্বল হিচাপে ধৰি ৰাখিছে। কিন্তু শেহতীয়াকৈ অঞ্চলটোত ধাৰাবাহিকভাৱে বৃদ্ধি পোৱা গৰু চুৰিৰ দুষ্কাৰ্যই খেতিয়ক আৰু পশুপালকসকলৰ মাজত এক হাহাকাৰ আৰু তীব্ৰ শংকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। অঞ্চলটোত দীৰ্ঘদিন ধৰি চলি অহা এই ভয়াৱহতাৰ উদাহৰণ দাঙি ধৰি ভুক্তভোগী ৰাইজে আক্ষেপেৰে প্ৰকাশ কৰে যে, নলতলিৰ বলোৰাম আৰু মনিৰাম নামৰ দুজন কৃষকৰ দুহাল হালোৱা গৰু আজিৰ পৰা প্ৰায় কিছু দিন পূৰ্বেই নিশাৰ ভিতৰতে চোৰে চুৰি কৰি লৈ গৈছিল। এয়া কেৱল এখন গাঁৱৰ উদাহৰণহে। সমগ্ৰ পৰিয়ালটোৰ একমাত্ৰ অৰ্থনৈতিক ভৰষা তথা জীৱিকাৰ প্ৰধান উৎস আছিল সেই গোধনহাল। প্ৰকৃততে এক দশক পূৰ্বেই চেগা-চোৰোকাকৈ আৰম্ভ হোৱা এনে চুৰি কাৰ্যৰ অন্তৰালত যে সমগ্ৰ অঞ্চলটোৰ গোহালি উদং কৰাৰ এক সুদূৰপ্ৰসাৰী অভিসন্ধি ৰচনা কৰা হৈছিল, সেয়া এতিয়া সম্পূৰ্ণৰূপে প্ৰমাণিত হৈছে। এই চুৰি হোৱা গৰুবোৰ প্ৰকৃততে ক'লৈ সৰবৰাহ কৰা হয়, ক'ত বিক্ৰী কৰা হয় আৰু সৰ্বত্ৰে আৰক্ষীৰ তহল থকাৰ পিছতো কেনেকৈ এনেদৰে অবাধে গৰু চুৰি কাৰ্য সংঘটিত হ'ব পাৰে, সেয়া এতিয়া সাধাৰণ নাগৰিকৰ বাবে এক ডাঙৰ সাঁথৰ হৈ পৰিছে। বৰ্তমান পৰিস্থিতি ইমানেই মৰ্মান্তিক হৈ পৰিছে যে গাইগৰুৰ গাখীৰ বিক্ৰী কৰি সংসাৰ চলোৱা দুৰ্ভগীয়া পৰিয়ালবোৰে দিনে-নিশাই কেনে ধৰণৰ মানসিক যন্ত্ৰণা আৰু উজাগৰী নিশা অতিবাহিত কৰিবলৈ বাধ্য হৈছে, সেই মৰ্মবেদনা আচলতে ভুক্তভোগী গোপালকসকলৰ বাদে আন কোনেও বুজি নাপায়। এয়া এক নিষ্ঠুৰ তথা পতিয়ন যাব নোৱাৰা বাস্তৱ সত্য। চকুৰে নেদেখিলে বিশ্বাস কৰিব নোৱাৰি যে চুৰিৰ আতংকত কোনোবাজনে যদি নিজৰ গোহালিৰ কাষতে বিছনা পাতি নিশা যাপন কৰিছে, আন কোনোৱে আকৌ আত্মৰক্ষা আৰু সম্পত্তি সুৰক্ষাৰ স্বাৰ্থত নিজৰ অসম আৰ্হিৰ বাসগৃহৰ এটা কোঠাকেই গৰুৰ গোহালিলৈ ৰূপান্তৰ কৰিবলৈ বাধ্য হৈছে। এই গোপালকসকলে স্পষ্টকৈ জানিবলৈ দিয়ে যে, তেওঁলোকে আৰক্ষী প্ৰশাসনৰ ওপৰত সম্পূৰ্ণ আস্থা হেৰুৱাই পেলাইছে। তেওঁলোকৰ মতে, প্ৰশাসনৰ আইনী সুৰক্ষাৰ ওপৰত যদি কিঞ্চিৎ পৰিমাণেও বিশ্বাস থাকিলহেঁতেন, তেন্তে তেওঁলোকে বছৰ বছৰ ধৰি এনেদৰে উজাগৰী নিশা কটাই গোধন ৰক্ষাৰ বাবে কৰুণ চেষ্টা চলাব নালাগিলহেঁতেন। এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কলিয়াবৰ জিলা সমিতিৰ সম্পাদক মৃগাংক বৰাই কয় যে, "কলিয়াবৰৰ গ্ৰাম্য অৰ্থনীতি আৰু খেতিয়কসকলক সুৰক্ষা প্ৰদান কৰাটো আমাৰ মূল কৰ্তব্য। চোৰৰ এই সন্ত্ৰাসে আমাৰ বাপোটি সাহোন গৰু বিহুকো বিলুপ্ত কৰাৰ এক অভিসন্ধি ৰচনা কৰিছে। আৰক্ষী প্ৰশাসনৰ এনে উদাসীনতা কোনো কাৰণতে সহ্য কৰা নহ'ব। যদি অনতিপলমে এই চুৰি চক্ৰক কৰায়ত্ত কৰা নহয়, তেন্তে আমি ৰাইজক লগত লৈ এক বৃহৎ গণ-আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ম।" স্মাৰক পত্ৰখনৰ জৰিয়তে সংগঠনটোৱে স্থানীয় আৰক্ষী প্ৰশাসনৰ ভূমিকাৰ ওপৰতেও তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁলোকৰ অভিযোগ, এনে স্পৰ্শকাতৰ বিষয়ত আৰক্ষী প্ৰশাসনে যিধৰণৰ কঠোৰ আৰু সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল, সেয়া আজিলৈকে কাৰ্যক্ষেত্ৰত পৰিলক্ষিত হোৱা নাই। বৰঞ্চ দুষ্কৃতিকাৰী চক্ৰৰ প্ৰতি প্ৰশাসনৰ এক পৰোক্ষ শিথিলতা বা দুৰ্বল স্থিতিহে প্ৰকাশ পাইছে বুলি স্মাৰক পত্ৰখনত গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। এই সমগ্ৰ বিষয়টোক অতি স্পৰ্শকাতৰ বুলি গণ্য কৰি ইয়াৰ স্থায়ী সমাধান আৰু আন্তঃজিলা গৰু চুৰি চক্ৰটোক অতি সোনকালে কৰায়ত্ত কৰাৰ স্বাৰ্থত কলিয়াবৰৰ সমজিলা আয়ুক্ত মহোদয়ৰ লগতে কলিয়াবৰ, উলুবনী, জখলাবন্ধা, চুলুং, মিছা, বাগৰী, আমবাগান আৰু শিলঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকললৈও এই স্মাৰক পত্ৰৰ প্ৰতিলিপি প্ৰেৰণ কৰা হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কলিয়াবৰ জিলা সমিতিয়ে প্ৰশাসনক এই বিষয়ত অনতিপলমে বিহিত আৰু দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কঠোৰভাৱে সকীয়াই দিছে; অন্যথা সাধাৰণ শ্ৰমজীৱী ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ্থে সংগঠনটোৱে অনাগত দিনত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি হুংকাৰ প্ৰদান কৰে।

## অসমৰ ভিতৰত ১০০ শতাংশ সম্পূৰ্ণ কৰা দ্বিতীয় জিলা

# গোলাঘাটৰ স্বাস্থ্য বিভাগৰ এইচপিভি ভেকচিনৰ ১০০ শতাংশ সম্পূৰ্ণ কৰাৰ কৃতিত্ব

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২ অক্টোবৰ ঃ** এইচ পি ভি টিকাকৰণৰ ক্ষেত্ৰত গোলাঘাটৰ বাবে এক গৌৰৱৰ বিষয় যে শেহতীয়াকৈ গুৱাহাটীৰ ৰেডিচন ব্লু হোটেলত ২৯ ছেপ্টেম্বৰ তাৰিখে এইচ পি ভি টিকাকৰণ অভিযান আৰু নিয়মীয়া প্ৰতিষেধক সন্দৰ্ভত অনুষ্ঠিত হোৱা দুদিনীয়া ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সহ অভিমুখী সভাত জিলাখনক এই কৃতিত্বৰ বাবে স্বাস্থ্য মন্ত্ৰী অশোক সিংঘলে গোলাঘাট স্বাস্থ্য বিভাগক পুৰস্কৃত কৰে। দুদিনীয়া অনুষ্ঠানৰ সামৰণি অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰীয়ে জিলা প্ৰতিষেধক বিষয়া, ডা: কবিতা উজীৰ, অনুষ্কা বৰা, জিলা আঁচনি প্ৰবন্ধক আৰু ভেকচিন লজিষ্টিক আৰু কল্ড চেইন মেনেজাৰ, কে ৰেংমাক বটা আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে ১৮ জুলাইত স্বাস্থ্য সেৱা সঞ্চালকালয়ে (পৰিয়াল কল্যাণ) নিৰ্ধাৰিত কৰা লক্ষ্য সামৰি ১০০ শতাংশ এইচ পি ভি টিকাকৰণ লাভ কৰা অসমৰ দ্বিতীয়খন জিলা গোলাঘাট। ৰাজ্যিক পৰ্যায়ৰ পৰা নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এই কাৰ্যসূচী সম্পূৰ্ণ কৰি প্ৰশংসনীয় প্ৰদৰ্শন কৰে। এইচ পি ভি ভেকচিনৰ জৰিয়তে ছোৱালীসকলক ছাৰ্ভাইকেল কেন্সাৰৰ পৰা ৰক্ষা কৰাৰ দিশত এক উল্লেখযোগ্য অগ্ৰগতি চিহ্নিত কৰি গোলাঘাট জিলাই ছোৱালী সকলৰ সুস্বাস্থ্যৰ দিশত সকলো স্বাস্থ্য বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ আঁচনি পৰিচালনা গোটৰ বিষয়া-কৰ্মচাৰী, তৃণমূল পৰ্যায়ৰ স্বাস্থ্যকৰ্মী আদিৰ অৱদান উল্লেখযোগ্য। গুৱাহাটীত অনুষ্ঠিত ৰাজ্যিক কাৰ্যসূচীত মিছন সঞ্চালক, এন এইচ এম, অসম, সঞ্চালক স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ), অসমৰ লগতে অন্যান্য জ্যেষ্ঠ প্ৰশাসনিক আৰু জ্যেষ্ঠ চিকিৎসা বিষয়াসকল উপস্থিত থাকে।

# কামৰূপ জিলাৰ সকলো গাঁও পঞ্চায়তত বিশেষ গাঁও সভা আৰু সংস্কাৰ উৎসৱৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ অক্টোবৰ ঃ** তৃণমূল পৰ্যায়ৰ শাসন ব্যৱস্থা অধিক শক্তিশালী কৰা, জনকেন্দ্ৰিক সেৱা প্ৰদান ব্যৱস্থা উন্নত কৰা আৰু গুৰুত্বপূৰ্ণ চৰকাৰী সংস্কাৰসমূহৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ২ অক্টোবৰ, শুক্ৰবাৰে কামৰূপ জিলাৰ ১৩টা উন্নয়ন খণ্ডৰ অধীনস্থ ১৩৯খন গাঁও পঞ্চায়তত একেলগে বিশেষ গাঁও সভাৰ জৰিয়তে সংস্কাৰ উৎসৱ আয়োজন কৰা হ'ব। সংস্কাৰ উৎসৱৰ জৰিয়তে জীৱন-যাপনৰ সহজতা বৃদ্ধি, চৰকাৰী সেৱাৰ প্ৰৱেশাধিকাৰ উন্নত কৰা আৰু নাগৰিকসকলৰ বাবে বিভিন্ন চৰকাৰী সুবিধা আৰু আঁচনিৰ লাভ অধিক ফলপ্ৰসূভাৱে নিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা সংস্কাৰমূলক পদক্ষেপসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰা হ'ব। এই কাৰ্যসূচীৰ অংশ হিচাপে ৭টা কেন্দ্ৰীয় মন্ত্ৰালয়ৰ অধীনস্থ পাঁচটা ৰাজ্যিক চৰকাৰী বিভাগ ক্ৰমে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসম্পদ বিভাগ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আৰু খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়া তথা প্ৰতিনিধিসকলে বিশেষ গাঁও সভাসমূহত অংশগ্ৰহণ কৰিব। তেওঁলোকে নিজ নিজ বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনি আৰু সংস্কাৰমূলক পদক্ষেপৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লগতে চৰকাৰী সেৱা আৰু সুবিধাসমূহৰ প্ৰৱেশাধিকাৰ অধিক সহজ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিব। সংস্কাৰ উৎসৱত নিম্নলিখিত ১২টা গুৰুত্বপূৰ্ণ আঁচনি আৰু পদক্ষেপৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। আঁচনি আৰু পদক্ষেপসমূহ- ১) বিত্ত আয়োগৰ পুঁজিৰ অধিক হস্তান্তৰৰ জৰিয়তে পঞ্চায়তসমূহক শক্তিশালী কৰা, ২) স্বামীত্ব আঁচনি (SVAMITVA, ৩) বিকশিত ভাৰত—গেৰাণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ) (VB-G RAM G), ৪) লাখপতি বাইদেউ, ৫) জল জীৱন মিছন, ৬) স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ) — স্বচ্ছতা সম্পৰ্কীয় পদক্ষেপ, ৭) BIS মানচিহ্নিতকৰণ আৰু ৰাষ্ট্ৰীয় গ্ৰাহক সহায়তা সেৱা, ৮) প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা (PMGKAY), ৯) এক দেশ, এক ৰেচন কাৰ্ড (ONORC), ১০) জল সঞ্চয় জনভাগীদাৰী (JSJB) — বৰষুণৰ পানী সংৰক্ষণ অভিযান, ১১) ডিজিটেল ভূমি তথ্য আধুনিকীকৰণ কাৰ্যসূচী (DILRMP), ১২) জলবিভাজিকা উন্নয়ন প্ৰকল্প। কামৰূপ জিলাৰ সংশ্লিষ্ট গাঁও পঞ্চায়তসমূহৰ সকলো নাগৰিককে নিজ নিজ গাঁও পঞ্চায়তত অনুষ্ঠিত হ'বলগীয়া বিশেষ গাঁও সভাত অংশগ্ৰহণ কৰি নিৰ্ধাৰিত স্থানত উপস্থিত থাকিবলৈ আহ্বান জনাইছে। বিশেষ গাঁও সভাৰ স্থান আৰু অন্যান্য তথ্যৰ বাবে সংশ্লিষ্ট গাঁও পঞ্চায়ত সচিবসকলৰ সৈতে যোগাযোগ কৰিব পাৰিব।

## শিৱসাগৰত সংগ্ৰামী সেনাৰ নৱম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

# সংগ্ৰামী নাৰী শক্তিৰ জৰিয়তে অসমীয়া জাতিৰ সুৰক্ষাৰ আন্দোলনক অধিক গতিশীলতা প্ৰদান কৰিব সংগ্ৰামী সেনাই



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ট'াৰ, শিৱসাগৰ, ২ অক্টোবৰ ঃ** অসমৰ অন্যতম জাতীয় সংগঠন সংগ্ৰামী সেনা অসমৰ নৱম সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ ছোৱালী কলেজ মুকলি প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা সংগ্ৰামী সেনাৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি পংকজ খাউণ্ডে। শ্বহীদ তৰ্পণৰ পাছত জাতিৰ পিতা মহাত্মা গান্ধী আৰু প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। বিয়লি ১ বজাত সংগ্ৰামী সেনাৰ কেন্দ্ৰীয় সভাপতি পংকজ খাউণ্ডৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত হয়। এই মুকলি সভা উদ্বোধন কৰি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, নাৰী শক্তি অজেয় আৰু অন্যান্য। সেয়ে অসমৰ অধিকাংশ জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ একোটা ভগ্নী সংগঠন আছে। এই নাৰী শক্তি অবিহনে এখন সুস্থ আৰু সবল সমাজ কেতিয়াও বৰ্তি থাকিব নোৱাৰে। মহাসতী জয়মতীৰ আত্মত্যাগ, বীৰাঙ্গনা মূলাগাভৰু, সতী সাধনী আৰু কনকলতাৰ দৰে অজস্ৰ সাহসী নাৰীয়ে স্বদেশ আৰু স্বজাতিৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে প্ৰাণ আহুতি দি আহিছে। আহোম শাসনকালত মুছলমান সেনাপতি তুৰ্বকে অসম আক্ৰমণ কৰিছিল। এই তুৰ্বকৰ সৈতে হোৱা যুদ্ধত আহোম সেনাপতি ফ্ৰাচেংমুঙ বৰগোহাঞিৰ মৃত্যু হৈছিল। যুদ্ধৰ পূৰ্বে স্বামীক একে নিশাই কবচ কাপোৰ বৈ দিব নোৱাৰাৰ বাবে স্বামীৰ মৃত্যু হোৱা বুলি বিশ্বাস কৰিছিল পত্নী মূলাগাভৰুৱে। সেয়ে স্বামী হত্যাৰ প্ৰতিশোধ ল'বলৈ সাহসী আহোম ৰমণী মূলাগাভৰুৱে নাৰী বাহিনী গঠন কৰি তুৰ্বকৰ বিৰুদ্ধে তয়াময়া ৰণ কৰিছিল। সেয়ে আজিৰ নাৰীশক্তিয়ে বীৰাঙ্গনা মূলাগাভৰুক আদৰ্শ হিচাপে গ্ৰহণ কৰা উচিত। আজিৰ সভাত গঠন হোৱা সংগ্ৰামী নাৰী শক্তিৰ জৰিয়তে সংগ্ৰামী সেনাই অসমীয়া জাতিৰ সুৰক্ষাৰ আন্দোলনক অধিক গতিশীলতা প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি মনিৰুল ইছলাম বড়াই আশা প্ৰকাশ কৰে। এই মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে বতমান কৰ্মসংস্কৃতিৰ প্ৰতি অনিহা প্ৰকাশ কৰা অসমীয়া জাতিটোক কৰ্মসংস্কৃতি আৰু সেউজ বিপ্লৱৰ জৰিয়তে স্বনিৰ্ভৰশীল কৰি তুলিবলৈ সংগ্ৰামী সেনাই প্ৰচেষ্টা চলাই যাব বুলি মত প্ৰকাশ কৰে। মুকলি সভাত আহোম জাতীয় গণ মঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিঙীয়া, অধ্যাপক প্ৰবীণ শৰ্মা, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৱালিফুৰ ৰহমান, আক্ৰাছুৰ সাধাৰণ সম্পাদক পাৰ্থ বড়া, অসম ছাত্ৰ যুৱ সন্মিলনৰ সভাপতি জিণ্টু মেছকে ধৰি বহু কেইগৰাকী জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। এই মুকলি সভাত প্ৰকৃতিবিদ জেহিৰুদ্দিন খানক সমাজ সৌৰভ বঁটা প্ৰদান কৰাৰ লগতে শিৱসাগৰৰ অৰ্ধশতাধিক নবীন প্ৰবীণ সাংবাদিকক সংগ্ৰামী সেনাৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। এই সভাতেই নিজুমনি গগৈক সভানেত্ৰী বৰ্ষা বৰা আৰু আৰতি কোঁৱৰক যুটীয়া সম্পাদিকা হিচাপে লৈ সংগ্ৰামী নাৰী শক্তিৰ শিৱসাগৰ জিলা সমিতিখন গঠন কৰা হয়। সন্ধিয়া শিৱসাগৰৰ বিষুঃ দলত প্ৰতিষ্ঠা দিৱসৰ উপলক্ষত নৃসিংহ মূৰাৰী ভাওনা প্ৰদৰ্শন কৰা হয়।

## দলঙৰ কাষৰ পৰা উদ্ধাৰ নৱজাতকৰ মৃতদেহ

# বৰপেটাৰ দাৱালীয়াপাৰাত মানৱ সমাজক লজ্জানত কৰা ঘটনা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২ অক্টোবৰ ঃ** ১ অক্টোবৰ বৰপেটাৰ দাৱালীয়াপাৰাত মানৱ সমাজক লজ্জানত কৰা ঘটনা সংঘটিত হৈছে। দলঙৰ কাষৰ পৰা উদ্ধাৰ এটি নৱজাতকৰ মৃতদেহ। অবৈধ সম্পৰ্কৰ ফলত নৱজাতকটিৰ জন্ম হোৱাৰ পাছত পৰিচয় গোপন কৰাৰ উদ্দেশ্যে দলঙৰ তলত মৃতদেহটো পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে ঘটনাস্থলীত উপস্থিত হয় হাউলী আৰক্ষী। আৰক্ষীয়ে নৱজাতকৰ মৃতদেহ উদ্ধাৰ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

# ২৪নং বাহিনী SSBৰ দ্বাৰা স্বচ্ছতা হি সেৱা (SHS) অভিযান-২০২৬ আৰু 'এক পেড় মা কে নাম' অভিযানৰ অধীনত স্বচ্ছতা আৰু বৃক্ষৰোপণ কাৰ্যসূচী আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ২ অক্টোবৰ ঃ** শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ দক্ষ নিৰ্দেশনা আৰু মাৰ্গদৰ্শনত স্বচ্ছতা হি সেৱা (SHS) অভিযান-২০২৬ৰ অধীনত ২৪নং বাহিনী SSBৰ দ্বাৰা ০২ অ'ৌবৰ ২০২৬ তাৰিখে বাহিনী মুখ্য কাৰ্যালয়, সীমা চকী আৰু বাহিৰা কৰ্তব্যত নিয়োজিত সমূহত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে পৰিৱেশ সংৰক্ষণ আৰু সেউজীয়া পৰিৱেশ বৃদ্ধিৰ উদ্দেশ্যে 'এক পেড় মা কে নাম' অভিযানৰ অধীনত বিভিন্ন গছ-গছনি ৰোপণ কৰা হয়। লগতে উপস্থিত জোৱানসকলে স্বচ্ছতা বজাই ৰখা আৰু 'এক পেড় মা কে নাম' অভিযানৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰি শপত গ্ৰহণ কৰে। বাহিনী মুখ্য কাৰ্যালয়ত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত প্ৰকাশ চন্দ্ৰ বাসৱাল, দ্বিতীয়-ইন-কমাণ্ড বিষয়াই উপস্থিত জোৱানসকলক স্বচ্ছতা বজাই ৰখাৰ লগতে



পৰিৱেশ সংৰক্ষণৰ বাবে অধিক সংখ্যক গছ-গছনি আৰু জোপোহা ৰোপণ কৰিবলৈ উৎসাহিত কৰে। তেওঁ কয় যে পৰিষ্কাৰ আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাত প্ৰতিজন ব্যক্তিৰ সক্ৰিয় অংশগ্ৰহণ অত্যন্ত গুৰুত্বপূৰ্ণ। শপত গ্ৰহণ অনুষ্ঠানৰ পিছত বাহিনী মুখ্য কাৰ্যালয় চৌহদত 'এক পেড় মা কে নাম' অভিযানৰ অধীনত বৃক্ষৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়, য'ত জোৱানসকলে উৎসাহেৰে অংশগ্ৰহণ কৰে। একেদৰে, বাহিনীৰ সকলো সীমা চকী আৰু বাহিৰা কৰ্তব্যত নিয়োজিত সমূহতো শপত গ্ৰহণ আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীসমূহৰ জৰিয়তে জোৱানসকল আৰু সীমান্তৱৰ্তী অঞ্চলত বাস কৰা লোকসকলৰ মাজত স্বচ্ছতা, পৰিৱেশ সংৰক্ষণ আৰু সেউজীয়া পৰিৱেশ বৃদ্ধিৰ প্ৰতি সজাগতা তথা দায়বদ্ধতাৰ ভাৱনা গঢ়ি তোলাৰ বাৰ্তা প্ৰদান কৰা হয়।

# সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ওদালগুৰিত স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ১ অ'ৌবৰ ২০২৬ তাৰিখে ওদালগুৰি বিষ্ণুৰাভা প্ৰেক্ষাগৃহত প্ৰথমখন ব্লক পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনে আয়োজন কৰা সেৱা সংকল্প অভিযানৰ অধীনত বৃহস্পতিবাৰে ওদালগুৰি বিষ্ণুৰাভা প্ৰেক্ষাগৃহত আয়োজিত সেৱা সেতু অভিযানৰ অংশ হিচাপে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত এই স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন হয়। এই স্বাস্থ্য শিবিৰত চাৰি শতাধিকৰো অধিক হিতাধিকাৰীক স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। ওদালগুৰি অসামৰিক চিকিৎসালয়ৰ বিশেষজ্ঞ চিকিৎসকৰ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকে। বিশেষজ্ঞ চিকিৎসক ডাঃহিৰণ্য গয়াৰী, ডাঃ ভদ্ৰকান্ত শৰ্মা, ডাঃ বি পি ৰাভা আদিকে ধৰি কেইবাগৰাকীও চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰে। লগতে এই শিবিৰত মোবাইল মেডিকেল ইউনিটৰ জৰিয়তে বিনামূলীয়া তেজৰ বিভিন্ন পৰীক্ষাসমূহ, ইচিজিৰ সুবিধা প্ৰদান কৰাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। লগতে যক্ষ্মা ৰোগ নিৰ্ণয়ৰ বাবে এ'ৰেৰ সুবিধা প্ৰদান কৰা হয়। এই শিবিৰত লগতে আয়ুষ্মান আৰোগ্য কাৰ্ড, জন্ম আৰু মৃত্যুৰ প্ৰমাণ পত্ৰৰ বাবে পঞ্জীয়ন কৰা তথা এই সন্দৰ্ভত থকা বিভিন্ন অসুবিধা দূৰীকৰণৰ প্ৰচেষ্টা কৰা হয়। সেৱা সংকল্প অভিযানৰ অধীনত স্বাস্থ্য বিভাগে জনসাধাৰণৰ ওচৰলৈ সহজলভ্য তথা সামগ্ৰিক স্বাস্থ্যসেৱা আগবঢ়াই নিবলৈ প্ৰচেষ্টা চলাইছে।

## গান্ধী জয়ন্তীত জাতিৰ পিতালৈ

ৰাজঘাটত গান্ধীজীৰ সমাধিত পুষ্পমাল্য অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছত তেওঁ ৰাজঘাটত অনুষ্ঠিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশ গ্ৰহণ কৰে। এক্সযোগে প্ৰকাশ কৰা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়- "জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জন্মজয়ন্তী উপলক্ষে সকলো দেশবাসীৰ হৈ তেওঁলৈ মোৰ বিনম্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মহাত্মা গান্ধীলৈ শ্ৰদ্ধা জনাইছে। তেওঁ কয়- "বাপুৰ কালজয়ী বাৰ্তাই আমাক এখন উন্নত সমাজ আৰু বিকশিত ভাৰতৰ দিশত পথ প্ৰদৰ্শন কৰি যাওক।" আন এক বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে- "পূজনীয় বাপুৰ সমগ্ৰ জীৱন সত্য, অহিংসা, কৰুণা আৰু সেৱাৰ পোহৰস্বৰূপ। তেওঁৰ আদৰ্শই প্ৰতিটো যুগত মানৱতাৰ পথ প্ৰশস্ত কৰি থাকিব।" কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গান্ধীজীলৈ শ্ৰদ্ধা নিবেদন কৰি কয়- "পূজ্য বাপুৰ জন্মজয়ন্তীত তেওঁলৈ বিনম্ৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ। সত্য আৰু অহিংসাৰ পথেৰে তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনক নতুন গতি প্ৰদান কৰিছিল। শান্তি, সহনশীলতা, সমতা আৰু ঐক্যৰ তেওঁৰ বাৰ্তা সমগ্ৰ বিশ্বৰ বাবে প্ৰেৰণাৰ উৎস।" তেওঁ লগতে কয় যে গান্ধীজীৰ স্বদেশী, আত্মনিৰ্ভৰশীলতা আৰু সৰ্বোদয়ৰ ধাৰণাই আজিও সমাজ গঢ়াত প্ৰাসংগিক। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও মহাত্মা গান্ধীলৈ শ্ৰদ্ধাঞ্জলি জনাইছে। তেওঁ কয়- "সত্য আৰু অহিংসাক জীৱনৰ ভেটি কৰি গান্ধীজীয়ে দেশবাসীৰ মাজত স্বাধীনতাৰ চেতনা জগাইছিল। স্বদেশী আৰু আত্মনিৰ্ভৰশীলতাৰ তেওঁৰ চিন্তাই আত্মনিৰ্ভৰ সমাজৰ ভাৱনাক শক্তিশালী কৰিছিল। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি তেওঁৰ আহ্বান আজিও আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস।" কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই গান্ধীজীৰ এটা প্ৰখ্যাত বাণীৰ জৰিয়তে তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে- "প্ৰথমে তেওঁলোকে তোমাক আওকাণ কৰিব, তাৰ পিছত তোমাক হাঁহিব, তাৰ পিছত তোমাৰ লগত যুঁজ দিব, আৰু শেষত তুমি জয়ী হ'বা।" খাৰ্গেই কয় যে সত্য, অহিংসা, সমন্বয় আৰু ন্যায়ৰ পথত অটল থকাটোৱেই গান্ধীজীলৈ প্ৰকৃত শ্ৰদ্ধাঞ্জলি। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গান্ধী জয়ন্তীত পূজ্য বাপুক স্মৰণ কৰি কয়- "তেওঁৰ দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত জাতিটোৱে স্বদেশী আৰু আত্মনিৰ্ভৰতাৰ নতুন যুগত আগবাঢ়িছে। ২০২৫ চনত তৃণমূল পৰ্যায়ত কল্যাণমূলক কাম আগবঢ়াই নিবলৈ বিত্ত আয়োগে অসমৰ পঞ্চায়তসমূহক ৫২৫ কোটিতকৈ অধিক ধন আবণ্টন দিছিল। আমি তেওঁৰ পদাংক অনুসৰণ কৰি গাঁও আৰু পঞ্চায়তসমূহক অধিক স্থিতিস্থাপক তথা আত্মনিৰ্ভৰশীল কৰি গঢ়িম।" ইপিনে, নাগালেণ্ডৰ মন্ত্ৰী টেমজেন ইমনা আলঙে নিজৰ বৈশিষ্ট্যপূৰ্ণ শৈলীত গান্ধীজীক স্মৰণ কৰে। তেওঁ ছ'চিয়েল মিডিয়াত নিজৰ তিনিটা ভিন্ন ভংগিমাৰ ফটো সংযোজন কৰি গান্ধীজীৰ তিনিটা বান্দৰৰ ধাৰণাক ব্যংগাত্মকভাৱে উপস্থাপন কৰে। ফটোৰ সৈতে তেওঁ লিখে- "এয়া মই, যেতিয়াই কোনোবাই মোৰ বিয়াৰ কথা সোধে।" লগতে তেওঁ 'সংসাৰত যি পৰিৱৰ্তন দেখিব বিচাৰা, নিজেই সেই পৰিৱৰ্তন হোৱা'- এই বাৰ্তাও সংযোজন কৰে। গান্ধী জয়ন্তী উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত প্ৰভাত ফেৰী, স্বচ্ছতা অভিযান, সৰ্বধৰ্ম প্ৰাৰ্থনা, ৰক্তদান শিবিৰ আদি কাৰ্যসূচী অনুষ্ঠিত হোৱা পৰিলক্ষিত হৈছে। মহাত্মা গান্ধীৰ সত্য, অহিংসা, ঐক্য আৰু সেৱাৰ আদৰ্শক জীৱনত অনুসৰণ কৰাৰ আহ্বান এইবাৰো সমাজৰ বিভিন্ন স্তৰৰ পৰা উত্থাপন হৈছে।

## এছিয়ান গেমছত স্বৰ্ণ জয়

চিন্তাত বেছি আছিল, কিন্তু এতিয়া নিজৰ শ্ৰেষ্ঠখিনি দিয়াৰ ওপৰত গুৰুত্ব দিয়ে। "মই মাত্ৰ ভাবিছিলোঁ যে মই মোৰ মেচত জীয়াই থাকিব লাগিব। মোৰ ১০০ শতাংশ দিব লাগিব। তাৰ পিছত নিশ্চিতভাৱে ফলাফল ভাল হ'ব, "লাভলীনাই কয়। ২০২৪ চনৰ পেৰিছ অলিম্পিকৰ পিছত তেওঁ মানসিকভাৱে কঠিন সময়ৰ সন্মুখীন হৈছিল। সেই সময়ত তেওঁ পুনৰ উভতি আহিব পাৰিব নে নাই সেয়াও ভাবিবলগা হৈছিল। কিন্তু শেষত তেওঁ নিজৰ মূল উদ্দেশ্যলৈ ঘূৰি আহি পুনৰ পৰিশ্ৰম আৰম্ভ কৰে আৰু এই ঐতিহাসিক সাফল্য অৰ্জন কৰে। লাভলীনাৰ পিতৃ টিকেন বৰগোঁহায়ে পুত্ৰীৰ সাফল্যত আনন্দিত হৈ কয়, "আমি অত্যন্ত আনন্দিত। আজি তাই ফাইনেলত জয়ী হৈছে, লগতে আজি তাইৰ জন্মদিন। এয়া তাইৰ প্ৰথম এছিয়ান গেমছৰ সোণৰ পদক। তাই অত্যন্ত পৰিশ্ৰম কৰিছে। তাই এই সোণৰ পদকৰ কথা কৈছিল। ইয়াৰ আগতে তাই ৰূপৰ পদক জয় কৰিছিল আৰু তাৰ ৰং সলনি কৰিব বিচাৰিছিল। এতিয়া সেই ৰং সলনি হোৱা দেখি বৰ ভাল লাগিছে। মই অত্যন্ত আনন্দিত আৰু তাইৰ হৈ সকলো দেশবাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বহু লোকে এই সফলতাৰ বাবে প্ৰাৰ্থনা কৰিছিল; মই সকলোকে আন্তৰিক ধন্যবাদ জনাইছোঁ।" লাভলীনাই ইয়াৰ পূৰ্বে এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰিছিল। এইবাৰ সেই ৰূপৰ ৰং সোণালী কৰি তেওঁ অসম তথা সমগ্ৰ দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ এই সাফল্যই আগন্তুক প্ৰজন্মৰ খেলুৱৈসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস হিচাপে থাকি যাব।

## গান্ধী জয়ন্তীত বাঁহৰ চাইকেল উন্মোচন

হয়। বেম্বো ইণ্ডিয়া প্ৰাইভেট লিমিটেডে সাজি উলিওৱা এই চাইকেলৰ গোটেই গাঁথনি বাঁহেৰে নিৰ্মিত। বাঁহৰ চাইকেল মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, "গান্ধী জয়ন্তীৰ আজিৰ শুভ দিনটোতে আমি নতুন এক প্ৰয়োগ আৰম্ভ কৰিছোঁ। পুনেৰ বেম্বো ইণ্ডিয়া নামৰ প্ৰতিষ্ঠানটোৱে প্ৰতি মাহে ১০০০খন বাঁহেৰে নিৰ্মিত চাইকেল উৎপাদন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি প্ৰথম কেবাখনো চাইকেল মুকলি কৰা হ'ল।" মুখ্যমন্ত্ৰীগৰাকীয়ে এক্সযোগে প্ৰকাশ কৰা বাৰ্তাত লিখে, "মই কি চলাইছোঁ জানিব বিচাৰে? ই বাঁহৰ চাইকেল- যাৰ গাঁথনি সম্পূৰ্ণৰূপে বাঁহেৰে নিৰ্মিত আৰু ভাৰতীয় মানক ব্যুৰ' (বিআইএছ) দ্বাৰা প্ৰমাণিত। অহা কিছুদিনৰ ভিতৰত গুৱাহাটীৰ বিভিন্ন উদ্যানত এই চাইকেলসমূহ ৰখা হ'ব, যাতে ৰাইজে চলাই চাই উৎপাদনৰ আগতে নিজৰ মতামত দিব পাৰে।" প্ৰথম পৰ্যায়ত মহানগৰীৰ উদ্যানসমূহত বাঁহৰ চাইকেলসমূহ ৰখাৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, "বাঁহৰ চাইকেলক লৈ ৰাইজৰ সঁহাৰি ভাল হ'লে ভৱিষ্যতে বাঁহৰ চাইকেল নিৰ্মাণৰ কাম ত্বৰান্বিত কৰা হ'ব। লোকে ভাল বুলি ক'লে চাইকেলসমূহ ৰাইজৰ মাজলৈ উলিয়াই দিয়া হ'ব।" তেওঁ লগতে উল্লেখ কৰে, যদি ৰাইজৰ সঁহাৰি সন্তোষজনক হয়, তেন্তে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰা চৰকাৰী আঁচনিসমূহতো এই বাঁহৰ চাইকেল অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয়, "ছয়গাঁৱৰ বেম্বো পাৰ্কত পুনেৰ বেম্বো ইণ্ডিয়া নামৰ প্ৰতিষ্ঠানটোক বাঁহৰ চাইকেল নিৰ্মাণৰ বাবে স্থান দিয়া হৈছিল। এইক্ষেত্ৰত ছেপ্তেম্বৰ মাহতে অসম ঔদ্যোগিক উন্নয়ন লিমিটেড আৰু বেম্বো ইণ্ডিয়াৰ মাজত এক বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছিল। কোম্পানীটোৰ দাবী অনুসৰি, ষ্টিলতকৈও বাঁহ অধিক শক্তিশালী, মজবুত আৰু দীৰ্ঘস্থায়ী।" বেম্বো ইণ্ডিয়া প্ৰাইভেট লিমিটেডে সাজি উলিওৱা চাইকেলখনৰ সুৰক্ষাজনিত দিশতো ব্যুৰ' অৱ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ডে প্ৰমাণপত্ৰ প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "বাঁহৰ এই চাইকেলৰ যদি ভাল প্ৰয়োগ হয়, তেন্তে অসমে বেম্বো চাইকেল নিৰ্মাণৰ ক্ষেত্ৰত এক ডাঙৰ খোজ আগবঢ়াবলৈ সক্ষম হ'ব।" আগন্তুক ১০ বছৰত বাঁহ অসমৰ ডাঙৰ সম্পদলৈ ৰূপান্তৰিত হ'ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "অসমৰ বাঁহৰ বহুমুখী ব্যৱহাৰ আছে। এই বাঁহৰ পৰা ৮০০ বিধৰ সামগ্ৰী প্ৰস্তুত কৰিব পাৰি। বাঁহৰ পৰা টাইলছ, মিথানল, ইথানল, বহনক্ষম বিমান ইন্ধন আদিও প্ৰস্তুত কৰিব পাৰি।" উল্লেখযোগ্য যে, বেম্বো ইণ্ডিয়াই সাজি উলিওৱা এই বাঁহৰ চাইকেলখন মাত্ৰ ৫ টকাত চাৰ্জ কৰি ৫০ কিলোমিটাৰ পৰ্যন্ত চলাব পাৰি। ইপিনে, বাঁহৰ চাইকেল উন্মোচন অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই অখিল গগৈৰ প্ৰসংগত কেতবোৰ মন্তব্য কৰে। তেওঁ কয়, "অখিল গগৈয়েই জানে যে বান সাহায্যৰ বাবে ইতিমধ্যে ৫৫, ০০০টা পৰিয়াল বাছনি কৰি চৰকাৰে কাম আগবঢ়াই নিছে। তথাপি তেওঁ সৰু ল'ৰাৰ দৰে কথাই কথাই ৰাজনীতি কৰাৰ চেষ্টা কৰি আছে।" বাঁহৰ চাইকেলৰ এই পদক্ষেপক লৈ অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাহে [ÃÃalso? Actually]. বিমল বৰাহে কয় যে ই অসমৰ বাঁহৰ ঐতিহ্যক সেউজ উদ্ভাৱন, আধুনিক উৎপাদন আৰু স্থানীয় উদ্যোগৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰাৰ এক নতুন অধ্যায়। এই পদক্ষেপে ৰাজ্যত কৰ্মসংস্থাপন, গ্ৰাম্য জীৱিকা আৰু স্থানীয় উদ্যোগক নতুন গতি প্ৰদান কৰিব বুলি তেওঁ মন্তব্য কৰে।

## জে'লৰ কয়দীয়ে ভোট নিদিয়ে

লাভলীনাৰ কৃতিত্বৰ বাবে অসমবাসীৰ হৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ সৈতে ফোনযোগে কথা পতা বুলিও উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ইফালে নিৰ্বাচনী সভাখনত কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু গৌৰৱ গগৈক লৈও ৰাজনৈতিক মন্তব্য আগবঢ়ায় মুখ্যমন্ত্ৰীগৰাকীয়ে। তেওঁৰ ভাষ্য অনুসৰি, নিৰ্বাচনৰ সময়ত তেওঁ জনসাধাৰণৰ বিষয়ক অগ্ৰাধিকাৰ দিয়ে। আনহাতে, ৰাহুল গান্ধী আৰু গৌৰৱ গগৈয়ে জে'লৰ বিষয়ক লৈ চিন্তা কৰে বুলি মন্তব্য কৰি তেওঁ কয়- "জে'লৰ কয়দীয়ে ভোট নিদিয়ে, ভোট দিব মানুহে।" ইয়াৰ উপৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰতো অনুষ্ঠিত হয় আন এখন বিশাল নিৰ্বাচনী সভা। উক্ত সভাতো মুখ্যমন্ত্ৰীগৰাকীয়ে এন ডি এৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত ৰাইজক ভোটদানৰ আহ্বান জনায়।

## অৰুণাচল প্ৰদেশত আলফাৰ(স্বাধীন)

বিজয়নগৰ পথত সেনা বাহিনীক লক্ষ্য কৰি আই, ই, ডি বিস্ফোৰণেৰে আক্ৰমণৰ পৰিকল্পনাৰ সৈতে জড়িত থকাৰ সন্দেহ কৰা হৈছে। সেনাবাহিনীৰ চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত ২৯ ছেপ্টেম্বৰৰ পৰা এই অভিযান আৰম্ভ কৰা হৈছিল আৰু বৃহস্পতি বাৰে আলফাৰ (স্বাধীন) সদস্য দুগৰাকীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী তথা সেনা বাহিনী। আটকাধিন সদস্য দুগৰাকী এছ, এছ লেন্স কৰ্পৰেল সহদেৱ ৰায় ওৰফে বাপ্পী অসম আৰু এছ, এছ প্ৰাইভেট ছিৰাজো আলম ওৰফে ছিৰাজ অসম বুলি জানিব পৰা গৈছে। অভিযান কালত দুয়োগৰাকী সদস্যৰ পৰা এটা এ, কে ছিৰিজৰ ৰাইফল, তিনিটা মেগজিন আৰু ৯০টা লাইভ কাৰ্টিজ উদ্ধাৰ কৰা হয়। দুয়োগৰাকী সদস্য প্ৰায় ২০ জনীয়া এটা সশস্ত্ৰ দলৰ অংশ বুলি জানিব পৰা গৈছে। নিৰাপত্তা বাহিনীৰ তথ্য অনুসৰি এই সফল অভিযানে সেনা বাহিনী আৰু সাধাৰণ নাগৰিকৰ ওপৰত হব পৰা এক সম্ভাব্য আক্ৰমণৰ পৰা ৰক্ষা পৰিল। ইয়াৰোপৰি সদস্য দুগৰাকীক জেৰাৰ অন্তত তেওঁলোকৰ নেটৱৰ্ক, আৰু ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে গুৰুত্বপূৰ্ণ তথ্য লাভ কৰাৰ আশা কৰা হৈছে যদিও সমগ্ৰ অঞ্চলটোত ২০ জনীয়া দলটোৰ আন সদস্যসকলক বিচাৰি অনুসন্ধান আৰু অভিযান অব্যাহত ৰাখিছে সেনা বাহিনীয়ে। অৰুণাচল প্ৰদেশৰ ম্যাও বিজয়নগৰ পথটো চাংলাং জিলাৰ নামদফা অঞ্চল অতিক্ৰম কৰা ৯১৩ নং সীমান্ত ঘাইপথৰ প্ৰস্তাৱিত অংশৰ এক দুৰ্গম পাহাৰীয়া পথ। উক্ত অঞ্চল সমূহত নিৰাপত্তা জনিত কাৰণত কৌশলগত ভাৱে অভিযান অব্যাহত ৰাখিব বুলি সেনা বাহিনীৰ তৰফৰ পৰা জানিবলৈ দিয়ে।

## দেৱাশিস শৰ্মা জিলা আয়ুক্ত হৈ থাকোঁতে

কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰখ্যাত আইনজ্ঞ ছলমান খুৰশ্বিদে বিজেপি প্ৰাৰ্থীৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে নগাঁও জিলাৰ আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা দেৱাশিস শৰ্মা এতিয়া সেই একেই সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো অত্যন্ত উদ্বেগজনক। খুৰশ্বিদে কয়, "নগাঁৱত যি ঘটনা সংঘটিত হৈছে, সেয়া কেতিয়াও দেখা নাই। জিলা আয়ুক্ত হিচাপে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰা ব্যক্তিগৰাকী আজি সেই ঠাইৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হৈছে। এইটো গণতন্ত্ৰৰ বাবে চিন্তাৰ বিষয়।" তেওঁ অভিযোগ কৰে যে জিলা আয়ুক্ত হৈ থাকোঁতে দেৱাশিস শৰ্মাই ভাৰতীয় নাগৰিকক বিদেশী বুলি খেদি পঠাইছিল আৰু ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে কাম কৰিছিল। সেই সময়ত খেদি পঠিওৱা ভাৰতীয় দুগৰাকী মহিলা এতিয়া ক'ত আছে, সেয়া আদালতে বাৰম্বাৰ সোধা বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয়, "এখন সমষ্টিৰ নিৰ্বাচনে চৰকাৰৰ চৰিত্ৰ সলনি কৰিব নোৱাৰে। গণতন্ত্ৰ ৰক্ষাৰ বাবে এই চৰকাৰক উৎখাত কৰিব লাগিব।" শেহতীয়াকৈ দেশৰ নিৰ্বাচন আয়োগৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰি তেওঁ কয়, মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে, যিটো গণতন্ত্ৰৰ বাবে ভাবুকি। ইয়াৰ ফলত দেশবাসীয়ে ভোট দিবলৈ শংকা অনুভৱ কৰিছে বুলি তেওঁ মন্তব্য কৰে। নগাঁও উপ-নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰো প্ৰশাসনিক অভিজ্ঞতা আছে উল্লেখ কৰি খুৰশ্বিদে কয় যে দুয়োগৰাকী প্ৰাৰ্থীৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে। তেওঁ আশা প্ৰকাশ কৰে যে নগাঁও সমষ্টিৰ ৰাইজে উপযুক্ত সিদ্ধান্ত ল'ব। অসম চুক্তিৰ প্ৰসংগত খুৰশ্বিদে কয় যে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ প্ৰয়াসত অসম চুক্তি ৰূপায়ণত গুৰুত্ব দিয়া হৈছিল। চুক্তি অনুসৰি ভিত্তিবৰ্ষ ১৯৭১ চনৰ পাছত অহাসকল যাব লাগিব আৰু পাছত অহাসকল থাকিব। ইয়াত ধৰ্মৰ কোনো কথা নাছিল। উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত এনআৰচি হৈছিল যদিও সাত বছৰ পাৰ হোৱাৰ পাছতো একো ফল প্ৰকাশ পোৱা নাই। তেওঁ অভিযোগ কৰে যে বৰ্তমান চৰকাৰৰ দিনত অসম চুক্তিক অপমান কৰা হৈছে আৰু পক্ষপাত কৰা হৈছে। তেওঁ লগতে কয়, "অসম চৰকাৰে উচ্ছেদৰ নামত হাৰাশাস্তি কৰি আহিছে। উচ্ছেদৰ ক্ষেত্ৰত পক্ষপাত কৰা হৈছে। উচ্ছেদ কৰা নাগৰিকৰ ভোটাৰ তালিকাৰ পৰা নাম কাটি দিয়া হৈছে, যাৰ ফলত ভাৰতীয় নাগৰিকৰ অধিকাৰ খৰ্ব হৈছে।" এনকাউণ্টাৰ কেতিয়াও সমৰ্থনযোগ্য নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে অসমত হোৱা ১৭১টা এনকাউণ্টাৰত ৫৬ জনৰ মৃত্যু হৈছে আৰু মুখ্যমন্ত্ৰীয়ে আইন-কানুনৰ ঊৰ্ধ্বত গৈ কথা কয়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "ভিত্তিবৰ্ষ ১৯৭১ চনৰ আগত কোন আহিছে আৰু কোন পাছত আহিছে, সেইটো আইনে সিদ্ধান্ত ল'ব। কিন্তু আইনৰ ঊৰ্ধ্বত গৈ কোনেও সিদ্ধান্ত ল'ব নোৱাৰে।" এনআৰচিৰ ক্ষেত্ৰত চৰকাৰে সাত বছৰত একো নকৰা বুলি অভিযোগ কৰি তেওঁ কয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘা কৰা হৈছে। দেশত সংখ্যালঘু-সংখ্যাগুৰুৰ বিভাজনৰ স্থান নাই বুলি মন্তব্য কৰি খুৰশ্বিদে কয়, "সংবিধানে সকলো নাগৰিকক সমান অধিকাৰ দিছে। কিন্তু বিজেপিয়ে মানুহক বিভাজন কৰিব বিচাৰে, সেয়া তেওঁলোকৰ ৰাজনীতি।" দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ প্ৰসংগত তেওঁ কয় যে বিষয়টো উচ্চতম ন্যায়ালয়লৈ গৈছে আৰু গুৰুত্বপূৰ্ণ পদবীত বহি এনে কাম কৰাটো পৰিতাপজনক। ইপিনে, সংবাদমেলত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এছিয়ান গেমছত স্বৰ্ণ পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই অনা বক্সাৰ লাভলীনা বৰগোঁহাইৰ সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। সংবাদমেলত প্ৰাক্তন সাংসদ আব্দুল খালেক, প্ৰাক্তন সাংসদ বলীন কুলী, প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে।

## চিয়াঙত SUMPৰ বিৰোধিৰে

আলো লিবাঙৰ বাহনত অগ্নিসংযোগ কৰে। তেওঁলোকে বিধায়কগৰাকীৰ বাসগৃহৰ মূল প্ৰৱেশদ্বাৰো ভাঙি চুৰমাৰ কৰে। এই ঘটনাৰ পাছত আৰক্ষীয়ে পৰিস্থিতি গুৰুত্বসহকাৰে লৈ সক্ৰিয় হয়। আৰক্ষী অধীক্ষকগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে নিজৰ দাবী আৰু প্ৰতিবাদ গণতান্ত্ৰিকভাৱে প্ৰকাশ কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু চৰকাৰী সম্পত্তিৰ ক্ষতিসাধন, আৰক্ষীৰ ওপৰত আক্ৰমণ, ব্যক্তিগত সম্পত্তি ধ্বংস বা যিকোনো ধৰণৰ হিংসাত্মক কাৰ্যকলাপ কোনো পৰিস্থিতিতেই সহ্য কৰা নহ'ব। তেওঁ কয়, "পূৰ্বে সংঘটিত ঘটনাসমূহৰ সন্দৰ্ভত ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে। আগন্তুক সময়ত কোনো ব্যক্তি হিংসা বা আইন-শৃংখলা বিঘ্নিত কৰা কাৰ্যত জড়িত থকা বুলি প্ৰমাণিত হ'লে তেওঁৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" লগতে প্ৰস্তাৱিত প্ৰকল্পটোক লৈ থকা আপত্তি আৰু উদ্বেগসমূহ স্থানীয় জনপ্ৰতিনিধি, জনগোষ্ঠীয় সংগঠন, সমাজৰ নেতৃবৃন্দ আৰু উপযুক্ত মঞ্চৰ জৰিয়তে উত্থাপন কৰিবলৈও আৰক্ষীয়ে আহ্বান জনায়। আলোচনাৰ জৰিয়তেহে সমস্যাৰ সমাধান সম্ভৱ বুলি উল্লেখ কৰি কোনো পৰিস্থিতিত আইন নিজৰ হাতত নল'বলৈ সকলো পক্ষক তেওঁ আহ্বান জনায়। ইফালে, সম্ভাব্য সংঘাত আৰু আইন-শৃংখলাজনিত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অঞ্চলটোৰ বিভিন্ন স্পৰ্শকাতৰ স্থানত আৰক্ষী, দণ্ডাধীশ আৰু নিৰাপত্তা বাহিনী মোতায়েন কৰা হৈছে। হিংসা উচটনি দিয়া বা পৰিস্থিতি অধিক উত্তপ্ত কৰাৰ চেষ্টা কৰা লোকসকলৰ বিৰুদ্ধেও আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে সতৰ্ক কৰি দিছে। পূৰ্বৰ ঘটনাসমূহৰ সৈতে জড়িত বুলি অভিযোগ উঠা ব্যক্তিসকলক চিনাক্ত কৰি আৰক্ষীয়ে পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে।

## অনুমতি, শব্দ নিয়ন্ত্ৰণ, CCTV

আৰক্ষীয়ে পূজা উদযাপন সন্দৰ্ভত কেইবাটাও আৱশ্যকীয় তথা প্ৰশাসনীয় নিৰ্দেশনা প্ৰদান কৰে। নিৰ্দেশনা অনুসৰি, সকলো পূজা সমিতিয়ে আগতীয়াকৈ আৰক্ষী আৰু অগ্নিনিয়ন্ত্ৰক বাহিনীৰ পৰা প্ৰয়োজনীয় অনুমতি লাভ কৰাৰ পাছতহে পূজা উদযাপন কৰিব পাৰিব। কোনো সমিতিয়ে পথ অৱৰোধ কৰি মণ্ডপ নিৰ্মাণ কৰিব নোৱাৰিব। শব্দ প্ৰদূষণ ৰোধৰ বাবে কঠোৰ নিয়ম ধাৰ্য কৰা হৈছে। পূজা মণ্ডপত শব্দৰ মাত্ৰা ৫৫ ডেচিবেলতকৈ অধিক হ'ব নোৱাৰিব। এই নিয়ম পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ প্ৰযোজ্য হ'ব। নিশা ১০ বজাৰ পিছত কোনো কাৰণতে উচ্চ স্বৰত ছিষ্টেম বা মাইক বজাব নোৱাৰিব। পূজা মণ্ডপসমূহত কোনো ধৰণৰ অশ্লীল গীত বা 'আইটেম ছং' নবজাবলৈ সমিতিসমূহক স্পষ্ট আহ্বান তথা নিৰ্দেশ প্ৰদান কৰা হয়। প্ৰতিটো পূজা মণ্ডপত CCTV কেমেৰা সংস্থাপন কৰাটো বাধ্যতামূলক। স্বেচ্ছাসেৱকসকলৰ নাম আৰু সবিশেষ তথ্য আগতীয়াকৈ স্থানীয় আৰক্ষীক জমা দিব লাগিব। নিশাৰ ভাগতো পূজাস্থলীত পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক উপস্থিত থকাটো বাধ্যতামূলক। দৰ্শনাৰ্থীৰ সুবিধা আৰু নিৰাপত্তাৰ কথা বিবেচনা কৰি পূজা মণ্ডপত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে সুকীয়া পথ ৰাখিব লাগিব। ইয়াৰ উপৰি পুৰুষ আৰু মহিলাৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰিব লাগিব। কোনো জৰুৰীকালীন পৰিস্থিতিৰ বাবে 'আপাতকালীন প্ৰস্থান' (Emergency Exit)ৰ সুকীয়া ব্যৱস্থা ৰাখিব লাগিব। প্ৰতিটো মণ্ডপত অভিজ্ঞ ইলেক্ট্ৰিচিয়ান উপস্থিত থাকিব লাগিব। অগ্নি-সুৰক্ষাৰ ক্ষেত্ৰত অগ্নি-প্ৰতিৰোধী ব্যৱস্থা ৰখাৰ লগতে নিৰাপত্তাৰ দায়িত্বত থকা লোকসকলক অগ্নিনিয়ন্ত্ৰণৰ পূৰ্ব প্ৰশিক্ষণ দিয়া আৱশ্যকীয়। ইয়াৰ লগতে প্ৰতিটো পূজা মণ্ডপত 'ধূমপান আৰু মদ্যপান নিষিদ্ধ' (No Tobacco and No Alcohol Zone) বুলি লিখা ফলক আৰু সজাগতামূলক নিৰ্দেশনা থাকিব লাগিব। বৈঠকত মহানগৰ আৰক্ষীয়ে স্পষ্ট কৰি দিয়ে যে নিৰ্দেশনা অমান্য কৰা হ'লে প্ৰচলিত আইন অনুসৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব। পূজা উদযাপনৰ সময়ত ৰাইজৰ সুবিধা, নিৰাপত্তা আৰু শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত পূজা সমিতিসমূহে আৰক্ষী প্ৰশাসনৰ সৈতে পূৰ্ণ সহযোগিতা কৰিব লাগিব বুলি আহ্বান জনোৱা হয়।

## জিলাখনৰ ১০৩খন গাঁও সামৰি

অনুষ্ঠিত এই অনুষ্ঠানত যোগ্য বনাঞ্চলবাসী সম্প্ৰদায়সমূহৰ অধিকাৰ স্বীকৃতি আৰু সুৰক্ষিত কৰাৰ লক্ষ্যৰে পট্টাসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে বন অধিকাৰ পট্টা বিতৰণ কৰে। অনুষ্ঠানত কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক শিউলি মহিলাৰী, বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়, বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰী, এমচিএলএ ধনেশ্বৰ গয়াৰী, জুবিৰাজ বসুমতাৰী, কোকৰাঝাৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। বিশেষ অভিযানৰ অংশ হিচাপে অনুষ্ঠানত ৬০টা ব্যক্তিগত বন অধিকাৰ পট্টা আৰু ২০টা সামূহিক বন অধিকাৰ পট্টা পট্টাধিকাৰীসকলৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। জিলাখনত মুঠ ১,০৬৩টা বন অধিকাৰ পট্টা জিলা পৰ্যায়ৰ সমিতি (DLC) য়ে অনুমোদন কৰিছে। ইয়াৰ ভিতৰত ৮৬৮টা ব্যক্তিগত বন অধিকাৰ পট্টা আৰু ১৯৫টা সামূহিক বন অধিকাৰ পট্টা আছে। এই পট্টাসমূহ জিলাখনৰ ১০৩খন গাঁও সামৰি অনুমোদন কৰা হৈছে। অনুষ্ঠানত ভাষণ দি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে এই পদক্ষেপৰ প্ৰশংসা কৰি কয় যে এই বিশেষ অভিযান সমগ্ৰ বিটিচি অঞ্চলতে সম্প্ৰসাৰিত কৰা হৈছে। তেওঁ হিতাধিকাৰীসকলক পট্টা লাভ কৰাৰ পিছত ভূমি পুনৰ বিক্ৰী নকৰিবলৈ আহ্বান জনোৱাৰ লগতে বনাঞ্চল সুৰক্ষিত কৰি প্ৰকৃতিৰ সৈতে সমন্বয় বজাই জীৱন-যাপন কৰিবলৈ আহ্বান জনায়। বিধায়ক শিউলি মহিলাৰীয়ে হিতাধিকাৰীসকলক অভিনন্দন জ্ঞাপন কৰি কয় যে এই পট্টা বিতৰণে বহু লোকৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰিছে। তেওঁ জীৱিকা নিৰ্বাহৰ বাবে ভূমিৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি বন আৰু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত অধিক জনসাধাৰণৰ অংশগ্ৰহণৰ আহ্বান জনায়। লগতে তেওঁ মানৱ-হাতী সংঘাত হ্ৰাস কৰাৰ লগতে বনাঞ্চলৰ বাসস্থান সুৰক্ষিত কৰাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। বিধায়ক ৰূপম চন্দ্ৰ ৰায়েও বন আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ জনসাধাৰণৰ কল্যাণ আৰু উন্নয়নৰ বাবে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰো প্ৰশংসা কৰে। আদৰণি ভাষণত কোকৰাঝাৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে বিশেষ অভিযান আৰু বন অধিকাৰ আইন, ২০০৬ ৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে এই আইনে পৰম্পৰাগতভাৱে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল হৈ থকা বনাঞ্চলবাসী সম্প্ৰদায়সমূহৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে এই অভিযানৰ অধীনত প্ৰদান কৰা বন অধিকাৰ পট্টাৰ প্ৰমাণপত্ৰসমূহত ত্বত্ম কোড সংযোজন কৰা হ'ব, যাতে পট্টাসমূহৰ সত্যতা আৰু তথ্য লাভৰ সুবিধা অধিক বৃদ্ধি পায়। তেওঁ কয় যে বন অধিকাৰ স্বীকৃতি দিয়াৰ লগতে বন সংৰক্ষণো সমানেই গুৰুত্বপূৰ্ণ। হিতাধিকাৰীসকলক বাসস্থান আৰু জীৱিকাৰ বাবে ভূমি ব্যৱহাৰ কৰাৰ লগতে বনজ সম্পদ সুৰক্ষা আৰু সংৰক্ষণ কৰিবলৈ তেওঁ আহ্বান জনায়।

## ৰাজ্যিক চিৰিয়াখানাক বিশ্বমানৰ

বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই সময়তে তেওঁ চিৰিয়াখানাত চলি থকা নিৰ্মাণ আৰু উন্নয়নমূলক কামৰ অগ্ৰগতি পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে চিৰিয়াখানাখনক আধুনিক আন্তঃগাঁথনি, উন্নত দৰ্শনাৰ্থী সুবিধা আৰু প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ সমন্বয়ৰে আগশাৰীৰ বন্যপ্ৰাণী কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা চলি আছে। ইয়াৰ বাবে কেইবাটাও নতুন সুবিধা নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয়, "চিৰিয়াখানাখনৰ পুনৰ নিৰ্মাণৰ কাম চলি আছে। এই কাম সম্পূৰ্ণ হ'লে ই কেৱল ভাৰততে নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এখন আগশাৰীৰ চিৰিয়াখানা হিচাপে পৰিচিত হ'ব। প্ৰকল্পটোৰ অন্যতম মূল আকৰ্ষণ হ'ব এটা বৃহৎ পক্ষীগৃহ।" উন্নয়নৰ কাম সন্তোষজনক গতিৰে আগবঢ়া বুলি উল্লেখ কৰি তেওঁ কয় যে অহা তিনি-চাৰি মাহত প্ৰস্তাৱিত সুবিধাসমূহৰ দৃশ্যমান ৰূপ স্পষ্ট হ'ব, যদিও সম্পূৰ্ণ নিৰ্মাণৰ বাবে অতিৰিক্ত সময়ৰ প্ৰয়োজন হ'ব। বন্যপ্ৰাণী সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে চিৰিয়াখানা চৌহদত গজ পূজা অনুষ্ঠিত হয়। ইয়াৰ পাছত চিৰিয়াখানাৰ বনকৰ্মীসকলে চিৰিয়াখানাৰ পৰা পবিতৰালৈ এক বাইক ৰেলী উলিয়ায়। এই ৰেলী মন্ত্ৰীগৰাকীয়ে পতাকা দোলন কৰি শুভাৰম্ভ কৰে। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ আলোকচিত্ৰত মাল্যৰ্পণ কৰা হয়। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানখনত চলি থকা বিভিন্ন উন্নয়নমূলক কামৰ অগ্ৰগতি পৰিদৰ্শন কৰে। অনুষ্ঠানত বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে চিৰিয়াখানাৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। ইয়াৰ মাজতে মন্ত্ৰীগৰাকীয়ে চিৰিয়াখানাত জন্মগ্ৰহণ কৰা এটা মতা জিৰাফ পোৱালিৰ নাম 'গগন' ৰখাৰ কথা ঘোষণা কৰে। ১৬ আগষ্টত জন্মগ্ৰহণ কৰা জিৰাফ পোৱালিটোৰ মাকৰ নাম 'বিজয়া'। এই নামকৰণে অনুষ্ঠানটোত এটা বিশেষ আকৰ্ষণৰ সৃষ্টি কৰে। চিৰিয়াখানাৰ উন্নয়নৰ ক্ষেত্ৰত বন বিভাগৰ বিষয়াসকলে বেংগালুৰু আৰু চেন্নাইৰ প্ৰাণীবিজ্ঞান উদ্যানসমূহ পৰিদৰ্শন কৰি তাত থকা সুবিধাসমূহ অধ্যয়ন কৰিছে। সেই অভিজ্ঞতাৰ আধাৰত অসমৰ প্ৰকল্পত প্ৰাসংগিক পদ্ধতিসমূহ অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানখনক সংৰক্ষণ, গৱেষণা, পৰ্যটন আৰু প্ৰাণীবিজ্ঞান শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

## অৰণ্য মানৱ' যাদৱ পায়েং অসুস্থ

হৈছিল। সেই অনুসৰি তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। তাত বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত চিকিৎসকে তেওঁৰ শৰীৰত অক্সিজেনৰ পৰিমাণ কম থকা বুলি ধৰা পেলায়। লগে লগে তেওঁক হাস্পতালখনৰ আইচিইউত ভৰ্তি কৰোৱা হয়। আইচিইউত ভৰ্তি হৈ থকা অৱস্থাতো তেওঁ বৰ্তমান সুস্থিৰ হৈ আছে বুলি জানিব পৰা গৈছে। যাদৱ পায়েঙৰ অসুস্থতা সম্পৰ্কে তেওঁৰ কন্যা মুনমুনী পায়েঙে কয়, "বৃহস্পতিবাৰে দেউতাৰ জ্বৰ আৰু কাহ আৰম্ভ হৈছিল। সেইবাবে তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হৈছিল। পৰীক্ষা কৰি চিকিৎসকে গম পালে যে দেউতাৰ শৰীৰত অক্সিজেনৰ মাত্ৰা কম আছে। সেয়েহে তেওঁক আইচিইউত ভৰ্তি কৰোৱা হয়। বৰ্তমান দেউতা ক্ৰমান্বয়ে সুস্থ হৈছে; কোনো চিন্তা কৰাৰ প্ৰয়োজন নাই।" ইফালে, আইচিইউৰ বিছনাত থকা অৱস্থাতো 'অৰণ্য মানৱ'গৰাকীয়ে কৰ্তব্যৰত স্বাস্থ্যকৰ্মীসকলৰ সৈতে প্ৰকৃতি আৰু পৰিৱেশ সম্পৰ্কীয় বিষয়ৰ লগতে চিকিৎসা সম্পৰ্কতো কিছু কথা পাতিছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, যোৰহাট জিলাৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ ঔনামুখ চাপৰিৰ প্ৰায় ৫৫০ হেক্টৰ অঞ্চলত যাদৱ পায়েঙে গছপুলি ৰোপণ কৰি এখন অৰণ্যলৈ ৰূপান্তৰিত কৰিছিল। বৰ্তমান সেই অৰণ্যত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰ উপস্থিতি দেখা পোৱা যায়। তেওঁৰ এই অসাধাৰণ কৰ্মৰাজিৰ বাবে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক 'ভাৰতৰ অৰণ্য মানৱ' (ফৰেষ্ট মেন অৱ ইণ্ডিয়া) উপাধি প্ৰদান কৰিছে।

## পৰ্যটকৰ বাবে মুকলি হ'ল মানাহ

উৎসৱমুখৰ পৰিৱেশত ৰঙা ফিতা কাটি মানাহৰ মুখ্য প্ৰৱেশদ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰি হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়- "মহাত্মা গান্ধীৰ জন্ম জয়ন্তীৰ আজিৰ পবিত্ৰ দিনটোত মানাহ ৰাষ্ট্ৰীয় উদ্যান চলিত ২০২৬-২৭ ৰৰ্ষৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। আজিৰে পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকে জীপ ছাফাৰী, হাতী ছাফাৰী, ৰিভাৰ ৰাফটিং আদি কৰিব পাৰিব। বিটিচিৰ পৰিৱেশ এতিয়া উন্নত। বিটিচিৰ প্ৰাকৃতিক পৰিৱেশ বহু ভাল। অসমত, ভাৰতবৰ্ষত দেশী-বিদেশী পৰ্যটকে যিবোৰ দেখা নাপায়, বিটিচি আৰু মানাহত দেখা পায়। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ লগতে, ৰায়মনা অভয়াৰণ্য, বগামাটি, গৌৰনদী আদি বিভিন্ন স্থান পৰ্যটকৰ বাবে অধিক আকৰ্ষণস্থলী হৈ উঠিছে। বিটিচিত, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন ক্ষেত্ৰৰ আৰু অধিক উন্নয়নৰ বাবে বিটিচি চৰকাৰৰ বহু পৰিকল্পনা আছে।" হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে- "মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীকো আমন্ত্ৰণ জনোৱা হ'ব।" সংবাদ মাধ্যমৰ এক প্ৰশ্নোত্তৰত হাগ্ৰামা মহিলাৰীয়ে কয়- "মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মাটি বেদখল আগতে যি হৈছে হৈছে, ইয়াৰ বাদে মানাহত নতুনকৈ মাটি বেদখল কৰিবলৈ দিয়া নহ'ব।" মহিলাৰীয়ে পুনৰ কয়- "অহা পাঁচ অক্টোবৰত বিটিচি চৰকাৰৰ এটা বছৰ পূৰ্ণ হ'ব। বিটিচিক লৈ বহুতো নতুন পৰিকল্পনা কৰা হৈছে। সেইবোৰ অহা পাঁচ অক্টোবৰত জানিব পাৰিব।" উল্লেখ্য যে- হাগ্ৰামা মহিলাৰীয়ে আজি বাহবাৰী ৰেঞ্জত নতুনকৈ পৰ্যটকৰ বাবে এটা মানাহৰ তথ্য সংগ্ৰহালয়ো মুকলি কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ তথা মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক সোণালী ঘোষ আৰু বাহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ বিজিত বড়োৱে পৰিচালনা কৰা মানাহ ৰাষ্ট্ৰীয় উদ্যান মুকলি আৰু তথ্য সংগ্ৰহালয় মুকলি অনুষ্ঠানত হাগ্ৰামা মহিলাৰীৰ লগতে বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য জেমছ বসুমতাৰী, মানস বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী, বিটিচিৰ এমচিএলএ ক্ৰমে-খাম্পা বৰগয়াৰী, দিগন্ত গয়াৰী, ধনঞ্জয় বসুমতাৰীৰ লগতে বিটিচিৰ বন, তথ্য আৰু জনসংযোগ বিভাগৰ বহু সংখ্যক শীৰ্ষ বিষয়াই অতিথিৰূপে উপস্থিত থাকে। তদুপৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ কাৰ্যবাহী সদস্য, বিধায়ক, এমচিএলএ, বন বিভাগৰ শীৰ্ষ বিষয়াক লগত লৈ মানাহত প্ৰায় দুঘণ্টা সময় জীপ ছাফাৰী কৰে। তদুপৰি আজিৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান মুকলি অনুষ্ঠানৰ লগতে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰে-বাহিৰে অগণন দেশী-বিদেশী পৰ্যটকৰ লগতে প্ৰকৃতিপ্ৰেমী ৰাইজে ভৰি পৰে।

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত

ভোটাধিকাৰৰ মূল্য হ্ৰাস পাইছে। তেওঁলোকৰ মতে, স্বাধীনতা বহু সংগ্ৰামৰ ফলত লাভ কৰা হৈছিল, সেয়ে গণতন্ত্ৰ সুৰক্ষিত কৰি ৰাখিবলৈ আৰু ভোটাধিকাৰ ৰক্ষা কৰিবলৈ তেওঁলোকে পথত নামিছে। এই সন্দৰ্ভত এগৰাকী প্ৰতিবাদকাৰীয়ে কয়, "ভাৰতত এনে পৰিস্থিতি সৃষ্টি হৈছে যে চৰকাৰী প্ৰতিষ্ঠানৰ বিৰোধিতা কৰিবলৈ বা প্ৰতিবাদ কৰিবলৈ মানুহ বাধ্য হৈছে। গণতন্ত্ৰৰ অস্তিত্ব সংকটত পৰিছে আৰু ভোটৰ মূল্য নাইকিয়া হৈছে। সেয়েহে আমি প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছো।" আন এগৰাকী প্ৰতিবাদকাৰীয়ে কয়, "আমি স্বাধীনতা আৰু গণতন্ত্ৰ সহজে লাভ কৰা নাই। বহু সংগ্ৰাম আৰু আন্দোলনৰ ফলত দেশে স্বাধীনতা পাইছিল। আমি আমাৰ গণতন্ত্ৰক সুৰক্ষিত কৰিবলৈ আৰু ভোটাধিকাৰ ৰক্ষাৰ বাবে ইয়াত একগোট হৈ প্ৰতিবাদ কৰিছোঁ।" ককৰোচ্ছ জনতা পাৰ্টীৰ মুখ্য মুখপাত্ৰ সৌৰভ দাসে কয়, "দুৰ্নীতিগ্ৰস্ত ব্যৱস্থাই দেশৰ যুৱক-যুৱতীসকলৰ জীৱন আৰু ভৱিষ্যতক গ্ৰাস কৰি আছে। ভোটাধিকাৰেই আমাৰ জীৱনত পৰিৱৰ্তন আনিব পৰা একমাত্ৰ উপায়। কিন্তু আমাৰ অধিকাৰ আমাৰ পৰা কাঢ়ি লোৱা হৈছে। এই প্ৰতিবাদ শিৱাজী পাৰ্কৰ পৰা আৰম্ভ হৈছে আৰু জ্ঞানেশ কুমাৰে পদত্যাগ নকৰালৈকে দেশজুৰি প্ৰতিবাদ অব্যাহত থাকিব।" ইপিনে, দিল্লীৰ যন্তৰ-মন্তৰত আপৰ নেতা-কৰ্মীৰ লগতে এআইএছএ, এছএফআই আৰু এনএছইউআইৰ ছাত্ৰ-ছাত্ৰীসকলে মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এছআইআৰ তথা ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে জ্ঞানেশ কুমাৰৰ পদত্যাগ অনিবাৰ্য বুলি দাবী জনায়। আৰক্ষীৰ এক সূত্ৰৰ মতে, যন্তৰ-মন্তৰৰ পৰা আপৰ প্ৰায় ৭০০ৰো অধিক নেতা-কৰ্মী তথা এছএফআই আৰু অন্যান্য ছাত্ৰ সংগঠনৰ সদস্যক আটক কৰা হয়। আপে অভিযোগ কৰে যে শান্তিপূৰ্ণ প্ৰতিবাদ সত্ত্বেও আৰক্ষীয়ে দলীয় নেতাসকলক গ্ৰেপ্তাৰ কৰিছে। প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে জ্ঞানেশ কুমাৰে পদত্যাগ নকৰে, তেতিয়ালৈকে তেওঁলোকৰ বিক্ষোভ অব্যাহত থাকিব। ইফালে, এই প্ৰতিবাদক লৈ দিল্লী আৰু মুম্বাইত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে।

## নগাঁৱত গান্ধী জয়ন্তীত কংগ্ৰেছৰ বাইক

সমষ্টিৰ উপ-নিৰ্বাচনৰ কংগ্ৰেছ প্ৰাৰ্থী শিৱামনি বৰাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায় দলটোৱে। ইয়াৰ অংশ হিচাপে কংগ্ৰেছৰ নেতা-কৰ্মী আৰু সমৰ্থকসকলে নগাঁও চহৰত এক বাইক ৰেলী উলিয়ায়। ৰেলীত দলীয় কৰ্মী-সমৰ্থকৰ যথেষ্টসংখ্যক লোক উপস্থিত থাকে। কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক ভূপেশ বাঘেল, AICC সম্পাদক মনোজ চৌহান, সাংসদ ৰকিবুল হুছেইন, বিৰোধী উপ-দলপতি জয় প্ৰকাশ দাস, বিধায়ক তাঞ্জিল হুছেইন, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী আৰু নগাঁও জিলা কংগ্ৰেছৰ সভানেত্ৰী ৰুণুমণি বৰাকে ধৰি দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী উপস্থিত থাকে। গান্ধী জয়ন্তীৰ দিনটোতে অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে কংগ্ৰেছে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান আনুষ্ঠানিকভাৱে অধিক সক্ৰিয় কৰি তোলে। উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি নগাঁৱত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

## ৪৪ বছৰৰ পাছত চীনক পৰাস্ত

পৰ্যায়ত চীনক পেনাল্টি ষ্ট্ৰ'ক দিয়া হৈছিল। কিন্তু ভাৰতে ৰিভিউ লোৱাৰ পাছত সেই সিদ্ধান্ত সলনি হৈ পেনাল্টি কৰ্ণাৰ দিয়া হয়। এই ঘটনাই খেলৰ গতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। চালিমা টেটেৰ নেতৃত্ব আৰু প্ৰশিক্ষক শ্ব'ৰ্ড মাৰিনৰ প্ৰশিক্ষণত গঢ়ি উঠা এই ভাৰতীয় দলটোৱে দেখুওৱা ধৈৰ্য, একতা আৰু আক্ৰমণাত্মক খেলে দেশবাসীক গৌৰৱান্বিত কৰিছে। এই ঐতিহাসিক জয় ভাৰতীয় মহিলা হকীৰ বাবে এক নতুন অধ্যায় হিচাপে বিবেচিত হৈছে।

## যোৰাবাটত ভয়ংকৰ ভূমিস্খলনত

আতংকৰ সৃষ্টি হয়। স্থানীয় লোকৰ মতে, প্ৰথম ভূমিস্খলনৰ পাছতো পাহাৰৰ পৰা মাটি আৰু ধ্বংসাৱশেষ ক্ৰমাগতভাৱে তললৈ খহি আহি আছিল। ইয়াৰ ফলত অঞ্চলটোত অস্থিৰ পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় প্ৰশাসন আৰু আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয়। তেওঁলোকে পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে মাটি খহি পৰা অংশৰ পৰা ধ্বংসাৱশেষ আঁতৰোৱাৰ কাম আৰম্ভ কৰিছে। উদ্ধাৰ তথা পৰিষ্কাৰ কাৰ্য অব্যাহত আছে। ইপিনে, স্থানীয় বাসিন্দাসকলে অভিযোগ কৰিছে যে নিৰ্মাণকাৰ্যৰ বাবে পাহাৰত ব্যাপক হাৰত মাটি কটা হৈছে। ইয়াৰ ফলত পাহাৰৰ ঢাল দুৰ্বল হৈ পৰিছে আৰু ভূমিস্খলনৰ আশংকা বৃদ্ধি পাইছে। তেওঁলোকে ভৱিষ্যতেও এনে ঘটনা পুনৰ সংঘটিত হ'ব পাৰে বুলি উদ্বেগ প্ৰকাশ কৰিছে।

### আদৰ্শ শিক্ষাগুৰু জয়দেৱ দেৱনাথৰ অৱসৰ গ্ৰহণ; বিদায় সম্বৰ্ধনা সভা সম্পন্ন

# ২৭ বছৰীয়া গৌৰৱোজ্জ্বল শিক্ষকতা জীৱনৰ সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ২ অক্টোবৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ অন্তৰ্গত কুহুমতলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়দেৱ দেৱনাথে আজি সুদীৰ্ঘ ২৭ বছৰীয়া শিক্ষকতা জীৱনৰ অন্ত পেলাই অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে বিদ্যালয়খনত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত তেওঁৰ বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। দীৰ্ঘ কৰ্মজীৱনত শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা নিষ্ঠা, দায়িত্ববোধ আৰু অনন্য অৱদানৰ বাবে বিদায়ী শিক্ষাগুৰুগৰাকীক অনুষ্ঠানত গভীৰ শ্ৰদ্ধা আৰু আন্তৰিকতাৰে সন্মান জনোৱা হয়। শিয়ালেখাইটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল জব্বাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কুহুমতলি সমলকেন্দ্ৰৰ সমল ব্যক্তি পূৰ্ণ দেৱনাথ, কলিয়াবৰ মহকুমা সন্মিলনীৰ উপদেষ্টা ভৈৰৱ মহন্ত, ৰাজ্যিক সদস্যা ৰীতা বৰদলৈ, সম্পাদক নিকু ভাগৱতীৰ লগতে স্থানীয় বিশিষ্ট ব্যক্তিসকল, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সম্বৰ্ধনা সভাত বিদায়ী প্ৰধান শিক্ষক জয়দেৱ দেৱনাথক ফুলাম গামোচা, চেলেং চাদৰ, জাপি, শৰাই আৰু মানপত্ৰৰে উম্ম সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ভাষণ প্ৰদান কৰি জয়নাথ দেৱনাথৰ সুদীৰ্ঘ শিক্ষকতা জীৱনৰ কৰ্মনিষ্ঠা, আদৰ্শ আৰু শিক্ষাৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা স্মৰণ কৰে। উল্লেখযোগ্য যে, জয়দেৱ দেৱনাথে কলিয়াবৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও অৱসৰৰ সময়লৈকে উপদেষ্টাৰূপে সক্ৰিয়তাৰে শিক্ষক সন্মিলনীত জড়িত হৈ আছিল। বিদায়ী শিক্ষাগুৰুগৰাকীয়ে তেওঁৰ সুদীৰ্ঘ কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰি এক অনুভৱ গধুৰ ভাষণ আগবঢ়ায়। তেওঁৰ বক্তব্যই উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীসকলক আবেগিক কৰি তোলে। ভাষণত তেওঁ শিক্ষাৰ্থীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতেও একনিষ্ঠভাৱে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। সুদীৰ্ঘ ২৭ বছৰীয়া শিক্ষকতা জীৱনৰ অৱসৰৰ এই ক্ষণত উপস্থিত সকলোৱে আদৰ্শ শিক্ষাগুৰু জয়দেৱ দেৱনাথৰ সুস্বাস্থ্য, সুখ-শান্তি আৰু আগন্তুক জীৱনৰ সাফল্য কামনা কৰে।

# বৰপেটাৰোডত গান্ধী জয়ন্তীত নেচাৰ ফৰ্চৰ উদ্যোগত ৫০০ গছপুলি ৰোপণ, ২,০০০ বিতৰণ

**অসম বাৰ্তা, বৰপেটাৰোড, ২ অক্টোবৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে পৰিৱেশ সুৰক্ষাৰ বাৰ্তা লৈ বৰপেটাৰোডত গ্ৰহণ কৰা হয় এক উল্লেখযোগ্য সেউজ পদক্ষেপ। প্ৰকৃতিপ্ৰেমী স্বপন দাসৰ নেতৃত্বত পৰিচালিত স্বেচ্ছাসেৱী সংগঠন 'নেচাৰ ফৰ্চ'ৰ উদ্যোগত আজি দুৰ্গাবাৰী-কালীবাৰী ৰোডত বৃহৎ বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ অংশ হিচাপে আজি দুৰ্গাবাৰী-কালীবাৰী ৰোডৰ কাষত বিভিন্ন প্ৰজাতিৰ প্ৰায় ৫০০ গছপুলি ৰোপণ কৰা হয়। একেদৰে সেউজ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে স্থানীয় ৰাইজৰ মাজত বিনামূলীয়াকৈ ২,০০০ গছপুলি বিতৰণ কৰা হয়। উল্লেখ্য যে, প্ৰকৃতিপ্ৰেমী স্বপন দাসে দীৰ্ঘদিন ধৰি অসমকে ধৰি চুবুৰীয়া ৰাজ্য ছিকিমতো বৃক্ষৰোপণ আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নীৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। আজিৰ এই কাৰ্যসূচীৰ জৰিয়তে সেউজ পৰিৱেশ গঢ়ি তোলা আৰু বৃক্ষৰোপণৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ বাৰ্তা প্ৰদান কৰা হয়। অনুষ্ঠানটোত বৰপেটাৰোডৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সমাজকৰ্মী, প্ৰকৃতিপ্ৰেমী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। গান্ধী জয়ন্তীৰ দিনটোত 'নেচাৰ ফৰ্চ'ৰ এই সেউজ পদক্ষেপে সচেতন মহলৰ মাজত বিশেষ সমাদৰ লাভ কৰে।

### ছাত্ৰৰ মৃত্যুত জিলা আৰক্ষী অধীক্ষকলৈ ১১ দফীয়া দাবীৰ স্মাৰকপত্ৰ

# পাঁচ দিনৰ সময়সীমা বান্ধি আমগুৰিত সাময়িকভাৱে স্থগিত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অৱৰোধ

**অসম বাৰ্তা, চেলেংহাট,** যোৱা ২৯ তাৰিখে ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত আমগুৰি চাহ বাগিচাৰ এজন ছাত্ৰৰ মৃত্যুৰ প্ৰতিবাদত চাহ জনজাতিৰ কেইবাটাও সংগঠন আৰু স্থানীয় ৰাইজে আজি পুৱাৰে পৰা ঘাইপথ অৱৰোধ কৰে। প্ৰতিবাদকাৰী সকলে ঘাইপথৰ ওপৰতে টায়াৰ জ্বলাই অৱস্থান কৰে। উল্লেখ্য যে দুৰ্ঘটনাটোত ছাত্ৰ উমেশ তাচাৰ মৃত্যু হয় আৰু দীপাঞ্জলী তাচা গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত কৰা বাহনখন আৰক্ষীয়ে জব্দ কৰিব নোৱাৰাৰ লগতে চালকজনক গ্ৰেপ্তাৰ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে আমগুৰি চাহ বাগিচা এলেকাত এই অৱৰোধ কৰে। যদিও হালোৱাটিং আৰক্ষীয়ে ১ অ'ৌবৰতে এ এছ ০৬ বি চি ২০৫১ পঞ্জীয়ন নম্বৰৰ বাহনখন নাগালেণ্ডৰ পৰা জব্দ কৰি চালক বিমল তাঁতীক গ্ৰেপ্তাৰ কৰিছিল, তথাপি হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে দীৰ্ঘ সময় ৰাজপথত প্ৰতিবাদ অব্যাহত ৰাখে। দুপৰীয়ালৈ প্ৰতিবাদ তীব্ৰ হোৱাত শিৱসাগৰ জিলা আৰক্ষী আৰু প্ৰশাসনৰ সৈতে দীৰ্ঘ সময় আলোচনা হয়। আলোচনাৰ অন্তত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে আৰু প্ৰতিবাদকাৰীসকলে সাময়িকভাৱে অৱৰোধ প্ৰত্যাহাৰ কৰে। অৱৰোধ প্ৰত্যাহাৰ কৰাৰ আগেয়ে প্ৰতিবাদকাৰীসকলে জিলা আৰক্ষী অধীক্ষকক এখন স্মাৰকপত্ৰ প্ৰদান কৰি দাবীসমূহ পূৰণ কৰিবলৈ আৰক্ষী-প্ৰশাসনক পাঁচ দিনৰ সময়সীমা বান্ধি দিয়ে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ আমগুৰি প্ৰাথমিকৰ সভাপতি ভাৰ্গৱ প্ৰধান আৰু সম্পাদক সমীৰ ভূএগাই স্বাক্ষৰ কৰা ১১ দফীয়া দাবীৰ স্মাৰকপত্ৰখনত প্ৰয়াত উমেশ তাঁতীৰ মৃত্যুৰ ঘটনাৰ ন্যায়সংগত তদন্ত কৰাৰ লগতে তেওঁৰ পৰিয়ালক ন্যায় প্ৰদান কৰা, দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা দোষী চালকজনক শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে আইন অনুসৰি উপযুক্ত শাস্তিৰ ব্যৱস্থা, দুৰ্ঘটনাত ব্যৱহৃত বাহনখনৰ মালিকক চিনাক্ত কৰি তেওঁৰ ভূমিকা সন্দৰ্ভত তদন্ত কৰি আইন অনুসৰি ব্যৱস্থা গ্ৰহণ, দুৰ্ঘটনাত আহত দীপালি তাঁতীৰ উন্নত চিকিৎসা ব্যৱস্থাৰ লগতে ক্ষতিপূৰণ, দুৰ্ঘটনাটো সংঘটিত হোৱাৰ তিনিদিন উকলি যোৱাৰ পাছতো বাহনখন আৰু চালকজনক চিনাক্ত কৰিব নোৱাৰাৰ বিষয়টো গুৰুত্বসহকাৰে লৈ তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰা, দুৰ্ঘটনাটো সংঘটিত হোৱা স্থানৰ CCTV ফুটেজ, প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য আৰু অন্যান্য প্ৰাসংগিক তথ্য-প্ৰমাণ সংগ্ৰহ কৰি দোষীক শীঘ্ৰে চিনাক্ত কৰা, বিদ্যালয়ৰ সময়ত যান বাহন স্থগিত কৰা, ৬১ নং ৰাষ্ট্ৰীয় ঘাই পথত কেমেৰাৰ ব্যৱস্থা কৰা, পথত গতি বেগৰ পৰিমাণৰ লিখিত ব্যৱস্থা কৰা আদি দাবীসমূহ উল্লেখ কৰে।

# শোণিতপুৰ আৰক্ষী ছাউনীত অসম আৰক্ষী দিৱস পালন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২ অক্টোবৰ ঃ** আজি অসম আৰক্ষী দিৱস। বৃটিছৰ শাসনৰ পিছত দেশৰ স্বাধীনতা-উত্তৰ কালৰ ১৯৫১চনৰ এক অক্টোবৰৰ দিনা ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰথম গৰাকী ভাৰতীয় কে আৰ চৌধুৰীয়ে অসম আৰক্ষীৰ মূৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা দিনটো সোঁৱৰণৰ বাবে অসম আৰক্ষী দিৱস হিচাপে ৰাজ্যজুৰি পালন কৰা হয়। আজিৰ দিনটোতে অসম আৰক্ষীৰ জোৱান আৰু বিষয়া সকলে অসম আৰক্ষীৰ লক্ষ্য "জনহিত জনসেৱাথে" শপত গ্ৰহণ কৰাৰ লগতে পতাকা উত্তোলন, আনুষ্ঠানিক কুছ কাৱাজৰ লগতে জনসাধাৰণৰ বাবে ত্যাগৰ মনোভাৱৰে কাম কৰাৰ পণ গ্ৰহণ কৰি অসম আৰক্ষীৰ সেই গৌৰৱময় সোণালী দিনটো সোঁৱৰণ কৰে। আজি অসম আৰক্ষী দিৱস উপলক্ষে সমগ্ৰ অসমৰ লগতে শোণিতপুৰ জিলাতো অসম আৰক্ষী দিৱস পালন কৰা হয়। এই উপলক্ষে আজি পুৱা শোণিতপুৰ আৰক্ষী ছাউনীত অনুষ্ঠিত এক অনাড়ম্বৰ অনুষ্ঠানত শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই অসম আৰক্ষীৰ পতাকা উত্তোলন কৰি দেশমাতৃৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীৰ ছহীদ বেদীৰ পুষ্পমাল্য অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছতা আৰু পৰিচ্ছন্নতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২ অক্টোবৰ ঃ** স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ এক অন্যতম আধাৰ—এই বাৰ্তাক সাৰোগত কৰি গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছতা আৰু পৰিচ্ছন্নতাৰ বাৰ্তা লৈ ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত আয়োজন কৰা হয় বিশেষ স্বচ্ছতা আৰু পৰিচ্ছন্নতা কাৰ্যসূচী। ভাৰত চৰকাৰৰ 'স্বচ্ছ ভাৰত মিছন অভিযান'ৰ অধীনত আয়োজিত এই কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম জয়ন্তী সৈতে সংগতি ৰাখি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় এই স্বচ্ছতা অভিযান। এই উদ্দেশ্যে বিশ্ববিদ্যালয়ৰ চৌহদত শিক্ষাৰ্থীসকল একত্ৰিত হৈ পৰিচ্ছন্নতা অভিযানত অংশ লয়। হাতে হাতে বেনাৰ ঝাড়ু লৈ শিক্ষাৰ্থীসকলে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাৰ্তা প্ৰচাৰ কৰে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনে স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ অন্যতম আধাৰ—এই বাৰ্তাকে আগত ৰাখি এই অভিযানৰ আৰম্ভ কৰিছে। দিনজোৰা কাৰ্যসূচীৰে গ্ৰহণ কৰা অনুষ্ঠানত চৌহদ নিকাকৰণৰ পাছতে তেওঁলোকে বাণীপুৰৰ এখন বিদ্যালয়ত উপস্থিত হয় আৰু তাৰ ওচৰ-পাজৰৰ গাওঁসমূহ পৰিষ্কাৰ কৰাৰ প্ৰচেষ্টা চলায়। উল্লেখযোগ্য যে শিক্ষাৰ্থীসকলৰ এনে পদক্ষেপে সমাজলৈ পৰিচ্ছন্নতাৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ডঃহিৰেন্দ্ৰ নাথ শৰ্মাই 'স্বচ্ছ পৰিৱেশ সুস্থ জীৱনৰ অন্যতম আধাৰ'- ওপৰত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি নিজৰ অভিমত দাঙি ধৰে। অনুষ্ঠানত বিশ্ববিদ্যালয় পঞ্জীয়ক, পংকজ বৰঠাকুৰ, বিশ্ববিদ্যালয়ৰ শিক্ষক, শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰী সকলেও অংশ গ্ৰহণ কৰে।

# সেৱা সংকল্প অভিযান উপলক্ষে কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ অক্টোবৰ ঃ** 'সেৱা সংকল্প অভিযান-২০২৬' উপলক্ষে মাকুম সমজিলাৰ উদযাপন সমিতিৰ উদ্যোগত মাকুম উন্নয়ন খণ্ডৰ সভাগৃহত আজি মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈকে নিম্ন শাখাত বাইছটা আৰু নৱম শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণীলৈকে উচ্চ শাখাত এঘাৰটা দলে অংশগ্ৰহণ কৰে। মাকুম মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শংকৰজ্যোতি বৰুৱা আৰু মৌতোষী ডেম গগৈয়ে পৰিচালনা কৰা প্ৰতিযোগিতাখনৰ শুভাৰম্ভ কৰে মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। হাপজান প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা শিক্ষা বিষয়া গুণিন দত্তই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মাকুম সমজিলাৰ সহকাৰী আয়ুক্ত হিমাদ্ৰী মেচ, হাপজান শিক্ষা খণ্ডৰ উপ-পৰিদৰ্শক চফিকুল আনচাৰী, ব্লক প্ৰগেমাৰ প্ৰজ্ঞান ৰাজখোৱা, খণ্ড সমল ব্যক্তি দিতুল চেতিয়া আৰু বনদীপ সিনহা উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে 'গান্ধী জয়ন্তী' উপলক্ষে মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। প্ৰতিযোগিতাৰ অন্তত নিম্ন শাখাৰ পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰোহিত কৈৰী আৰু হিমাংশু কাকতিক প্ৰথম, বাল্যভৱন মাকুমৰ ভাস্কৰজ্যোতি ৰাজখোৱা আৰু শ্ৰেয়া প্ৰসাদক দ্বিতীয় আৰু সৰজুবালা মেম'ৰিয়েল হাইস্কুলৰ সায়ন দে আৰু মানস দাসক তৃতীয় পুৰস্কাৰ; উচ্চ শাখাৰ বাল্যভৱন মাকুমৰ ৰেয়ান সিনহা আৰু নায়াব চিকাৰীক প্ৰথম, গংগাবিচন চৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ধ্ৰুৱ লুইটেল আৰু অঞ্জু মাহাতুক দ্বিতীয় আৰু আৱাৰ এবিচি জুনিয়ৰ হাইস্কুলৰ অভিৰাজ গুপ্তা আৰু জুলতাল জ'জ'ক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰতিযোগিতাখনি সামগ্ৰিক পৰিচালনাত সহায় কৰে মণ্ডল সমন্বয়ক বুধিন দত্ত আৰু ৰাহুল দাসে।

# ঐতিহ্যমণ্ডিত কামাখ্যা থান হৰিমন্দিৰৰ পুনঃনিৰ্মাণৰ শুভাৰম্ভণি

**অসম বাৰ্তা, পাথৰিঘাট, ২ অক্টোবৰ ঃ** পশ্চিম দৰঙৰ ভেৰুৱাত ১৮৮৫ চনত স্থাপিত ঐতিহ্যমণ্ডিত কামাখ্যা থান হৰিমন্দিৰৰ পুনঃনিৰ্মাণৰ শুভাৰম্ভণি উপলক্ষে মাংগলিক পৰিৱেশত লাইখুঁটা স্থাপন অনুষ্ঠান অনুষ্ঠিত হয়। ঐতিহাসিক তথা ধৰ্মীয়-সাংস্কৃতিক গুৰুত্ব বহন কৰি অহা এই হৰিমন্দিৰৰ পুনঃনিৰ্মাণৰ শুভাৰম্ভণি উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভক্তপ্ৰাণ ৰাইজৰ লগতে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত লাইখুঁটা স্থাপন কৰে অনুপম ডেকাই। দৰং গৌৰৱ তথা অসম গৌৰৱ বঁটা প্ৰাপক অনুপম ডেকা এছ আৰ ডি গ্ৰুপৰ এগৰাকী স্বত্বাধিকাৰী আৰু অসম ক্ৰিকেট সন্থাৰ কোষাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। লাইখুঁটা স্থাপন অনুষ্ঠানত সনাতন ধৰ্ম সভা, মঙলদৈৰ উপ-সভাপতি উপেন চহৰীয়া, সৰ্বভাৰতীয় ডবা সন্থাৰ যুটীয়া সম্পাদক কন্দৰ্প কলিতা, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সনাতন ধৰ্ম সভাৰ মঙলদৈ ৰাস মহোৎসৱৰ প্ৰাক্তন সম্পাদক গিৰীশ কলিতা, দৰং আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ আৰক্ষী উপ-পৰিদৰ্শক শৰৎ কলিতা, ১০৮ সংখ্যক অধিৱেশন, অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰফুল্ল ডেকা আৰু অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদক ধৰণী কলিতা উপস্থিত থাকে। ইয়াৰ উপৰি অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ পৰা অহা বিশিষ্ট ব্যক্তি, ধৰ্মপ্ৰাণ ৰাইজ, ভক্তবৃন্দ আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি ঐতিহ্যমণ্ডিত কামাখ্যা থান হৰিমন্দিৰৰ পুনঃনিৰ্মাণৰ এই শুভ পদক্ষেপৰ প্ৰতি সহায়-সহযোগিতা আগবঢ়োৱাৰ সংকল্প প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ১৮৮৫ চনত প্ৰতিষ্ঠা লাভ কৰা কামাখ্যা থান হৰিমন্দিৰে দীৰ্ঘদিন ধৰি ভেৰুৱা তথা বৃহত্তৰ দৰং অঞ্চলৰ সনাতনী ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। হৰিমন্দিৰটোৰ পুনঃনিৰ্মাণে অঞ্চলটোৰ ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্যক অধিক সুদৃঢ় কৰাৰ লগতে আগন্তুক প্ৰজন্মৰ বাবেও এক গুৰুত্বপূৰ্ণ ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# অসম আৰক্ষী দিৱসত আৰক্ষী বিষয়াক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ অক্টোবৰ ঃ** অসম আৰক্ষী দিৱস উপলক্ষে বৃহস্পতিবাৰে ডুমডুমাত বিভিন্ন সংগঠনে আৰক্ষী বিষয়া-কৰ্মচাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰি সমাজৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে সম্বৰ্ধনা জনায়। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি অনুজ কলিতা আৰু সম্পাদক মনোজ বৰুৱাৰ নেতৃত্বত ক্লাবৰ এটা প্ৰতিনিধি দলে বৃহস্পতিবাৰে সন্ধিয়া ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্তক তেওঁৰ কাৰ্যালয়ত সাক্ষাৎ কৰি অসম আৰক্ষী দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰতিনিধি দলটোত ক্লাবৰ উপদেষ্টা অৰ্জুন বৰুৱা,



প্ৰাক্তন সভাপতি মনোজ দত্ত আৰু উপ-সভাপতি অভিজিৎ খাটনিয়াৰো উপস্থিত আছিল। প্ৰতিনিধি দলটোৱে আৰক্ষী অধীক্ষক দিগন্ত দত্তক এখন চেলেং চাদৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে অঞ্চলটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত তেওঁৰ সৈতে মত-বিনিময় কৰে। ইফালে, ডুমডুমা টি চিটি লায়ন্স ক্লাবেও এই উপলক্ষে ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত আৰু ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোজ্জ্বল গগৈক তেওঁলোকৰ নিষ্ঠাপূৰ্ণ সেৱাৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনায়। দুয়োগৰাকী আৰক্ষী বিষয়াক ফুলাম গামোচা আৰু স্মাৰকেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত লায়ন্স ক্লাবৰ সভাপতি দিনেশ গোয়েল, সম্পাদক দীপক চৌধুৰী, কোষাধ্যক্ষ এছ এন জয়ছোৱাল আৰু প্ৰাক্তন সভাপতি লায়ন ডাঃ উজ্জ্বল ভট্টাচাৰ্য উপস্থিত থাকে। উল্লেখযোগ্য যে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া কুমুদ ৰঞ্জন চৌধুৰীয়ে ১৯৫১ চনৰ ১ অক্টোবৰত অসমৰ প্ৰথমগৰাকী ভাৰতীয় আৰক্ষী মহাপৰিদৰ্শক (আইজিপি) হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ স্মৃতিত প্ৰতি বছৰে ১ অক্টোবৰত অসম আৰক্ষী দিৱস পালন কৰা হয়। বৰ্তমান এই পদটো আৰক্ষী সঞ্চালক প্ৰধান (ডিজিপি) হিচাপে পৰিচিত।

### ভুক্তভোগী ভুৱন খড়েলে আজি উক্ত মেছেজটো পৰীক্ষা কৰাৰ পিছত সমগ্ৰ ঘটনাটো পোহৰলৈ আহে

# কৃষ্ণাইত ১৫৭ তম্ গান্ধী জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, কৃষ্ণাই, ২ অক্টোবৰ ঃ** কৃষ্ণাই সাংস্কৃতিক ভৱন পৰিচালনা সমিতিৰ উদ্যোগত আজি কৃষ্ণাই সাংস্কৃতিক ভৱনত ১৫৭তম গান্ধী জয়ন্তী অতি উলহ-মালহেৰে উদযাপন কৰা হয়। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা উক্ত অনুষ্ঠানত পোন প্ৰথমে মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছত ভক্তিমূলক গীত পৰিৱেশন কৰা হয়। অনুষ্ঠানত কৃষ্ণাই সাংস্কৃতিক ভৱন পৰিচালনা সমিতিৰ সভাপতি জয়ন্ত ৰায়, সম্পাদক আব্দুল হাই, কাৰ্যকৰী সম্পাদক নজৰুল ইছলাম, মহম্মদ হুছেইন, ছহিবুল ৰছুল, ছামনুৰ আলম, নীলু মণি শৰ্মা, কন্দৰ্প কুমাৰ দেৱ নাথ, নুৰ মহম্মদ, পদুমী নাথ আদিকে ধৰি স্থানীয় ৰাইজৰ উপস্থিতিত সাম্প্ৰতিক কালত গান্ধীজীৰ প্ৰাসংগিকতা সম্পৰ্কত এক আলোচনা সভা অনুষ্ঠিত হয়। বক্তাসকলে গান্ধীজীৰ আদৰ্শ, অহিংসা নীতি আৰু সত্যৰ পথৰ বিষয়ে বহলাই আলোচনা কৰে। অনুষ্ঠানত স্থানীয় ৰাইজৰ সহযোগিতা আৰু উপস্থিতিয়ে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

# মৰিগাঁও জিলা সাহিত্য সভাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

### দুখনকৈ মূল্যবান গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২ অক্টোবৰ ঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱসটো আজি দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে মৰিগাঁও চহৰস্থিত কাৰ্যালয় শশীকান্ত হাজৰিকা ভৱনত অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ পুৱাৰ ভাগত পতাকা উত্তোলন কৰে জিলা সভাপতি ড০ হৰমোহন কলিতাই। ইয়াৰ পাচতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আৱক্ষমূৰ্তিত মাল্যাৰ্পণ কৰে উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈয়ে আৰু স্মৃতি বেদীত বন্তি প্ৰজ্বলন কৰে কোষাধ্যক্ষ ভূপেন বৰাই। আনহাতে জিলা সাহিত্য সভাৰ প্ৰয়াত বিষয়ববীয়া সকলৰ সোঁৱৰণত শ্ৰদ্ধাৰ্ঘ অনুষ্ঠান মুকলি কৰে ক্ৰমে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য পিনাকীভূষণ মহন্ত আৰু প্ৰাক্তন সম্পাদক অশোক ডেকাই। দুপৰীয়াৰ ভাগত ড° হৰমোহন কলিতাৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁতধৰে সম্পাদক কুশল কুমাৰ বৰাই। এই সভাতে শিক্ষাবিদ পুনাৰাম নাথৰ 'বেদ আৰু উপনিষদ পৰিচয়, শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ কলিতাই আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক প্ৰাঞ্জল বৰাৰ 'চিন্তা তৰংগ' শীৰ্ষক আন এখন গ্ৰন্থ উন্মোচন কৰে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে। মৰিগাঁও জিলা সাহিত্য সভা আৰু ইয়াৰ উত্তৰণ শীৰ্ষক সভাখনত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাহিত্য সভাৰ সংক্ষিপ্ত ইতিহাস বৰ্ণনা কৰে। সভাত প্ৰাক্তন উপ-সভাপতি ক্ৰমে বিৰিঞ্চি কুমাৰ শৰ্মা, চিমল দেউৰী, প্ৰাক্তন সম্পাদক অশোক ডেকা, লক্ষেশ্বৰ ডেকা, বিষয়ববীয়া নীলমণি ফুকন প্ৰমুখ্যে কেবাগৰাকীও প্ৰাক্তন বিষয়ববীয়া সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই সভাতে মৰিগাঁৱৰ মহিলাৰ দ্বাৰা পৰিচালিত কনকলতা শাখা সাহিত্য সভাক স্বৰ্ণ শাখাৰ স্বীকৃতি প্ৰদান কৰা হয়। এই স্বীকৃতি শাখাটোৰ সভানেত্ৰী জোনমণি গোস্বামী, সম্পাদিকা কৰবী শইকীয়াই আৰু প্ৰতিষ্ঠাপক সম্পাদিকা ললিতা দেৱী প্ৰমুখ্যে বিষয়ববীয়া আৰু সদস্য সকলে গ্ৰহণ কৰে।

# হাজোৰ ৰামদিয়াত খাদ্যত বিষক্ৰিয়া; মাহ-প্ৰসাদ খাই অসুস্থ ১১ গৰাকী লোক

**অসম বাৰ্তা, হাজো, ২ অক্টোবৰ ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়াৰ উজানকুৰিত মাহ-প্ৰসাদ খাই অসুস্থ বহুকেইজন লোক। সত্ৰৰ বুট মাহৰ প্ৰসাদত বিষক্ৰিয়া ঘটি এঘাৰ জনকৈ লোক গুৰুতৰভাৱে অসুস্থ হৈ পৰা ঘটনাই সমগ্ৰ অঞ্চলটোত ব্যাপক চৰ্চা তথা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি ৰামদিয়া উজানকুৰি লাডুৱা গোপাল সত্ৰত শ্ৰীশ্ৰী মথুৰা দাস আতাৰ তিৰোভাৱ তিথি উপলক্ষে নাম-প্ৰসঙ্গ অনুষ্ঠিত হৈছিল। নাম-প্ৰসঙ্গৰ অন্তত ভক্তসকলৰ মাজত বিতৰণ কৰা মাহ-প্ৰসাদ গ্ৰহণ কৰাৰ পাছৰ পৰাই লোকসকলৰ স্বাস্থ্যৰ অৱনতি ঘটে। কালি দিনৰ ভাগত প্ৰসাদ গ্ৰহণ কৰাৰ পাছত আজি পুৱাৰ পৰা ইজনৰ পিছত সিজনকৈ লোকৰ পেটৰ বিষ, পনীয়া শৌচ আৰু বমি হ'বলৈ আৰম্ভ কৰে। অৱস্থা ক্ৰমান্বয়ে সংকটজনক হৈ পৰাত বিয়লিৰ ভাগত আক্ৰান্তসকলক ততালিকে হাজো বিষ্ণুৰাম মেধি এফ আৰ ইউ (FRU) চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আক্ৰান্তসকলৰ ভিতৰত চিনাক্ত হোৱা লোকসকল হৈছে— নদীয়াৰ সঞ্জয় ডেকা (৩৮), মুকুন্দ ভৰালী (৩৩, উজানকুৰি), ভাগ্যমণি দাস (৩০, নদীয়া), প্ৰবীন ডেকা (৭০, নদীয়া), অঞ্জলি দাস ডেকা (৪২, নদীয়া), মিলন কুমাৰ ভদ্ৰ (৫৩, ৰামদিয়া), ভণিতা মজুমদাৰ (৫৮, ৰামদিয়া), সুভাষ ডেকা (৫৬, নদীয়া), জগত ডেকা (৬০, নদীয়া) আৰু সঞ্জয় ডেকা (৩০, নদীয়া)। বাতৰি যুগুতোৱা পৰলৈ অসুস্থ ব্যক্তিৰ সংখ্যা আৰু বৃদ্ধি পাব বুলি জনাইছে চিকিৎসালয় কৰ্তৃপক্ষই। বৰ্তমান চিকিৎসালয়খনত আক্ৰান্তসকলৰ চিকিৎসা অব্যাহত আছে।

# কোকৰাঝাৰ জিলাজুৰি ৮ৰ পৰা ১০ অক্টোবৰলৈ সেৱা সেতু অভিযানৰ শিবিৰ অনুষ্ঠিত হ'ব

**অসম বাৰ্তা, কোকৰাঝাৰ, ২ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত অহা ৮ ৰ পৰা ১০ অক্টোবৰ, ২০২৬ লৈ জিলাখনৰ বিভিন্ন স্থানত 'সেৱা সেতু অভিযান'ৰ শিবিৰ অনুষ্ঠিত কৰা হ'ব। বিভিন্ন চৰকাৰী আঁচনি আৰু জনমুখী সেৱা জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে এই শিবিৰসমূহ আয়োজন কৰা হৈছে। "চৰকাৰ জনসাধাৰণৰ দুৱাৰডলিত" শীৰ্ষক মূল উদ্দেশ্যৰে অনুষ্ঠিত হ'বলগীয়া সেৱা সেতু অভিযানৰ জৰিয়তে চৰকাৰী সেৱা লাভৰ সুবিধা, বিভিন্ন আঁচনিৰ বাবে আবেদন আৰু তথ্য সংশোধনৰ ক্ষেত্ৰত তাৎক্ষণিক সহায়, জনসাধাৰণৰ অভিযোগ নিষ্পত্তি তথা বিভিন্ন কল্যাণমূলক আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা হ'ব। জিলাখনৰ পাঁচটা স্থানত এই শিবিৰ অনুষ্ঠিত হ'ব। ৮ অক্টোবৰত ৪ নং বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ অধীনত দোতমা ইনড'ৰ ষ্টেডিয়াম আৰু ২ নং দোতমা বিধানসভা সমষ্টিৰ কচুগাঁও শ্বহীদ সুজিত নাৰ্জাৰী স্মৃতি ভৱনত শিবিৰ অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ৩ নং কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অধীনত ইৰাগদাও কমিউনিটি হল, তিতাগুৰি আৰু ১ নং গোঁসাইগাঁও বিধানসভা সমষ্টিৰ অধীনত হাব্ৰুবিল কমিউনিটি হলত শিবিৰ অনুষ্ঠিত হ'ব। ১০ অক্টোবৰত ৫ নং পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ অধীনত দেৱীতোলাৰ বিষ্ণু ৰাভা ভৱনত শিবিৰ অনুষ্ঠিত হ'ব। সকলো শিবিৰ পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব। এই শিবিৰসমূহত অৰুণোদয়, পি এম-কিষাণ সন্মান নিধি, কিষাণ ক্ৰেডিট কাৰ্ড (KCC), আয়ুষ্মান ভাৰত (PM-JAY), ৰেচন কাৰ্ড আৰু খাদ্য সুৰক্ষা আঁচনি, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ), জন্ম আৰু মৃত্যু প্ৰমাণপত্ৰ, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, ই-শ্ৰম আৰু শ্ৰমিক কল্যাণমূলক আঁচনি, জল জীৱন মিছনৰ অধীনৰ 'হৰ ঘৰ জল', পি এম সূৰ্যোদয়কে ধৰি বিভিন্ন চৰকাৰী আঁচনি আৰু জনকল্যাণমূলক সেৱাৰ সুবিধা প্ৰদান কৰা হ'ব। বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে শিবিৰত উপস্থিত থাকি জনসাধাৰণক আঁচনিৰ বাবে আবেদন কৰাত সহায় কৰা, চৰকাৰী আঁচনি আৰু সেৱাসমূহৰ বিষয়ে তথ্য প্ৰদান কৰা, বিভিন্ন সুবিধা লাভৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা আৰু জনসাধাৰণৰ অভিযোগসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। কোকৰাঝাৰ জিলা প্ৰশাসনে জিলাখনৰ সকলো নাগৰিককে সেৱা সেতু অভিযানৰ শিবিৰসমূহত অংশগ্ৰহণ কৰি বিভিন্ন চৰকাৰী আঁচনি আৰু জনমুখী সেৱাৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন